

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

একাদশ বছৰ ■ সংখ্যা ২৯৫ ■ গুৱাহাটী ■ শুকুৰবাৰ, ৪ জুন', ২০২১, ২০ জেঠ, ১৯৪৩ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ৭.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. 11 ISSUE NO. 295 Dainandin Barta ■ Guwahati, Friday ■ 4 June 2021 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only



# গঙা চিলনীৰ পাখি মেলি গৈয়ো হৈ বৈ গ'ল কল্পকায়



## অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° লক্ষ্মীনন্দন বৰাৰ মহাপ্ৰয়াণ

পদ্মশ্ৰী সন্মানেৰে সন্মানিত বৰাই লাভ কৰিছিল সৰস্বতী সন্মান ■ ৬০খনতকৈ অধিক গ্ৰন্থৰ প্ৰণেতা বৰা আছিল ঔপন্যাসিক-গল্পকাৰ ■ সাহিত্য অকাদেমি বঁটা, অসম উপত্যকা বঁটাকে ধৰি লাভ কৰিছিল বহু গুৰুত্বপূৰ্ণ সন্মান ■ উপন্যাস 'গঙা চিলনীৰ পাখি'ৰ কাহিনীৰে নিৰ্মাণ কৰিছিল চলচ্চিত্ৰ ■ বৰাৰ মৃত্যুত ৰাজ্যপাল মুখি, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অসম সাহিত্য সভাৰ সভাপতিকে ধৰি বহু লোক তথা বিভিন্ন দল-সংগঠনৰ শোক প্ৰকাশ ■ ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩ জুন ঃ** ভাৰতৰ বিশিষ্ট ঔপন্যাসিক তথা চুটি গল্পকাৰ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° লক্ষ্মীনন্দন বৰাৰ আজি পুৱা চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। কেইবাদিনো ধৰি কৰ'নাত আক্ৰান্ত হোৱাৰ ফলত চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা অৱস্থাত আজি পুৱা এঘাৰ বজাত ৮৮ বছৰ বয়সত তেওঁ ইহলীলা সম্বৰণ কৰে। ভাৰতৰ প্ৰান্তীয় ভাষা তথা অসমীয়া ভাষাত বহু কালজয়ী উপন্যাস ৰচনা কৰি ড° বৰাই অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। নগাঁও জিলাৰ কুজিদাহৰ হাতীছুঙত ১৯৩২ চনৰ ১৫ জুনত জন্মগ্ৰহণ কৰিছিল। তেওঁৰ পিতৃ আৰু মাতৃ আছিল পৃথুৰাম বৰা আৰু ফুলেশ্বৰী বৰা। ড° বৰাই নগাঁও হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰাৰ পিছত কটন কলেজৰ পৰা পদাৰ্থ বিজ্ঞান বিষয়টো গুৰু বিষয় হিচাপে লৈ ■ ৮ পৃষ্ঠাত



লক্ষ্মীনন্দন বৰাৰ মৃত্যুত জন্মস্থান নগাঁৱত শোকৰ ছাঁ

## সোণাই নৈ মোৰ ধমনীৰ স্পন্দন হৈ আছে, মই এতিয়াও সোণাইপৰীয়া



### বিখ্যাত সোণাইপৰীয়াজনৰ বিয়োগত শোকস্তব্ধ হাতীচোংবাসী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩ জুন ঃ** 'সোনাই শব্দটোৱে মোক পুৰণি দিনৰ তথা এৰি অহা জীৱনৰ স্মৃতিয়ে উদ্বুদ্ধ কৰে। কাৰণ মই শৈশৱ আৰু প্ৰথম যৌৱন সোনাই পাৰতে অতিবাহিত কৰিলোঁ আৰু তাৰ খাটি খোৱা কৃষক পৰিয়ালৰ লোকৰ সুখ-দুখ, হাঁহি-কান্দোনৰ ■ ৮ পৃষ্ঠাত

### অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° লক্ষ্মীনন্দন বৰাৰ গ্ৰন্থপঞ্জী

**গল্প ঃ** দৃষ্টিৰূপা (১৯৫৮), সেই সুৰে উতলা (১৯৬০), কাঁচিয়লীৰ কুঁৱলী (১৯৬১), গোপন গধূলি (১৯৬১), গৌৰী ৰূপক (১৯৬১), মন মাটি মেঘ (১৯৬২), অচিন কইনা (১৯৬৩), এই ৰূপ এই ছন্দ (১৯৬৩), দহন দুলড়ী (১৯৬৫), কঠিন মায়া (১৯৬৬), দেৱতাৰ ব্যাধি (১৯৬৬), আৱেশ ইন্দ্ৰজাল (১৯৬৭), মাজত তৃষাৰে নৈ (১৯৬৭), ব্যতিক্ৰম (১৯৭৬), নিষিদ্ধ চেতনা (১৯৭৬), সেহি অনুৰাগে (১৯৮০), এৰাবাৰীৰ লেছেৰী (১৯৮৩), দুস্তৰ কাৰাগাৰ (২০০২), প্ৰেয়সী (১৯৯৩), মন বিৰিখৰ জোখ (২০০১), মুক্ত পুৰুষ (২০০২), মন মাটি পিৰীতি (১৯৬২), লক্ষ্মীনন্দন বৰাৰ গল্প সমগ্ৰ (প্ৰথম খণ্ড) (২০০৪), আলাসত ■ ৮ পৃষ্ঠাত

আকৌ ৰঙা স্কুটী

## নিৰ্বাচনৰ বাবে বিতৰণ নোহোৱা স্কুটীবোৰ লাভ কৰিব ছাত্ৰীয়ে

### শিক্ষা বিভাগে প্ৰকাশ কৰিলে স্কুটী বিতৰণৰ নতুন নিৰ্দেশনা

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৩ জুন ঃ** ৰাজ্যৰ ছাত্ৰীসকলে লাভ কৰিব ৰঙা স্কুটী। নিৰ্বাচনৰ প্ৰাকক্ষণত একাংশ ছাত্ৰীয়ে ৰঙা স্কুটী লাভ কৰিছিল নিজৰ শৈক্ষিক পাৰদৰ্শিতাৰ ভিত্তিত। কিন্তু তালিকাভুক্ত হোৱাৰ পিছতো অন্য একাংশই এই স্কুটীসমূহ গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নাছিল। কিয়নো অসমত বিধানসভাৰ নিৰ্বাচনৰ অধিসূচনা জাৰি কৰা হৈছিল আৰু ইয়াৰ বাবেই স্কুটী বিতৰণত আহি পৰিছিল বাধা। এইবাৰ অৱশ্যে মন্ত্ৰী বা ৰাজনৈতিক নেতাৰ জৰিয়তে স্কুটী বিতৰণ কৰা নহয়। স্থানীয় শিক্ষানুষ্ঠানৰ মুৰব্বীৰ জৰিয়তে ছাত্ৰীসকলকপ্ৰাপ্য স্কুটীসমূহ চমজাই দিবলৈ সিদ্ধান্ত লৈছে শিক্ষা বিভাগে। এই সম্পৰ্কত উচ্চ শিক্ষা সঞ্চালকে প্ৰকাশ কৰিছে এক এছঅ'পি অৰ্থাৎ স্কুটী বিতৰণৰ. পৰামৰ্শৱলী। উক্ত



পৰামৰ্শত কোৱা হৈছে যে সমগ্ৰ ৰাজ্যতে ২৯ গৰাকী অধ্যক্ষক বিভিন্ন জিলাত স্কুটী বিতৰণত তত্বাৱধায়ক হিচাপে নিযুক্তি দিয়া হ'ব। একোগৰাকী অধ্যক্ষই প্ৰয়োজনত এখনতকৈ অধিক জিলাৰ দায়িত্বত নিয়োজিত হ'ব লাগিব। স্কুটী যোগান ধৰা ডিলাৰসমূহে নিজা খৰচত স্কুটী বিতৰণ ■ ৮ পৃষ্ঠাত

সাপেখাঁতীত স্বাস্থ্য বিভাগৰ আজৱ কাণ্ড

## একেদিনাই এগৰাকী মহিলাক ক'ভিডৰ তিনিটা বেজী প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, সাপেখাঁতী, ৩ জুন ঃ** চৰাইদেউৰ জিলাৰ সাপেখাতীত সংঘটিত হ'ল আজৱ কাণ্ড। স্বাস্থ্য বিভাগৰ কৰ্মীয়ে উদঙালে বিভাগটোৰেই ফোপোলা স্বৰূপ। ■ ৮ পৃষ্ঠাত



জিএমচিএইচত চিকিৎসাধীন হৈ থকা ডাঃ সেউজ কুমাৰ সেনাপতিৰ স্বাস্থ্যৰ বুজ লৈছে স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই

লংকাৰ ফুলতলী ক'ভিড কেয়াৰ চেণ্টাৰত চিকিৎসক, চিকিৎসা কৰ্মীক আক্ৰমণৰ ঘটনা

## ঘটনাৰে জড়িত আৰু ২ অভিযুক্তক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, লংকা, ৩ জুন ঃ** লংকাৰ ফুলতলী ক'ভিড কেয়াৰ চেণ্টাৰত মঙলবাৰে চিকিৎসক সেউজ কুমাৰ সেনাপতিৰ লগতে চিকিৎসালয়খনৰ নাৰ্ছ, স্বাস্থ্য কৰ্মীক নিৰ্দয়ভাৱে প্ৰহাৰ কৰা ঘটনাৰ লগত জড়িত আৰু দুটা দুষ্কৃতিকাৰীক আজি লংকা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ কৰা দুষ্কৃতিকাৰী দুটা হৈছে নুৰু হুছেইন আৰু ইমদাদুৰ ৰহমান। দুয়োটা দুষ্কৃতিকাৰীৰ ঘৰ লংকাৰ ■ ৮ পৃষ্ঠাত

কৃষিমন্ত্ৰী অতুল বৰাৰ গৃহ জিলাতে খৰাং পৰিস্থিতি

## খেতিপথাৰত ছিৰাল ফাঁট

কাণসাৰ নাই কৃষি বিভাগ আৰু জলসিঞ্চন বিভাগৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ৩ জুন ঃ** গোলাঘাট জিলাৰ গোলাঘাট আৰু ধনশ্ৰী মহকুমাত এতিয়াও বৰষুণ নোহোৱা বাবে খৰাং পৰিস্থিতিয়ে দুয়োটা মহকুমাৰ কৃষক ৰাইজৰ নিদ্ৰাহৰণ কৰিছে। অসমীয়া লেখেৰে আজি জেঠ মাহৰ ১৯/২০ দিন গ'ল যদিও বৰষুণৰ অভাৱত খেতিপথাৰসমূহত ছিৰাল ফাঁট মেলাত আজিলৈকে কঠীয়া মুঠিও সিঁচিব নোৱাৰিলে। ইফালে আজি-কালি উন্নত মানৰ ধানৰ সঁচ ৰঞ্জিত, বি বি-৮ বাহাদুৰ, মাছুৰী আদি ধানৰ কঠীয়া জেঠ মাহৰ পহিলাতে সিঁচিব নোৱাৰিলে খেতি অসাৰ হ'ব বুলি কৃষক ৰাইজৰ মাজত হাহাকাৰ লাগিছে। আনহাতে, ৰঞ্জিত, বি বি -৮, বাহাদুৰ আদি ধানৰ বীজ সিঁচাৰ সময় পাৰ হৈ যোৱাত বৰো ধান, বাংকিশালি, মনোহৰ শালি আদি শালিধানৰ কঠীয়া সিঁচিবলৈও পথাৰত পানী নাই আৰু এইবোৰ ধানৰ সঁচৰ বীজ পাবলৈ নাই। দুয়োটা মহকুমাই কৃষিপ্ৰধান মহকুমা হোৱাৰ ■ ৮ পৃষ্ঠাত



গুৱাহাটীত বৃহস্পতিবাৰে ৰাজ্যৰ বিভিন্ন জিলাৰ উপায়ুক্তসকলৰ সৈতে কৃষিমন্ত্ৰী অতুল বৰা আৰু খাদ্য আৰু যোগান মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ ভিডিঅ' কনফাৰেন্স

## বিশিষ্ট মুক্তিযোদ্ধা দেৱেশ্বৰ দলৈৰ দেহাৱসান



**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ৩ জুন ঃ** যোৰহাট তথা সমগ্ৰ ৰাজ্যৰে এজন প্ৰবীন গান্ধীবাদী মুক্তিযোদ্ধা দেৱেশ্বৰ দলৈৰ আজি দুপৰীয়া ১-১৫ বজাত যোৰহাটৰ কুশল নগৰস্থিত নিজা বাসভৱনত ■ ৮ পৃষ্ঠাত



## ক'ভিড আক্ৰান্ত অসুস্থ শহুৰেকক বোকোচাত লৈ ১০৮ত উঠালে বোৱাৰীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩ জুন ঃ** ক'ভিড আক্ৰান্ত শহুৰেকক এগৰাকী বোৱাৰীয়ে নিজে বোকোচাত তুলি নি ১০৮ বাহনত উঠাই ক'ভিড হাস্পতাললৈ নিয়াৰ ■ ৮ পৃষ্ঠাত

## কাজিৰঙাত পৰ্যটন ব্যৱস্থাৰ বুজ ল'লে মন্ত্ৰী বিমল বৰাই

স্থানীয় যুৱকক ৰেহাই মূল্যত জীপছী গাড়ী যোগানৰ ব্যৱস্থা কৰিবলৈ আহ্বান সঞ্চালকৰ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ৩ জুন ঃ** ৰাজ্যখনৰ ভিতৰতেই সৰ্বাধিক দেশ-বিদেশৰ পৰ্যটকৰ আগমন ঘটা কাজিৰঙালৈ মন্ত্ৰিত্বৰ দায়িত্ব লৈ প্ৰথমবাৰৰ বাবে ৰাজ্যখনৰ পৰ্যটন মন্ত্ৰী ■ ৮ পৃষ্ঠাত

## কাকজান চাহ বাগিচাত এজন কৰ্মচাৰীৰ মৃত্যুক লৈ চিকিৎসকৰ লগত সংঘাত

পৰিস্থিতি শান্তিপূৰ্ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৩ জুন ঃ** যোৰহাট জিলাৰ কাকজান চাহ বাগিচাত কালি নিশা এজন ৰোগীৰ মৃত্যুক কেন্দ্ৰ কৰি চিকিৎসক আৰু নাৰ্ছক দুৰ্ব্যৱহাৰ কৰাৰ ঘটনাই এক চেপা উত্তেজনা বিৰাজ কৰি আছে। প্ৰাপ্ত তথ্য মতে কাকজান চাহ ■ ৮ পৃষ্ঠাত

## জৰাজীৰ্ণ উৰুখা পঁজাত দুৰ্বিষহ জীৱন অতিবাহিত জকাই ঘিটিৰা বৰবিল গাঁৱৰ বৃদ্ধ দম্পতীৰ



আজিকোপতি চৰকাৰী আৱাস নোপোৱাৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ৩ জুন ঃ** ডিব্ৰুগড় জিলাৰ লাহোৱাল সমষ্টিৰ অধীনৰ ডিব্ৰুগড় জিলাৰ বৰবৰুৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত জকাই ঘিটিৰা বৰবিল গাঁৱৰ অতিশয় দৰিদ্ৰতাৰে দুৰ্বিষহ জীৱন যাত্ৰাৰে জৰাজীৰ্ণ উৰুখা পঁজাত অতি দুখ-যন্ত্ৰণাৰে জীৱন অতিবাহিত কৰিছে। উল্লেখ্য, জকাই ঘিটিৰা বৰবিল গাঁৱৰ নিৱাসী ভোগীৰাম সোণোৱাল আৰু মাতো সোণোৱালে আকাশৰ তৰা ■ ৮ পৃষ্ঠাত

### স্পষ্টীকৰণ



অসমৰ বহুলভাৱে সম্প্ৰচাৰিত 'প্ৰাগ নিউজ' নামৰ ব্যক্তিগত টিভি চেনেলত ২ জুনত সম্প্ৰচাৰ হোৱা 'ধুবুৰীত তৎপৰ কয়লা ছিণ্ডিকেট' শীৰ্ষক বাতৰিটো মোৰ দৃষ্টিগোচৰ হোৱাত মই উক্ত বাতৰি সন্দৰ্ভত সমূহ অসমবাসী ৰাইজক বাতৰি কাকতত বিজ্ঞাপনৰ জৰিয়তে মোৰ স্পষ্টীকৰণ ৰাজহুৱা কৰিব বিচাৰিছোঁ। উক্ত বাতৰি সন্দৰ্ভত ক'বলগীয়া এয়ে যে, বাতৰিটোত সম্প্ৰচাৰ কৰা গোলকগঞ্জ ব্লক যুৱ কংগ্ৰেছৰ সভাপতিৰ বিৰুদ্ধে প্ৰতিটো অভিযোগ ভিত্তিহীন, মনেসজা তথা সম্পূৰ্ণ মিছা কথা। বাতৰিত উল্লেখ কৰা দৰে সোনাহাট আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰত চলি থকা তথাকথিত ছিণ্ডিকেটত মই তথা যুৱ কংগ্ৰেছ কোনোধৰণে জড়িত নহয়।

সোনহাট আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰ স্থাপনৰ দিনৰে পৰা মই সম্পূৰ্ণ বিভাগীয় নীতি-নিয়ম মানি চলি বাংলাদেশৰ লগত শিল ৰপ্তানি কাৰ্যত জড়িত হোৱাৰ লগতে বিভিন্ন ৰপ্তানিকাৰক মোৰ নিজা ট্ৰাক ভাড়া দি এই ব্যৱসায়ৰ জৰিয়তে মোৰ পৰিয়ালক পোহ-পালন দি আছো। কিন্তু একাংশ দুষ্ট চক্ৰই মোক জনমানসত হেয় প্ৰতিপন্ন কৰিবলৈ উঠিপৰি লাগিছে আৰু মোৰ বিৰুদ্ধে এটাৰ পিছত আনটো ষড়যন্ত্ৰ ৰচনা কৰি গৈছে।

সেয়েহে মোৰ ধাৰণা হৈছে উক্ত দুষ্ট চক্ৰটোৱে মোৰ তথা যুৱ কংগ্ৰেছৰ বিৰুদ্ধে কিছু মনেসজা তথ্য সংবাদ মাধ্যমত যোগান ধৰি সন্মানীয় সাংবাদিক বন্ধুসকলক বিপথে পৰিচালনা কৰাৰ অপচেষ্টা কৰিছে। গতিকে মই সন্মানীয় 'প্ৰাগ নিউজ'ক মোৰ বিৰুদ্ধে এনেধৰণৰ ভিত্তিহীন বাতৰি সম্প্ৰচাৰ নকৰিবলৈ কৰযোৰে অনুৰোধ জনালোঁ।

**সহিদুল ইছলাম মণ্ডল**
সভাপতি, গোলকগঞ্জ ব্লক যুৱ কংগ্ৰেছ কমিটী

# মেঘালয়ৰ সীমান্তৱৰ্তী মাটাইখাৰ পাটগাঁৱত ক'ভিডত ৯৭জন লোক আক্ৰান্ত

## ৰাইজৰ উদ্যোগত চাৰিটা শিবিৰ স্থাপন, মিলনপুৰৰ কণ্টেইনমেণ্ট জ'ন প্ৰত্যাহাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৩জুন ঃ** ৰাজ্যৰ আন বহু গ্ৰামাঞ্চলৰ দৰে পশ্চিম গুৱাহাটীৰ মেঘালয় সীমান্তৰ মাটাইখাৰ পাটগাঁৱতো ক'ভিড-১৯ মহামাৰীয়ে গণ সংক্ৰমণৰ ৰূপ ধাৰণ কৰাৰ উপক্ৰম হৈছে। অঞ্চলটোৰ মাটাইখাৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত পাটগাঁৱৰ ১৩১ টা পৰিয়ালৰ লোকক কৰা ক'ভিড পৰীক্ষাত ২ জুন পৰ্যন্ত শিশু, মহিলাকে ধৰি ৯৭ জন লোক পজিটিভ চিনাক্ত হৈছে। ইফালে পহিলা জুনত ৫০ জন লোক আক্ৰান্ত হোৱাৰ পাছত স্থানীয় পলাশবাৰী ৰাজহ চক্ৰৰ ফালৰ পৰা পাটগাঁৱক কণ্টেইনণ্টমেণ্ট জ'ন হিচাপে ঘোষণা কৰা হয়। ইতিমধ্যে ২ জুনত পলাশবাৰী ৰাজহ চক্ৰই প্ৰতিটো পৰিয়ালক খাদ্যসামগ্ৰী যোগান ধৰিছে। আনহাতে আক্ৰান্ত লোকসকলৰ ভিতৰত ১৩জনক মিৰ্জাত থকা পতঞ্জলি ক'ভিড কেয়াৰ কেন্দ্ৰত ভৰ্তি কৰোৱা হয়। আনহাতে ৮৪জনক হোম আইছ'লেছনত থাকিবলৈ দিয়া হয় যদিও বেছিভাগ লোক দুখীয়া হোৱাৰ বাবে ক'ভিড প্ৰট'কল অনুসৰি মাত্ৰ ২৫জন লোকহে হোম আইছ'লেছনত আছে। বাকী নিজ গৃহত আছুতীয়াকৈ থকাৰ সুবিধা নথকা ৫৯জন লোকৰ বাবে ক্ৰমে পাটগাঁও পুথিভঁৰাল, পাটগাঁও প্ৰাথমিক বিদ্যালয়, পাটগাঁও কমিউনিটী হল আৰু মেঘালয়ৰ অধীনত থকা পাটগাঁও আপাৰ প্ৰাইমাৰী স্কুল চৌহদত এটাকৈ মুঠ চাৰিটা শিবিৰ স্থাপন কৰা হৈছে। শিবিৰসমূহৰ তত্ত্বাৱধায়কৰ দায়িত্বত থকা প্ৰাণেশ্বৰ ৰাভা, প্ৰমোদ দাস, ভবেন মেধী, তৰুণ মেধী, অজিত মেধীকে ধৰি আন আন কৰ্মকৰ্তাসকলে জানিবলৈ দিয়া মতে শিবিৰসমূহত থকা লোকসকলক নিজৰ সুবিধা অনুসৰি খোৱা-বোৱাৰ ব্যৱস্থা কৰি দিয়া হৈছে। আনহাতে স্থানীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, কামৰূপ জিলাৰ উপায়ুক্ত কৈলাশ কাৰ্তিক এন, পলাশবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ধৃতিমান দাস, পলাশবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সত্যেন্দ্ৰ সিং হাজাৰী, লাটমণ্ডল ৰাধা ৰাভাই শিবিৰ আৰু কণ্টেইনমেণ্ট জ'ন পৰিদৰ্শন কৰি অঞ্চলটোৰ ক'ভিডকেন্দ্ৰিক পৰিস্থিতিৰ বুজ লৈছে। ইফালে ২০ মে'ত মাটাইখাৰ মিলনপুৰ গাঁৱৰ ৬০ টা পৰিয়ালৰ ভিতৰত ৩৯জন লোক ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত গাঁওখনক কণ্টেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰা হৈছিল। কিন্তু ২ মে'ত কৰা স্বাস্থ্য পৰীক্ষাত সকলো লোক নিগেটিভ হোৱাত আজি বিয়লিৰে পৰা ক'ভিড প্ৰট'কল অনুসৰি কণ্টেইনমেণ্ট জ'ন প্ৰত্যাহাৰ কৰা হয়। গাঁওখনৰ ৫জনক মিৰ্জাত থকা ক'ভিড কেয়াৰ কেন্দ্ৰত ভৰ্তি কৰোৱাৰ বিপৰীতে মিলনপুৰ প্ৰাথমিকত স্থাপন কৰা শিবিৰত দহজন আৰু বাকীসকল নিজ গৃহত আছুতীয়াকৈ আছিল। ক'ভিড নিগেটিভ হোৱাৰ পাছত দুই জুনত ক'ভিড কেয়াৰ কেন্দ্ৰ আৰু শিবিৰত থকা আটাইকেইজন লোক নিজগৃহলৈ উভতি আহে।

# জামুগুৰিহাটৰ নবিল প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক শান্তনু গৌতমৰ প্ৰশংসনীয় পদক্ষেপ

## শিশুৰ পৰা বৃদ্ধলৈকে ৮০০ মাস্ক বিতৰণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ৩ জুন ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ নবিল প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক তথা চাৰিপুখুৰী অঞ্চলৰ সমাজকৰ্মী শান্তনু গৌতমে ক'ভিড-১৯ৰ সময়ছোৱাত এক প্ৰশংসনীয় পদক্ষেপ হাতত লোৱা দেখা গ'ল। নিজ বিদ্যালয়ৰ চৌহদত উপস্থিত হৈ কালি বিভিন্ন পথচাৰী লোকসকলৰ লগতে বিদ্যালয়খনৰ অভিভাৱক আৰু শিক্ষাৰ্থীসকলৰ উপৰি শিশুৰ পৰা বৃদ্ধালৈকে নিজৰ ঘৰত প্ৰস্তুত কৰা ৮০০ মাস্ক বিতৰণ কৰি সমাজৰ বাবে মানৱতাৰ এক উৎকৃষ্ট নিদৰ্শন দাঙি ধৰা পৰিলক্ষিত হয়। উল্লেখ্য যে ক'ভিডসৃষ্ট পৰিস্থিতিত অধিকাংশ শিক্ষক-শিক্ষয়িত্ৰীয়ে গৃহবন্দী হৈ সময় কটোৱাৰ সময়ছোৱাত শিক্ষক শান্তনু গৌতমে অধিক সময় মাস্ক প্ৰস্তুতৰ লগতে নিজৰ গাঁও অঞ্চলত কৰ'না সজাগতা কৰি আহিছে বুলি জানিব পৰা গৈছে। শিশুৰ পৰা বৃদ্ধালৈকে কালি মাস্ক বিতৰণ কৰি তেওঁ কয় যে — ক'ভিড-১৯ৰ সময়ছোৱাত চৰকাৰে ধৰি দিয়া নিয়মসমূহ পালন কৰি সকলোৱে যাতে মাস্ক পৰিধান কৰাৰ লগতে অন্য লোককো কৰ'না মহামাৰীৰ পৰা ৰক্ষা পাবলৈ ল'বলগীয়া সাৱধানতা সন্দৰ্ভত অঞ্চলবাসী ৰাইজক মাস্ক বিতৰণ কাৰ্যসূচীৰ দ্বাৰাই বিনম্ৰ অনুৰোধ কৰে । ইয়াৰ উপৰি শিক্ষকগৰাকীয়ে বৰ্তমান নিজ প্ৰচেষ্টাত প্ৰস্তুত কৰা মাস্ক ৰাইজৰ মাজত বিতৰণ কৰে। লগতে অনাগত দিনবোৰত যদি কৰ'না মহামাৰীৰ জটিল পৰিস্থিতি অব্যাহত থাকে তেন্তে পুনৰ ৰাইজৰ বাবে আন কিবা পদক্ষেপ গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। তেওঁৰ এনে প্ৰশংসনীয় পদক্ষেপৰ বাবে অঞ্চলবাসী ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

# পূৰবী ডায়েৰীৰ উদ্যোগত কলিয়াবৰত দুগ্ধ শীতলীকৰণ ভাণ্ডাৰ

## উপকৃত হ'ব স্থানীয় দুগ্ধ উৎপাদনকাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ৩ জুন ঃ** মঙলবাৰে বিশ্ব দুগ্ধ দিৱসৰ দিনাই পূৰবী ডায়েৰীৰ উদ্যোগত কলিয়াবৰত এক দুগ্ধ শীতলীকৰণ ভাণ্ডাৰ মুকলি কৰা হয়। কৰ'নাকালত ক্ষতিগ্ৰস্ত গো-পালকলৈ আহিল এক শুভবাৰ্তা। কলিয়াবৰ অঞ্চলৰ গো-পালকৰ উৎপাদিত গাখীৰ ক্ৰয় কৰিবলৈ আগবাঢ়ি আহিছে পূৰবী ডায়েৰী। গ্ৰামাঞ্চলৰ একাংশ যুৱক-যুৱতীয়ে গো-পালনেৰে স্বাৱলম্বনৰ পথ বাছি লৈছে। কিন্তু বৰ্তমান কৰ'নাৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে জাৰি কৰা ন-ন নিৰ্দেশনাসমূহে হেঙাৰৰূপে থিয় দিছিল যুৱ গো-পালকসকলৰ সন্মুখত। উৎপাদিত হোৱা গাখীৰ বিক্ৰী কৰিবলৈ উপযুক্ত বজাৰৰ অভাৱত কলিয়াবৰৰ একাংশ গো-পালকে বিক্ৰী কৰিব নোৱাৰি লিটাৰে-লিটাৰে গাখীৰ পেলাই দিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছিল। কিন্তু পূৰবী ডায়েৰীয়ে গাখীৰ শীতলীকৰণ প্ৰকল্প নিৰ্মাণ কৰি সমবায়ভিত্তিত গো-পালকসকলৰ পৰা নিতৌ গাখীৰ ক্ৰয় কৰিবলৈ আগবাঢ়ি আহিছে। আনকি গো-পালকসকলে পাব গাখীৰৰ উচিত মূল্যও। দুৰ্যোগৰ সময়ত পূৰবী ডায়েৰীয়ে গ্ৰহণ কৰা এনে পদক্ষেপক সকলোৱে ভূয়সী প্ৰশংসা কৰিছে। মঙলবাৰে ভাণ্ডাৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে কলিয়াবৰ মহকুমাৰ মহকুমাধিপতি পৱিত্ৰ কুমাৰ দাসে।

# পশুধন নিগমৰ অধ্যক্ষ মনোজ শইকীয়াৰ প্ৰচেষ্টাত ক'ভিডৰ সময়ত বহু যুৱক-যুৱতী হ'ল স্বাৱলম্বী

## পথাৰো আমাৰ, বজাৰো আমাৰ কাৰ্যসূচীৰ প্ৰতি ব্যাপক সঁহাৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩ জুন ঃ** ক'ভিড ১৯ৰ দ্বিতীয়টো ঢৌৰ সময়ত চৌদিশে বহু লোক সংস্থাপনহীন হোৱাৰ সময়তে অসম পশুধন নিগমৰ অধ্যক্ষ মনোজ শইকীয়াৰ পৰিকল্পনা আৰু প্ৰচেষ্টাত এক ইতিবাচক দিশৰ উন্মোচন হৈছে। ইতিমধ্যে ক'ভিডৰ দ্বিতীয় ঢৌ আৰম্ভ হোৱাৰ পিছতে মনোজ শইকীয়াৰ তৎপৰতাত নিগমে ৰাজ্য চৰকাৰৰ ক'ভিড বিধি অনুসৰি ঘৰে ঘৰে মাংস উপলব্ধ কৰাৰ লগতে মহানগৰীৰ বিভিন্ন স্থানত মাংসজাত আৰু দুগ্ধজাত সামগ্ৰীৰ বিপণী মুকলি কৰি প্ৰায় তিনি শতাধিক যুৱক-যুৱতীক আত্মনিৰ্ভৰশীল কৰিবলৈ সক্ষম হৈছে। এই কাৰ্যৰ লগত জড়িত হৈ আছে অভিনেতা-অভিনেত্ৰী, কণ্ঠশিল্পী, খেলুৱৈ, সাহিত্যসেৱী, অন্যান্য যুৱক-যুৱতী আৰু ছাত্ৰ-ছাত্ৰী। নিগমৰ খানাপাৰাস্থিত আধুনিক কছাইখানাৰ পৰা স্বাস্থ্যসন্মত ছাগলী, কুকুৰা আৰু হাঁহৰ মাংসৰ যোগান নিয়মিতভাৱে কৰি থকা হৈছে বুলি আজি এক সংবাদমেলত প্ৰকাশ কৰে অধ্যক্ষ মনোজ শইকীয়াই। শইকীয়াই লগতে কয় যে মুখ্যমন্ত্ৰী আৰু পশুপালন মন্ত্ৰীয়ে ৰাজ্যখনৰ জনসাধাৰণৰ স্বাস্থ্যৰ সজাগতাৰ প্ৰতি লক্ষ্য ৰাখি নিগমক বিশেষ ভূমিকা গ্ৰহণৰ বাবে জনোৱা আহ্বানৰ প্ৰতি লক্ষ্য ৰাখি ইতিমধ্যে নিগমে কিছু কাৰ্যসূচী প্ৰস্তুত কৰিছে। বিগত ৭ মে'ৰ পৰা ৩১ মে' লৈকে নিগমৰ তৰফৰ পৰা মুঠ আঠ হেজাৰ পাঁচশ কেজি ছাগলী মাংস, আঠ হেজাৰ সাতশ পঞ্চাশ কেজি কুকুৰাৰ মাংস আৰু চাৰিশ ত্ৰিশ কেজি হাঁহৰ মাংস বিক্ৰী হৈছে। মুঠ প্ৰায় ওঠৰ হেজাৰ কেজি মাংস বিক্ৰী হয়। ৭৮লাখ টকাৰ মাংসজাতীয় সামগ্ৰী নিগমে বিক্ৰী কৰিবলৈ সক্ষম হৈছে। এই কাৰ্যৰ লগত জড়িত প্ৰতিজনেই থলুৱা যুৱক-যুৱতী। কোনোবাই যদি ছাগলী-কুকুৰা নিগমলৈ আমদানি কৰিছে আৰু আন বহুসংখ্যকে মাংস বিক্ৰীৰ লগত জড়িত হৈছে বুলি অধ্যক্ষ মনোজ শইকীয়াই উল্লেখ কৰে। নিগমে যি লক্ষ্য লৈ পথাৰো আমাৰ, বজাৰো আমাৰ কাৰ্যসূচী যোৱা বৰ্ষত আৰম্ভ কৰিছিল ইয়াৰ সুদূৰপ্ৰসাৰী ইতিবাচক প্ৰভাৱ পৰিলক্ষিত হোৱাটো নিত্যান্তই আশাব্যঞ্জক বুলি অধ্যক্ষগৰাকীয়ে মন্তব্য কৰে। পশুপালন ক্ষেত্ৰখনে অধিক হাৰত সংস্থাপনৰ বাট মুকলি কৰাৰ লগতে ৰাজ্যৰ অৰ্থনীতিত বিশেষ ভূমিকা গ্ৰহণ কৰাৰ থল আছে বুলি মন্তব্য কৰি ইয়াৰ বাবে চৰকাৰে কেইবাটাও বাস্তৱসন্মত পদক্ষেপ হাতত লোৱা বুলি জনায়। নিগমে ইতিমধ্যে যোৱা সময়ছোৱাত ৰাজ্যত ওঠৰ হেজাৰ যুৱক-যুৱতীক বিভিন্ন স্থানত প্ৰশিক্ষণ দিছে আৰু প্ৰশিক্ষণপ্ৰাপ্ত চাৰি হেজাৰৰো অধিক যুৱক-যুৱতী পশুপালন বৃত্তিৰ জৰিয়তে সংস্থাপিত হ'বলৈ সক্ষম হৈছে। নিগমৰ বিভিন্ন জিলাত নিৰ্মাণ হৈ উঠা আধুনিক কছাইখানাসমূহ কাৰ্যক্ষম হ'লে বহু যুৱক-যুৱতী স্বাৱলম্বী হ'বলৈ সক্ষম হ'ব বুলিও অধ্যক্ষগৰাকীয়ে মতপোষণ কৰে। শেহতীয়াভাৱে সমগ্ৰ দেশতে পশুখাদ্যৰ নাটনি আৰু মূল্যবৃদ্ধিৰ ফলতেই কণীকে ধৰি এনে সামগ্ৰীৰ মূল্য পূৰ্বতকৈ বৃদ্ধি পোৱা বুলি জানিবলৈ দিয়ে।

# নলবাৰীৰ নতুন উপ আৰক্ষী অধীক্ষক জিকিৰাণী মহন্তৰ মুকালমুৱা পৰিদৰ্শন

## ড্ৰাগছৰ বিৰুদ্ধে অধিক কঠোৰ হ'ব আৰক্ষী ঃ ডিএছপি জিকিৰাণী মহন্ত



**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ৩ জুন ঃ** নলবাৰী জিলাৰ নতুন উপ আৰক্ষী অধীক্ষক (সদৰ) জিকিৰাণী মহন্তই কালি নলবাৰীত যোগদান কৰিয়েই আজি মুকালমুৱা অঞ্চল পৰিদৰ্শন কৰে । জিলাখনৰ নতুন উপ আৰক্ষী অধীক্ষক (ডিএছপি)গৰাকীয়ে আজি জিলাখনৰ দক্ষিণ প্ৰান্তৰ মুকালমুৱাত উপস্থিত হৈ বিভিন্ন দিশ পৰ্যবেক্ষণ কৰে। বিশেষকৈ মুকালমুৱাত প্ৰায়ে ড্ৰাগছ সৰবৰাহী গ্ৰেপ্তাৰ হোৱাৰ প্ৰসংগত ডিএছপি গৰাকীয়ে ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে আৰু অধিক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব বুলিও সাংবাদিক জানিবলৈ দিয়ে। তদুপৰি মাৰাত্মক ড্ৰাগছৰ বিৰুদ্ধে সমাজৰ সৰ্বস্তৰৰ লোকক মাৰ বান্ধি থিয় হৈ আৰক্ষীক সহযোগিতা আগবঢ়াবলৈও আহ্বান জনায় ডিএছপি গৰাকীয়ে । অন্যহাতে অঞ্চলটোত চুৰি-ডকাইতিৰ দৰে অপৰাধজনিত ঘটনাৰ সংক্ৰান্তত তৎপৰতাৰে কাম কৰি জিলাখনত অপৰাধ প্ৰৱণতা ৰোধ কৰাৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ হাতত ল'ব বুলিও সাংবাদিকৰে হোৱা বাৰ্তালাপত সদৰী কৰে। প্ৰতিটো দিশতে সংবাদ কৰ্মীসকলৰো সহযোগিতা বিচাৰিছে নৱনিযুক্ত উপ আৰক্ষী অধীক্ষকগৰাকীয়ে।

# কোচ ৰাজবংশী সমাজৰ পুৰোধা ব্যক্তি বিপিন বৰ্মনৰ বিয়োগত যুৱ-ছাত্ৰ সন্মিলনীৰ শোকপ্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৩ জুন ঃ** সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ উপদেষ্টা তথা কোচ ৰাজবংশী সমাজৰ পুৰোধা ব্যক্তি বিপিন বৰ্মন দেৱৰ বিয়োগত সদৌ অসম কোচ ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। আজি এক বিবৃতি যোগে সদৌ অসম কোচ ৰাজবংশী যুৱ - ছাত্ৰ সন্মিলনীৰ সভাপতি ত্ৰৈলোক্য ৰায় আৰু সাধাৰণ সম্পাদক ধৰ্মেন্দ্ৰ ৰায়ে জনায় যে বিপিন বৰ্মন দেৱৰ বিয়োগত কোচ ৰাজবংশী জনগোষ্ঠীয়ে এজন গৱেষক, লিখক, সমাজ সচেতক তথা সমাজৰ গুৰি ধৰোতাক হেৰুৱালে। সদৌ অসম কোচ ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীয়ে বৰ্মনদেৱৰ বিয়োগত আজিৰে পৰা সাতদিনীয়া শোক পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সাত দিনত সদৌ অসম কোচ ৰাজবংশী যুৱ- ছাত্ৰ সন্মিলনীৰ সকলো কাৰ্যালয়ৰ পতাকা অৰ্ধনমিত কৰি ৰখা হ'ব বুলি নেতাদ্বয়ে বিবৃতিযোগে জনায়। ইফালে



বিশিষ্ট লেখক, সমালোচক, নিবন্ধকাৰ, বৌদ্ধিক চিন্তাৰ বাহক, গীতিকাৰ তথা শিল্পী বিপিন বৰ্মনদেৱৰ দেহাৱসানত কামৰূপ জিলাৰ দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীয়েও গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে বুলি জানিব দিয়ে সংগঠনটোৰ সভাপতি বিষ্ণু ৰাম দাস আৰু সাধাৰণ সম্পাদক ধৰ্মেন্দ্ৰ দাসে।

# ধুবুৰী জিলা উপায়ুক্তৰ ছিণ্ডিকেটৰ বিৰুদ্ধে তদন্তৰ বাবে টাস্কফ'ৰ্চ গঠনৰ নিৰ্দেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৩ জুন ঃ** ধুবুৰীত ছিণ্ডিকেটকে ধৰি কোনো ধৰণৰ অবৈধ কাৰ্যকলাপ চলিবলৈ দিয়া নহ'ব বুলি হুংকাৰ দিছে উপায়ুক্ত অন্বামুথন এম পিয়ে। সংবাদমেল পাতি উপায়ুক্তগৰাকীয়ে কয় যে ছিণ্ডিকেটৰ সঠিক তদন্তৰ বাবে সকলো বিভাগক সাঙুৰি টাস্কফ'ৰ্চ গঠন কৰা হ'ব বুলিও ঘোষণা কৰে উপায়ুক্তগৰাকীয়ে। ধুবুৰীত ক'ভিড পৰিস্থিতি সম্পৰ্কে এক সংবাদমেত আয়োজন কৰে উপায়ুক্তগৰাকীয়ে। তেওঁ কয় যে আগন্তুক এক-ডেৰ মাহৰ ভিতৰত ধুবুৰীত আৰ টি পি চি আৰ পৰীক্ষাৰ লেবৰেটৰী কাৰ্যক্ষম হৈ উঠিব । জিলা ঔষধ পণ্যাগাৰৰ ওপৰ মহলাত লেবৰেটৰীটোৰ নিৰ্মাণকাৰ্য চলি আছে। আগন্তুক ছমাহৰ ভিতৰত ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে । জিলা উপায়ুক্তগৰাকীয়ে কয় যে ধুবুৰীত বৰ্তমান প্ৰতিষেধকৰ কোনো নাটনি নাই আৰু প্ৰতিষেধক প্ৰদানকাৰ্য সুচাৰুৰূপে চলি আছে । ধুবুৰীত থকা তিনিখন



চাহ বাগিচাৰ শ্ৰমিকক অনলাইন পঞ্জীয়ন নকৰাকৈ ভেকচিন দিয়াৰ ব্যৱস্থা কৰা বুলি উপায়ুক্তগৰাকীয়ে সদৰী কৰে। ধুবুৰী জিলাৰ অসামৰিক চিকিৎসালয়ৰ ড্ৰোণ আৰু চিকিৎসালয়ত থকা কোঠালিসমূহত লেতেৰা অৱস্থা হৈ থকাৰ বাবে অতি শীঘ্ৰেই পৰিষ্কাৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলি সংবাদমেলত উল্লেখ কৰিলে জিলাখনৰ নৱনিযুক্ত উপায়ুক্ত অনবামুথান এম পি এয়ে।

# মাত্ৰ এপাহ ফুল ছিঙাক কেন্দ্ৰ কৰি লাহৰীঘাটত মাৰপিট

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৩ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত পশ্চিম বৰখাঁবল গাঁৱত যোৱা ৩১ মে'ত দুটা ফৈদৰ মাজত এজোপা ফুল ছিঙাক লৈ হোৱা বিবাদৰ ফলত প্ৰচণ্ড মাৰপিটৰ ঘটনা সংঘটিত হয়। জানিব পৰা মতে, লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত বৰখাঁবল গাঁৱত বিগত কেইবামাহ ধৰি অব্যাহত থকা পৰিয়ালকেন্দ্ৰিক সংঘাতৰ ফলত অঞ্চলজুৰি বিৰাজ কৰিছে তীব্ৰ উত্তেজনা। জানিব পৰা মতে, ভুক্তভোগী ফাইজুল ইছলামৰ এটি কণমানিয়ে এজোপা ফুল ছিঙাৰ বাবে আব্দুল জুব্বাৰৰ দুৰ্বৃত্তৰ দলটোৱে ফাইজুলক ঘৰৰ পৰা মাতি চোতালত নি লাঠীৰে উপৰ্যুপৰি প্ৰহাৰ কৰিবলৈ ধৰে। চিঞৰ-বাখৰ শুনি ফাইজুলৰ আত্মীয় লোক ওলাই অহাত দুৰ্বৃত্তৰ দলটোৱে এফালৰ পৰা দাৰে ঘপিওৱাৰ উপৰি লোৰ চোকা অস্ত্ৰেৰে হানি-খুচি প্ৰাণেমৰাৰ অপচেষ্টা চলায়। উক্ত সংঘাতৰ ফলত ফাইজুলৰ পৰিয়ালৰ চাৰিজনকৈ লোক গুৰুতৰভাৱে আহত হয় আৰু ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও তাৰে দুগৰাকী অতি সংকটজনক অৱস্থাত গুৱাহাটীস্থিত দিছপুৰ পলিক্লিনিক এণ্ড নাৰ্ছিং হোমত মৃত্যুৰ সৈতে যুঁজি আছে। ইতিমধ্যে ফাইজুলৰ আত্মীয় ৰহিমা খাতুনে লাহৰীঘাট থানাত এটা গোচৰ ৰুজু কৰিছে ।

# দক্ষিণ শালমৰাত বিজেপি নেতা আছাদুল ইছলামৰ মহানুভৱতা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৩ জুন ঃ** সমগ্ৰ ৰাজ্যত কৰ'না মহামাৰীয়ে সংহাৰী ৰূপ ধাৰণ কৰাৰ পিছত চৰকাৰে যি SOP ৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে, তাৰ ফলত দৰিদ্ৰ নিচলা লোকসকল কোঙা হৈ পৰিছে। আৰ্থিক দুৰৱস্থাৰ ফলত এমুঠি অন্নৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। একাংশ দৰিদ্ৰ লোকৰ প্ৰতি লক্ষ্য ৰাখি দক্ষিণ শালমৰা সমষ্টিৰ পৰাজিত বিধানসভা নিৰ্বাচনৰ বিধায়ক পদৰ প্ৰাৰ্থী আছাদুল ইছলামে কেন্দ্ৰীয় চৰকাৰৰ সাত বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে ফকিৰগঞ্জ, মাটিফাটা, শালকাটা আদি অঞ্চলত ছেনিটাইজ, মাস্ক আৰু কিছু খাদ্যসামগ্ৰী বিতৰণ কৰে। ক'ভিড পৰিস্থিতিৰ ভয়াৱহতাৰ বাবে দুখীয়া ৰাইজক সামান্য সকাহ দিয়াৰ বাবে ছেনিটাইজাৰ, মাস্ক আৰু খাদ্য সামগ্ৰীসমূহ বিতৰণ কৰা পৰিলক্ষিত হয়। বিজেপি নেতাজনৰ এনে কাৰ্যক স্থানীয় সচেতন মহলে ভূয়সী প্ৰশংসা কৰে।

# কাকজানবাসীৰ প্ৰশংসনীয় পদক্ষেপ

## ৰাইজে চাফা কৰিলে কদৰ্যময় গ্ৰাম্য পানী যোগান প্ৰকল্প

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৩ জুন ঃ** কৰ'না মহামাৰীৰ বাবে অসম চৰকাৰে জাৰি কৰা অৰ্ধ লকডাউনৰ মাজত বিভীষিকা ৰোধিবলৈ ৰাজ্য চৰকাৰে নানা কৌশল অৱলম্বন কৰিছে। এনেবোৰ কৌশলৰ অংশৰূপে আংশিকভাৱে যি লকডাউনৰ ঘোষণা কৰিছে সেই বন্ধই একাংশ খাটিখোৱা লোকৰ মাজত হাহাকাৰ সৃষ্টি কৰাৰ বিপৰীতে টীয়কৰ কাকজান সোণাৰী গাঁৱৰ ৰাইজে এক ইতিবাচক পদক্ষেপ গ্ৰহণ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। প্ৰতিদিনেই চৰকৰী এছ অ' পি অনুসৰি দিনৰ ১১ বজাৰ পৰা ব্যৱসায়-বাণিজ্য, স্কুল- কাছাৰী সকলো বন্ধ কৰাৰ যি বাধ্যবাধকতা আছে সকলোবিলাক মানি বাকী সময় অপব্যয় নকৰি সোণাৰী গাঁওবাসীয়ে আজিৰ পৰা প্ৰায় ৩০ বছৰ পূৰ্বে প্ৰাক্তন মন্ত্ৰী সিংহযুৱক ললিত চন্দ্ৰ ৰাজখোৱাৰ দিনত গাঁওখনত স্থাপন হোৱা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনস্থ গ্ৰাম্য পানী যোগান আঁচনিৰ প্ৰকল্পটো গাঁৱৰ ৰাইজে হাতে কামে লাগি চাফ- চিকুণ কৰাত ব্যস্ত হৈ পৰিছে। অৱশ্যে বিভাগীয় কৰ্তৃপক্ষৰ সম্পূৰ্ণ সহযোগিতাত গাঁওবাসীয়ে চৰকাৰী সকলো ক'ভিড প্ৰট'কলৰ মাজেৰে নিজে ব্যৱহাৰ কৰা পানী টুপি বিশুদ্ধকৈ পাবৰ বাবে নিজ নিজ দ্বায়িত্ব বুলি অনুধাৱন কৰি প্ৰকল্পটো উপযুক্ত কৰাৰ লগতে চৰকাৰক সহায়ৰ হাত আগবঢ়োৱাৰ উদ্দেশ্যেৰে এই পদক্ষেপ গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে স্থানীয় ৰাইজে।

## ভূপেনদাৰ স্মৃতি বিজড়িত কুঠৰীৰ আপোন ঘৰত মন্ত্ৰী বিমল বৰা

# উৰণীয়া মৌৰ জিৰণি লোৱা স্থানত ৰাজ্য চৰকাৰৰ স্মৃতিৰক্ষাৰ প্ৰতিশ্ৰুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ৩ জুন ঃ** উৰণীয়া মৌ ভূপেন দাৰ স্মৃতি বিজড়িত কুঠৰীৰ আপোন ঘৰত মন্ত্ৰী বিমল বৰা। আজি বিয়লি অসমৰ সাংস্কৃতিক, যুৱ ও ক্ৰীড়া, শক্তি আদি বিভাগৰ মন্ত্ৰী বিমল বৰা কলিয়াবৰৰ কুঠৰীস্থিত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা যাদুঘৰ প্ৰস্তাৱিত স্থান আৰু শিল্পপ্ৰাণ চন্দ্ৰ ফুকনৰ বাসগৃহ পৰিসৰত পৰ্যটন বিভাগৰ দ্বাৰা নিৰ্মীয়মাণ পৰ্যটন কুটীৰ পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত বিশ্ব বৰেণ্য শিল্পী ভাৰত ৰত্ন সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ কুঠৰীস্থিত বাসগৃহটোৰ পৰিসৰত প্ৰস্তাৱিত সাংস্কৃতিক যাদুঘৰ নিৰ্মাণৰ কাম অনতিপলমে খৰতকীয়াকৈ নিৰ্মাণৰ পোষকতা কৰে। তাৰ কাৰণে যাৱতীয় পুঁজি যোগানৰ ক্ষেত্ৰত ৰাজ্যৰ সাংস্কৃতিক মন্ত্ৰীৰূপে কৰণীয় সকলোখিনি আন্তৰিকতাৰে কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। উল্লেখযোগ্য যে কলিয়াবৰৰ তদানীন্তন বিধায়ক তথা বৰ্তমানৰ মন্ত্ৰী কেশৱ মহন্তৰ প্ৰচেষ্টাত সুধাকণ্ঠৰ কুঠৰীস্থিত বাসগৃহটোক এক সাংস্কৃতিক প্ৰকল্পলৈ ৰূপান্তৰিত কৰাৰ আঁচনি হাতত লৈছিল। পৰৱৰ্তী কালত দুৰ্ভাগ্যজনকভাৱে বাসগৃহটোৰ চৌহদৰ ভূমি বিবাদে বিষয়টোত জটিলতাৰ সৃষ্টি কৰিছিল। বৰ্তমানৰ চৰকাৰখনৰ সাংস্কৃতিক মন্ত্ৰীৰ দায়িত্ব লৈয়েই বিমল বৰাই দেখুওৱা তৎপৰতাত ভূপেনপ্ৰেমীক আনন্দিত কৰিছে। তাৰ পাছতেই পৰ্যটনৰ দায়িত্বত থকা মন্ত্ৰীগৰাকীয়ে শিল্পপ্ৰাণ চন্দ্ৰ ফুকনৰ বাসগৃহ চৌহদত নিৰ্মাণ কৰা শিল্পপ্ৰাণ চন্দ্ৰ ফুকন পৰ্যটন নিবাস পৰিদৰ্শন কৰি সম্পূৰ্ণ নোহোৱাকৈ পৰি থকা যাৱতীয় কাম সোনকালে সম্পূৰ্ণ কৰিবলৈ বিভাগীয় বিষয়াবৰ্গক নিৰ্দেশ দিয়ে। পৰিদৰ্শন কালত মন্ত্ৰীগৰকীয়ে শিল্পপ্ৰাণৰ পত্নী প্ৰেমদা ফুকনকো সাক্ষাৎ কৰে। মন্ত্ৰীগৰাকীৰ লগত ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাও উপস্থিত থাকে।

# ৰাশিফলত আজিৰ দিনটো

**২০ জেঠ, শুকুৰবাৰ, ৪ জুন, ১৪২৮ ভাস্কৰাব্দ তিথি ঃ কৃষ্ণা অষ্টমী, নক্ষত্ৰ ঃ উত্তৰভাদ্ৰপদ, জন্ম ৰাশি ঃ মীন**

**সূৰ্যোদয়- ৪-৪১-৮, সূৰ্যাস্ত- ৬-০-৪২**



■ **মেষ** ঃ নতুন বস্ত্ৰ লাভ ■ **বৃষ** ঃ শুভ সংবাদ ■ **মিথুন** ঃ বন্ধুৰ আগমন ■ **কৰ্কট** ঃ কৰ্মৰ পৰিৱৰ্তন ■ **সিংহ** ঃ প্ৰেমত সফল ■ **কন্যা** ঃ দাম্পত্য কলহ ■ **তুলা** ঃ সম্পত্তি লাভ ■ **বৃশ্চিক** ঃ স্বাস্থ্য ভাল হ'ব ■ **ধনু** ঃ নতুন প্ৰেৰণা ■ **মকৰ** ঃ শত্ৰুৰ পৰা সাৱধান ■ **কুম্ভ** ঃ সাংবাদিকৰ শুভ ■ **মীন** ঃ ৰোগ বৃদ্ধি

# নগৰবেৰাত আৰক্ষী অধীক্ষকৰ তৎপৰতা, ক'ভিড প্ৰট'কল ভংগ কৰা একাংশৰ বিৰুদ্ধে কঠোৰ স্থিতি



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৩ জুন ঃ** বৃহত্তৰ নগৰবেৰা অঞ্চলৰ ক'ভিডকালীন আইন-শৃঙ্খলাৰ বুজ লোৱাৰ উদ্দেশ্যে বুধবাৰে সন্ধিয়া অঞ্চলটোত উপস্থিত হয় কামৰূপ জিলা আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়ৰ লগতে অধীক্ষক গৰাকীৰ স'তে জিলা সদৰৰ উপ আৰক্ষী অধীক্ষক কল্যাণ কুমাৰ পাঠক আৰু ভালেসংখ্যক আৰক্ষীৰ লোক উপস্থিত হৈ অধীক্ষকৰ তৎপৰতাত নগৰবেৰা অঞ্চলত সন্ধিয়া পৰলৈ মুখত মাস্ক নিপিন্ধাকৈ ঘূৰি ফুৰা, দোকান সম্পূৰ্ণকৈ বন্ধ নকৰা কিম্বা জুম বান্ধি থকাসকলক এশিকনি দিয়ে। ক'ভিড-১৯ৰ আগ্ৰাসী ৰূপ দেখিও বৃহত্তৰ নগৰবেৰা অঞ্চলত আজিও একাংশৰ মাজত সজাগতা নেদেখিহে জিলা আৰক্ষী অধীক্ষকগৰাকীয়ে আশ্চৰ্য প্ৰকাশ কৰে। আনহাতে আজি পুনৰ দিনৰ ভাগত আৰক্ষী অধীক্ষকৰ নিৰ্দেশমৰ্মে ছয়গাঁও আৰক্ষী চক্ৰৰ চক্ৰ বিষয়া সোণ কুমাৰ শৰ্মা উপস্থিত হৈ ভখুৱাদিয়া মহিশখুটি অঞ্চলৰ লগতে নগৰবেৰাত প্ৰায় চল্লিশটাকৈ নিজাববীয়া গোচৰ ৰুজু কৰে আৰু একাংশ আইন উলংঘাকাৰীক তৎকালীনভাৱে জৰিমনা বিহে। আৰক্ষী চক্ৰ বিষয়াগৰাকীৰ উপৰি নগৰবেৰা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিষ্ণু বসুমতাৰীকো আজি যথেষ্ট তৎপৰ হোৱা পৰিলক্ষিত হয়। স্মৰ্তব্য যে বৃহত্তৰ নগৰবেৰা অঞ্চলত ইতিমধ্যে মাৰণাস্ত্ৰৰে সু-সজ্জিত প্ৰায় চল্লিশজনীয়া ডকাইতৰ দল এটা প্ৰৱেশ কৰাৰ জনৰ অব্যাহত থকাৰ মাজতে আৰক্ষীৰ এনে তৎপৰতাই ৰাইজক কিছু আশ্বস্ত কৰিছে। আগলৈও নগৰবেৰা আৰক্ষীক অধিক সক্ৰিয়কৰণৰ দিহা কৰিবলৈ অঞ্চলবাসী ৰাইজে আবেদন জনাইছে আৰক্ষী অধীক্ষকগৰাকীলৈ। আৰক্ষীৰ এনে তৎপৰতা দেখি অঞ্চলটোৰ সচেতন ৰাইজে শলাগিছে।

# ছিপাঝাৰ সমষ্টিৰ ধলপুৰ শিৱধামৰ বেদখলকৃত ভূমিত উপস্থিত দৰঙৰ আৰক্ষী অধীক্ষক

## বেদখলমুক্ত কৰিবলৈ ২০১৮-'২১ চনত চলাইছিল প্ৰশাসনে উচ্ছেদ অভিযান, পুনৰ শিৱ ধামখনৰ ভূমি বেদখল অবৈধ নাগৰিকৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ৩ জুন ঃ** দৰং জিলাৰ নৱনিযুক্ত আৰক্ষী অধীক্ষক হিচাপে মাত্ৰ ৭দিন পূৰ্বে যোগদান কৰি অবৈধ বেদখলকাৰীক সকীয়নী দিলে আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাই। আৰক্ষী অধীক্ষকগৰাকীয়ে কয় কোনো কাৰণতে মন্দিৰৰ ভূমি বেদখল কৰা কাৰ্য সহ্য কৰা নহ'ব। যদিহে স্ব-ইচ্ছাই মন্দিৰৰ বেদখল কৰা মাটি বেদখল মুক্ত কৰি দিয়া নহয়, তেনেহ'লে ইয়াৰ পৰিণাম ভয়াৱহ হ'ব বুলি সকীয়নী প্ৰদান কৰে অধীক্ষকগৰাকীয়ে। দৰং জিলাৰ ছিপাঝাৰ সমষ্টিৰ ইতিহাসপ্ৰসিদ্ধ ধলপুৰ শিৱধামৰ বেদখল হৈ থকা ভূমি পৰিদৰ্শন কৰি এই হুংকাৰ প্ৰদান কৰে দৰঙৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাই। উল্লেখযোগ্য যে শিৱ ধামখনৰ ১৮০বিঘা মাটিৰ প্ৰায় ১২০বিঘা মাটি অবৈধ বেদলখলকাৰীৰ কবলত আছে এতিয়া। ঐতিহাসিক ধৰ্মপীঠখনৰ বেদখলীকৃত ভূমি বেদখল মুক্ত কৰিবলৈ ছিপাঝাৰৰ প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াৰ তৎপৰতাত দৰং জিলা প্ৰশাসনে ২০১৮ আৰু ২০২১ চনত উচ্ছেদ অভিযান চলাইছিল যদিও পুনৰ শিৱ ধামখনৰ মাটি বেদখল কৰে একাংশ সন্দেহযুক্ত নাগৰিকে। তিনিদিন পূৰ্বে সন্দেহজনক অবৈধ বেদখলকাৰীয়ে মন্দিৰৰ ভূমিৰ সীমাৰ পকীখুটা চুৰি কৰি লৈ যায়। যাৰ বাবে খৰ্গহস্ত হৈ পৰে আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা। ইতিমধ্যে মন্দিৰৰ নিৰাপত্তাৰ বাবে ধলপুৰত থকা আৰক্ষীৰ নিৰীক্ষণ চকীত ৭ জন অতিৰিক্ত আৰক্ষীৰ জোৱান নিয়োগ কৰে দৰং প্ৰশাসনে।

# বকোৰ সাপ্তাহিক বজাৰত ক'ভিড নীতি উলংঘা

## বজাৰ বন্ধ কৰিলে বকো আৰক্ষী বিষয়াই

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৩ জুন ঃ** সাম্প্ৰতিক কালৰ কৰ'না মহামাৰীৰ আতংকৰ পৰা নিজৰ লগতে আনকো সুৰক্ষিত কৰি ৰাখিবলৈ আহ্বান জনায় ৰাজ্য চৰকাৰে জাৰি কৰিছে ক'ভিড প্ৰট'কলৰ নীতি-নিৰ্দেশনা। এই নীতি-নিৰ্দেশনা অনুসাৰে ৰাজহুৱা স্থানত জনসমাগম সৃষ্টি কৰিব নোৱাৰিব। ভিৰ কৰিব নোৱাৰিব পথত অথবা বজাৰত। এনে নীতি-নিৰ্দেশনা চৰকাৰীভাৱে অথবা সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানে বাৰম্বাৰ ৰাইজক জনাই আহিছে তৎসত্ত্বেও একাংশ অসাধু জনতাৰ কাণসাৰ নাই। আজিও কামৰূপ জিলাৰ বকো আৰক্ষী থানাৰ কিছু নিলগত অৱস্থিত বৃহস্পতিবৰীয়া সাপ্তাহিক বজাৰত কিছু জনসমাগম হয়। উল্লেখ্য যে ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ নিচেই কাষতে মুকলিভাৱে অনুষ্ঠিত হয় বৃহস্পতিবৰীয়া সাপ্তাহিক বজাৰ। বৃহত্তৰ অঞ্চলটোৰ ব্যৱসায়িক প্ৰতিষ্ঠান আৰু গ্ৰাহক গোট খাই বজাৰখনত। ফলত নোহোৱা হৈছে ক'ভিডৰ নীতি-নিয়ম। এইক্ষেত্ৰত অগণন ৰাইজৰ ভিৰ হোৱা পৰিলক্ষিত হোৱাত আজি বকো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জীত কুমাৰ ৰায়ৰ তৎপৰতাত বজাৰখন লগে লগে বন্ধ কৰি দিয়া হয়। আনহাতে চৰকাৰ তথা প্ৰশাসনে বাৰে বাৰে ক'ভিডৰ নীতি-নিয়ম পালন কৰাৰ কথা কৈ আহিছে। যদিও এইসকল ব্যৱসায়ী তথা একাংশ ব্যক্তিয়েই ক'ভিড নীতি উলংঘা কৰা দেখা গৈছে। যাৰ ফলত কঠোৰ হ'বলৈ বাধ্য হৈছে বকোৰ আৰক্ষী বিষয়াগৰাকী।

নগাঁৱত মন্ত্ৰী পীযূষ হাজৰিকাৰ পৰ্যালোচনা সভা, বিভিন্ন বিভাগৰ বিষয়াৰে বৈঠক

# ক'ভিডৰ লগতে বানপানী আৰু গৰাখহনীয়াৰ ক্ষেত্ৰত তৎকালীন ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ মন্ত্ৰী হাজৰিকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩ জুন ঃ** নগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰাৰ পাছত আজি অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই নগাঁও জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাগৃহত জিলা উপায়ুক্ত কবিথা পদ্মনাভন, আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰকে প্ৰমুখ্য কৰি জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়াসকলৰ লগত এক পৰ্যালোচনা সভাত মিলিত হয়। সভাৰ প্ৰথমতে মন্ত্ৰীগৰাকীয়ে জিলাখনৰ ক'ভিড চিকিৎসালয় আৰু ক'ভিড চেণ্টাৰসমূহৰ আন্তঃগাঁথনিৰ বুজ লোৱাৰ লগতে জিলাখনত থকা ক'ভিড চিকিৎসালয় তথা ক'ভিড কেয়াৰ চেণ্টাৰসমূহত উপলব্ধ অন্যান্য সা-সুবিধাসমূহৰ বিষয়ে স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ পৰা বুজ লয়। আনহাতে হোম কোৱাৰেণ্টাইনত থকা ক'ভিড ৰোগীৰ পৰা যাতে আন লোকলৈ ক'ভিড ভাইৰাছৰ সংক্ৰমণ হ'ব নোৱাৰে তাৰ বাবে স্বাস্থ্য বিভাগে হোম কোৱাৰেণ্টাইনৰ ক্ষেত্ৰত জাৰি কৰা নিয়মাৱলী কঠোৰভাৱে পালনৰ নিৰ্দেশ দিয়ে। হোম কোৱাৰেণ্টাইনত থকা ৰোগীসকলৰ নিয়মীয়াকৈ স্বাস্থ্যৰ বুজ ল'বলৈ মন্ত্ৰীগৰাকীয়ে স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি কণ্টেইনমেণ্ট জ'নৰ ভিতৰত থকা দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ বাবে চৰকাৰে ঘোষণা কৰা দুহেজাৰ টকা মূল্যৰ খাদ্যসামগ্ৰীৰ টোপোলা বিতৰণ নিশ্চিত কৰাৰ লগতে উন্নত গুণগত মানৰ খাদ্যসামগ্ৰী বিতৰণৰ ওপৰত মন্ত্ৰীগৰাকীয়ে বিশেষভাৱে গুৰুত্ব আৰোপ কৰে। আনহাতে আগন্তুক বাৰিষাত বানপানীৰে মোকাবিলাৰ বাবে জিলা প্ৰশাসনক আগতীয়া সকলো যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু প্ৰশাসনক সকলো সময়তে সক্ষম হৈ থাকিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। আজিৰ পৰ্যালোচনা সভাত মন্ত্ৰীগৰাকীয়ে জলসম্পদ বিভাগৰ বিষয়াসকলক জিলাখনৰ গৰাখহনীয়াৰ বাবে ক্ষতিগ্ৰস্ত মথাউৰিসমূহ সুৰক্ষিত কৰি ৰখাৰ ক্ষেত্ৰত এই স্থানসমূহত তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। আনহাতে অসম চৰকাৰে বৰ্তমান গ্ৰহণ কৰা ড্ৰাগছবিৰোধী স্থিতিত নগাঁও আৰক্ষী বিভাগে লোৱা পদক্ষেপক মন্ত্ৰীগৰাকীয়ে শলাগ লোৱাৰ লগতে এই অভিযান আৰু অধিক তীব্ৰতৰ কৰি তুলিবলৈ আহ্বান জনায়। ড্ৰাগছ আসক্ত লোকৰ বাবে অনতিপলমে পুনঃনিৰ্বাসন কেন্দ্ৰ স্থাপন কৰিবলৈকো তেওঁ নিৰ্দেশ দিয়ে। ইপিনে মন্ত্ৰীগৰাকীয়ে চৰকাৰৰ আন কেইবাটাও বিভাগৰ কামৰ খতিয়ানৰ বুজ লোৱাৰ লগতে জিলাখনৰ খাদ্য, অসামৰিক যোগান বিভাগক সঠিক খতিয়ান লৈ যোগ্য হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদানৰ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে গ্ৰামাঞ্চলৰ উন্নতিৰ বাবে প্ৰশাসনক বিশেষ গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়। ইপিনে বৈঠকৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে চাপৰমুখ মাৰোৱাৰীপট্টিৰ কপিলী নদীৰ খহনীয়া অঞ্চল আৰু গঁড়মাৰী তিনিখুঁটিৰ কলং নদীৰ খহনীয়া অঞ্চল পৰিদৰ্শন কৰে। আজিৰ পৰ্যালোচনা সভাত নগাঁও সদৰ বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, বঢ়মপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জিতু গোস্বামী, চামগুৰি বিধানসভা সমষ্টিৰ বিধায়ক ৰকিবুল হুছেইন, ৰহা বিধানসভা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, ৰূপহীহাট বিধানসভা সমষ্টিৰ বিধায়ক নুৰুল হুদা, বটদ্ৰৱা বিধানসভা সমষ্টিৰ বিধায়িকা শিবামণি বৰা আৰু ধিং বিধানসভা সমষ্টিৰ বিধায়ক আমিনুল ইছলাম উপস্থিত থাকে। ইপিনে প্ৰথিতযশা সাহিত্যিক ডঃ লক্ষ্মীনন্দন বৰাৰ মৃত্যুত মন্ত্ৰী পীযূষ হাজৰিকাই গভীৰ শোকপ্ৰকাশ কৰাৰ লগতে আজিৰ পৰ্যালোচনা সভাৰ অন্তত উপস্থিত সকলোৱে বৰেণ্য সাহিত্যিকগৰাকীৰ আত্মাৰ সদ্গতি কামনাৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায়।



'দৈনন্দিন বাৰ্তা' কাকতৰ বাতৰিৰ প্ৰভাৱ

# ৰাঙ্গাপানীত পঞ্চায়তৰ দুৰ্নীতিৰ তথ্য ফাদিলৰ পাছতেই তদন্তত খৰখেদা বিষয়া-কৰ্মচাৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৩ জুন ঃ** বকো সমষ্টিৰ ছমৰীয়া উন্নয়ন খণ্ডৰ অধীনস্থ নগৰবেৰাৰ ৰাঙ্গাপানীত এখন ফুটব্ৰীজ নিৰ্মাণৰ কামত পঞ্চায়ত প্ৰতিনিধিৰ ব্যাপক দুৰ্নীতিৰ বিৰুদ্ধে আমাৰ দৈনন্দিন বাৰ্তা কাকতত এটা বাতৰি প্ৰকাশিত হৈছিল। সবিস্তাৰে বাতৰিটো প্ৰকাশ হোৱাৰ পাছতেই গা লৰিল বিভাগীয় বিষয়া-কৰ্মচাৰীৰ। দুৰ্নীতি আৰু অনিয়মৰ বাতৰি প্ৰকাশিত হোৱাৰ পাছতেই ছমৰীয়া উন্নয়ন খণ্ডৰ কনিষ্ঠ অভিযন্তা, সহঃ অভিযন্তা আদি কৰি কে'বাগৰাকীকৈ বিষয়াই নিজৰ স্বচ্ছতাক উদঙাবলৈ ৰাঙ্গাপানীৰ ফুটব্ৰীজথলীত বুধবাৰে উপস্থিত হৈ হাতত জোখ-মাপৰ ফিটা লৈ এফালৰ পৰা জোখ-মাপ কৰিলে ফুটব্ৰীজত ব্যৱহাৰ কৰা কাঠসমূহ। স্মৰ্তব্য যে একাংশ স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি ৪৬ নং ৰাঙ্গাপানী গাঁও পঞ্চায়তত চতুৰ্দশ বিত্তীয় বৰ্ষৰ ধনেৰে ৯,২৯,০৮৮ টকাৰ এখন কাঠৰ ফুটব্ৰীজ নিৰ্মাণ কৰা হৈছিল যদিও পঞ্চায়ত সভানেত্ৰী ৰংফুল নেছাৰ তত্ত্বাৱধানত পঞ্চায়তখনৰ ৯নং ৱাৰ্ডৰ সদস্যা জেচমিনা আহমেদৰ স্বামী মিজানুৰ ৰহমানে পালমৰাকৈ কোনোমতে তিনি লাখ টকা মান ব্যয় কৰি ফুটব্ৰীজ নিৰ্মাণ কৰি বাকী সমূদায় ধন উদৰস্থ কৰে। নিম্ন মানদণ্ডৰ ফুটব্ৰীজ নিৰ্মাণ কৰাৰ বাবে ৰাইজে পঞ্চায়ত প্ৰতিনিধিৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি সজোৰে তদন্তৰ দাবীও উত্থাপন কৰিছিল। অৱশেষত ৰাইজৰ দাবীৰ ওচৰত সেও মানি ছমৰীয়া উন্নয়ন খণ্ডৰ বিষয়া-কৰ্মচাৰীসকলে পঞ্চায়ত প্ৰতিনিধিসকলৰ লগত একেলগে ফুটব্ৰীজত সংঘটিত কৰা দুৰ্নীতি আৰু অনিয়মৰ চৰজমিন তদন্ত চলালে। তদন্তৰ পিছত ফাদিল হ'ল ৰাইজৰ অভিযোগৰ সত্যাসত্যতা। ছমৰীয়া উন্নয়ন খণ্ডৰ কনিষ্ঠ অভিযন্তাগৰাকীয়ে ফুটব্ৰীজ নিৰ্মাণ কাৰ্যত ব্যৱহাৰ হোৱা নিম্নমানৰ কাঠবোৰ সলনি কৰি এষ্টিমেট মতে আকৌ দলঙৰ কাম কৰাৰ আশ্বাস দিয়ে। চৰকাৰী আঁচনিৰ সিংহভাগ ধন গোগ্ৰাসে গিলি মদমত্ত হোৱা চতুৰ পঞ্চায়ত সভানেত্ৰী ৰংফুল নেচা আৰু পঞ্চায়তখনৰ ৯ ৱাৰ্ডৰ ৱাৰ্ড সদস্যা জেচমিনা আহমেদৰ স্বামী মিজানুৰ ৰহমানক নাকী লগাব পাৰিবনে বিভাগীয় বিষয়াসকলে? সেয়াহে সময়ৰ প্ৰশ্ন।

# বিশ্ব পাৰিপাৰ্শ্বিকতা দিৱস উপলক্ষে সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ উদ্যোগত বৃক্ষৰোপণ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ৩ জুন ঃ** সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ উদ্যোগত অহা ৫ জুন, ২০২১ তাৰিখে বিশ্ব পাৰিপাৰ্শ্বিকতা দিৱসৰ স'তে সংগতি ৰাখি ডিব্ৰুগড় বগীবিল দলঙৰ পৰা ধলা-শদিয়া সংলগ্ন ড° ভূপেন হাজৰিকা সেতুলৈকে সুদীৰ্ঘ ১২৬ কিল'মিটাৰ ইতিহাসপ্ৰসিদ্ধ সেন্দূৰী আলি পথছোৱাৰ দুয়োকাষে বৃক্ষৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাৰ সমান্তৰালকৈ সেউজ বনানীকৰণ অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত এই বৃক্ষৰোপণ কাৰ্যসূচীৰ ধাৰাবাহিকতা বাহাল থাকিব বুলি সংগঠনৰ কেন্দ্ৰীয় সমিতিৰ পৰিৱেশ আৰু পৰ্যটন বিভাগৰ সম্পাদক গিৰীশ পাত্ৰই ব্যক্ত কৰে। এই কাৰ্যসূচীৰ সফল ৰূপায়ণাৰ্থে ক'ভিড প্ৰট'কল ৰক্ষা কৰি সংশ্লিষ্ট জিলাৰ অন্তৰ্গত কেন্দ্ৰীয়,জিলা আৰু আঞ্চলিক পৰ্যায়ৰ দুজনকৈ বিষয়ববীয়া যথাস্থানত উপস্থিত থাকি পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ আহ্বান জনোৱা হ'ল।

**গিৰীশ পাত্ৰ,** পৰিৱেশ আৰু পৰ্যটন সম্পাদক
**গোলাপ লাহন,** তথ্য আৰু প্ৰচাৰ সম্পাদক
সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলন

**NOTICE**

Notice is hereby given to public at large the branch office of Tata Motors Finance Ltd. situated at 1ST FLOOR, VISHAL TOWERS, NEAR OLD BALIBHAT MASJID, MARWARI PATTI, JORHAT-785001, ASSAM is closing from 7th July 2021 and same branch will be operating from NEAR RRL GATE NO. 01, OPP. NOVA NISSAN, JORHAT-785006, ASSAM

গোলাঘাটত বিত্তমন্ত্ৰী অজন্তা নেওগৰ প্ৰথমখন সংবাদমেল

# ক'ভিড পৰিস্থিতিৰ মাজতে উন্নয়নৰ ধাৰা অব্যাহত ৰখাৰ প্ৰতিশ্ৰুতি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ৩ জুন ঃ** মন্ত্ৰিত্ব লাভ কৰাৰ পাছত আজি প্ৰথমবাৰলৈ গৃহ সমষ্টি গোলাঘাটত উপস্থিত হয় ৰাজ্যৰ প্ৰথমগৰাকী মহিলা বিত্তমন্ত্ৰী তথা সমাজকল্যাণ মন্ত্ৰী অজন্তা নেওগ। উপস্থিত হৈ মন্ত্ৰীগৰাকীয়ে আৰৰ্ত্ত ভৱনত বিভিন্ন বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে জিলাখনৰ উন্নয়নমূলক কাম-কাজৰ ওপৰত পৰ্যালোচনা কৰে। ইয়াৰ পিছতে মন্ত্ৰীগৰাকীয়ে সংবাদকৰ্মীসকলৰ লগত মত-বিনিময় কৰে। বিশেষকৈ বৰ্তমান সময়ত ক'ভিডসৃষ্ট পৰিস্থিতিক লৈ অধিক সৰ্তকতা অৱলম্বন কৰিবলৈ সকলোকে আহ্বান জনায়। ৭০ খনকৈ চাহ বাগিচা থকা গোলাঘাটত প্ৰথম অৱস্থাত চাহ বাগিচাসমূহত ক'ভিডৰ সংক্ৰমণ অধিক হৈছিল যদিও যোৱা সপ্তাহৰ পৰা ক'ভিড আক্ৰান্তৰ সংখ্যা হ্ৰাস পোৱা বুলি উল্লেখ কৰে। যিহেতু এই পৰিস্থিতিৰ সৈতে মোকামিলা কৰিবলৈ গোলাঘাটৰ সকলো চাহ বাগিচাৰ পৰিচালকৰ সৈতে মন্ত্ৰীগৰাকীয়ে এলানি আলোচনাত মিলিত হৈছিল। তদুপৰি ক'ভিড সংক্ৰমণ ৰোধ কৰিবলৈ বিশেষকৈ ক'ভিড পৰীক্ষাৰ ক্ষেত্ৰত কোনো লোকে যাতে ব্যক্তিগত বাহন লৈ পৰীক্ষা কেন্দ্ৰলৈ নাহে তাৰ বাবে সৰ্তক হ'বলৈ প্ৰশাসন আৰু স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে। যিহেতু কোনো এজন লোকে নিজৰ বাহনেৰে ক'ভিড পৰীক্ষা কেন্দ্ৰলৈ আহিলে বা ব্যক্তিজন পজিটিভ হ'লে অন্য কোনো লোক আক্ৰান্ত হোৱাৰ সম্ভাৱনা বৃদ্ধি পায়, গতিকে এইক্ষেত্ৰতে চৰকাৰী বাহন ব্যৱহাৰ কৰিবলৈ স্বাস্থ্য বিভাগক জাননী দিয়া বুলিও উল্লেখ কৰে। লগতে ক'ভিড কেন্দ্ৰসমূহত যাতে কোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয় সেইক্ষেত্ৰত চোকা দৃষ্টি ৰাখিবলৈ আহ্বান জনায়। ইফালে ক'ভিড কেন্দ্ৰসমূহত অস্থায়ীভাৱে নিযুক্তি দিয়া কৰ্মচাৰীৰ বেতন বা স্থায়ী নিযুক্তিৰ সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰ দি মন্ত্ৰীগৰাকীয়ে আগন্তুক সময়ত এই বিষয়ে ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী তথা গোলাঘাটৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তৰ লগত আলোচনা কৰা হ'ব বুলি দায়সৰা মন্তব্য আগবঢ়ায়। উল্লেখ্য যে ক'ভিডত মৃত্যু হোৱা লোকৰ সৎকাৰৰ বাবে চৰকাৰী এছ অ' পিয়ে ধাৰ্য কৰা ১০ হাজাৰকৈ টকা সময়ত নোপোৱা বুলি উঠা অভিযোগত মন্ত্ৰীগৰাকীয়ে এইক্ষেত্ৰত তৎকালে আগতীয়াকৈ ধনৰাশি মুকলি কৰি দিয়াৰ নিৰ্দেশ জাৰি কৰে। ইয়াৰ লগতে মন্ত্ৰীগৰাকীয়ে নিৰ্বাচনৰ সময়ত বি জে পি দলে যিখিনি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল সেই সকলো প্ৰতিশ্ৰুতি পূৰণৰ বাবে চৰকাৰৰ যি সদিচ্ছা আছে সেই সকলোখিনি কৰি যাবলৈ সকলোৰে সহায় -সহযোগিতা কামনা কৰে।

বজালীত উকা গোহালিত কৃষকৰ চকুপানী

# সান্ধ্য আইনৰ মাজতে নিশা দুৰ্বৃত্তই গোহালিৰ পৰা গাড়ীত উঠাই নিয়ে গৰু-ছাগলী

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাঠশালা ৩ জুন ঃ** এফালৰ পৰা গোহালি উদং কৰি পশুধন চুৰি কৰাৰ ঘটনাই একপ্ৰকাৰৰ এক আতংকময় পৰিৱেশৰ সৃষ্টি কৰিছে বজালীত। আনহাতে আৰক্ষী প্ৰশাসনৰ নিৰ্লিপ্ততাৰ বাবে এনেকুৱা তাণ্ডৱ লীলাৰ ঘটনাত খাতিখোৱা কৃষক ৰাইজে এতিয়া চকুৰ পানীৰে বাট নেদেখা অৱস্থাৰ সৃষ্টি হৈছে। কৰ'না মহামাৰীৰ বিৰুদ্ধে ৰাইজে যুঁজ অব্যাহত ৰখাৰ মাজতে বৃহত্তৰ বজালী অঞ্চলত নিশাৰ ভাগত বিগত কে'বাদিনো ধৰি বৃদ্ধি পাইছে গৰু চুৰিৰ ঘটনা। উল্লেখ্য যে ৰাজ্যত বিয়লিৰ পৰা চলি থকা সান্ধ্য আইনৰ গইনা লৈ গাঁৱে ভূঞেঁ ক্ৰমাৎ শক্তিশালী হৈ পৰিছে এনেকুৱা এক বৃহৎ অপৰাধী চক্ৰ। এই শক্তশালী অপৰাধী চক্ৰই এতিয়া বজালীৰ গ্ৰাম্য অঞ্চলত একপ্ৰকাৰ আতংময় পৰিৱেশৰ সৃষ্টি কৰিছে পোহনীয়া জীৱ-জন্তু চুৰিৰ ঘটনা সংঘটিত কৰি। প্ৰাপ্ত তথ্য মতে বজালীৰ ৰায়পুৰ, হৰিপুৰ, মইনামতী,পাটাছাৰকুছি, গোবিন্দপুৰ আদি অঞ্চলৰ পৰা ইতিমধ্যে বহু টকা মূল্যৰ বলধ, গাই, ছাগলী আদি নিশাৰ আন্ধাৰত গোহালিৰ পৰা লৈ গৈছে চোৰে। উল্লেখ্য যে নিশা পিকআপ ভান লৈ আহি চোৰে গাড়ীত লৈ যায় চুৰি কৰা গৰু-ছাগলী। ইয়াৰ উপৰি কেতিয়াবা দিনৰ ভাগতেই পথাৰত নাইবা পথৰ দাঁতিত চৰি থকা ছাগলীও চাৰিচকীয়া গাড়ীত নিমিষতে লৈ উধাও হোৱাৰ ঘটনাও পথচাৰীয়ে প্ৰত্যক্ষ কৰিছে। সোমবাৰেও নিশা ধাৰাসাৰ বৰষুণৰ মাজতো গোবিন্দপুৰ গাঁৱৰ কৃষক গণেশ দাস, ৰায়পুৰ গাঁৱৰ ভূপেশ শৰ্মা আদিকে ধৰি কেইবাজনো কৃষকৰ গোহালিৰ পৰা চুৰি হৈছে কে'বালাখ টকা মূল্যৰ গৰু। উল্লেখ্য যে সান্ধ্য আইনৰ মাজত নিশাৰ পৰলৈ আৰক্ষীৰ পহৰা থকাৰ পাছত ৰাজপথেৰে কেনেদৰে চলি আছে গৰুৰ সৰবৰাহ। ৰাইজে আৰক্ষীৰ ওপৰতো অভিযোগ আনিছে।

**CANOPY FINANCE LIMITED**
CIN: L65910AS1981PLC017921
website: www.canopyfinance.org / email: info@canopyfinance.org
M/s Prezens, Maniram Dewan Road, "Bamunimaidan,
Opp. Anuradha Cinema, Guwahati-781021

**EXTRACT OF AUDITED FINANCIAL RESULTS FOR THE QUARTER AND YEAR ENDED 31ST MARCH, 2021** (Amt in 000 except eps)

| PARTICULARS | Quarter ended 31-03-2021 | Year ended 31-03-2021 | Quarter ended 31-03-2020 | Year ended 31-03-2020 |
|---|---|---|---|---|
| | Audited | Audited | Audited | Audited |
| Total income from operations(net) | 7,381.18 | 49,367.29 | 3,408.75 | 54,380.16 |
| Net Profit/ (Loss) for the period (before Tax, Exceptional and Extra ordinary items) | (1,496.62) | 13,500.23 | (33,858.31) | (33,603.88) |
| Net Profit/ (Loss) for the period before Tax (after Exceptional and Extraordinary items) | (1,496.62) | 13,500.23 | (33,858.31) | (33,603.88) |
| Net Profit/ (Loss) for the period after Tax (after Exceptional and Extraordinary items) | (4,029.06) | 8,308.49 | (30,881.23) | (30,626.80) |
| Total Comprehensive Income for the period (Comprising Profit/ (loss) for the period after tax and other Comprehensive Income (after tax) | (4,029.06) | 8,308.49 | (30,881.23) | (30,626.80) |
| Equity Share Capital (Face value Rs 10) | 92,930.00 | 92,930.00 | 92,930.00 | 92,930.00 |
| Reserves (excluding Revaluation Reserve as shown in the balance sheet of previous year) | | (24,853.42) | | (35,155.24) |
| Earning Per Share in Rs (of Rs. 10/-each) (for continuing and discontinued operations) | | | | |
| Basic | (0.43) | 0.89 | (3.32) | (3.30) |
| Diluted | (0.43) | 0.89 | (3.32) | (3.30) |

NOTE:
The above is an extract of the detailed format of Quarterly Financial Results filed with the Stock Exchange under Regulation 33 of the SEBI( Listing and Other Disclosure Requirements) Regulations, 2015. The full format of the Quarterly Financial Results are available on the BSE and Company's Websites.

Place: Guwahati
Date: 03/06/2021

Canopy Finance Limited
Sd/-
Lalit Kumar Tapadia
Managing Director
DIN NO: 08117881




# গণনাট্য সংঘৰ ৰাজ্যিক উপ-সভাপতি, অধ্যাপক পুষ্পজ্যোতি মহন্তৰ মৃত্যু, শোকস্তব্ধ মৰিগাঁও

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ৩ জুন ঃ** মৰিগাঁও মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক তথা ভাৰতীয় গণনাট্য সংঘৰ অসম ৰাজ্যিক সমিতিৰ উপ-সভাপতি পুষ্পজ্যোতি মহন্ত(নেনী)ৰ যোৱা নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত অধ্যাপকগৰাকীৰ বয়স আছিল ৫৬বছৰ। কোনো ধৰণৰ অসুস্থতাত ভুগি নথকা মহন্ত কালি বিয়লি অকস্মাতে অসুস্থ হৈ পৰাত তেওঁক মৰিগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে তেওঁৰ অৱস্থা গুৰুতৰ হোৱাত গুৱাহাটীলৈ প্ৰেৰণ কৰে আৰু তাতেই নিশা২ বজাত মহন্তই শেষ নিশ্বাস ত্যাগ কৰে। মৰিগাঁও মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যথেষ্ট জনপ্ৰিয় পুষ্পজ্যোতি মহন্তৰ বিয়োগত মহাবিদ্যালয়খনত গভীৰ শোকৰ ছাঁ পৰে। বিভিন্ন দৰিদ্ৰ ছাত্ৰ- ছাত্ৰীক সহায়-সাৰথি কৰি ভাল পোৱা মহন্তৰ মৃত্যুত মহাবিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে গভীৰ শোক প্ৰকাশ কৰিছে। ইফালে আজি বিয়লি তেওঁৰ মৃতদেহ বাকৰিগাঁৱস্থিত বাসগৃহলৈ অনাৰ পিছতে শেষ শ্ৰদ্ধা নিবেদনৰ বাবে মৰিগাঁও মহাবিদ্যালয় আৰু তেওঁ প্ৰতিষ্ঠা কৰা ছেজ পাণিনী বিদ্যালয়লৈ নি অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰয়াত মহন্তই ভাৰতীয় গণনাট্য সংঘৰ অসম ৰাজ্যিক সমিতিৰ উপ-সভাপতিৰো দায়িত্ব পালন কৰি সুদীৰ্ঘকাল জুৰি গণনাট্য সংঘৰ সাংগঠনিক দায়িত্ব নিষ্ঠাৰে পালন কৰি আহিছিল। মৰিগাঁও চহৰত অনুষ্ঠিত গণনাট্য সংঘৰ ৰাজ্যিক সন্মিলনৰ সফলতাৰ আঁৰৰ ব্যক্তিসকলৰ ভিতৰতো পুষ্পজ্যোতি মহন্ত আছিল অন্যতম এগৰাকী ব্যক্তি। শেহতীয়াভাৱে যোৱা তিনি-চাৰি বছৰত মৰিগাঁও জিলাত গণনাট্য সংঘৰ সংগঠন পুনৰুজ্জীৱিতকৰণত তেওঁ উল্লেখনীয় ভূমিকা পালন কৰি সাংগঠনিক শক্তি বৃদ্ধি কৰিছিল। সুদক্ষ সংগঠক পুষ্পজ্যোতি মহন্তৰ বিয়োগে অসমৰ প্ৰগতিশীল সাংস্কৃতিক আন্দোলনক বহুতো ক্ষতি কৰিলে। তেওঁৰ মৃত্যুত গণনাট্য সংঘৰ ৰাজ্যিক সমিতিৰ সভাপতি দুৰ্লভ চন্দ্ৰ মহন্ত আৰু প্ৰধান সম্পাদক বিপুল তালুকদাৰে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছে। মহন্তৰ মৃত্যুত মৰিগাঁৱৰ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত মহন্তই পত্নীৰ লগতে এগৰাকী কন্যা আৰু এটি পুত্ৰ সন্তানক এৰি থৈ যায়। ইপিনে প্ৰয়াত মহন্তৰ মৃত্যুত মৰিগাঁও মহাবিদ্যালয়ৰ শিক্ষক গোটৰ লগতে জিলা ছাত্ৰ সন্থাইও গভীৰ শোক প্ৰকাশ কৰিছে।



केनरा बैंक Canara Bank
भारत सरकार का उपक्रम
A Government of India Undertaking
सिंडिकेट Syndicate

**বিক্ৰী জাননী (পুনৰ বিক্ৰী)**

**দিছপুৰ শাখা**
**ৰাধিকা ভৱন, গনেশগুৰি, দিছপুৰ, গুৱাহাটী-৭৮১০০৬**
**যোগাযোগ নং ০৩৬১-২২৬২১০০**

**বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ বলৱৎকৰণ আইন, ২০০২ৰ সৈতে আমানত সুদ (বলৱৎকৰণ) নিয়মাৱলী ২০০২ৰ নিয়ম ৮(৬)ৰ অধীনত স্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী**

ইয়াৰ জৰিয়তে জনসাধাৰণ আৰু বিশেষকৈ ঋণী(সকল) আৰু জামিনদাৰ(সকল) লৈ জাননী জাৰি কৰা হয় যে তলত দিয়া স্থাৱৰ সম্পত্তি চিকিউৰ্ড ক্ৰেডীটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত, যাৰ গঠনমূলক/কায়িক দখল কানাড়া বেংকৰ অনুমোদিত বিষয়াই লৈছে, সেইবোৰ "য'ত আছে তেনে" আৰু "যেনে আছে তেনে" ভিত্তিত তলত উল্লেখ কৰা ঋণী আৰু জামিনদাৰৰ পৰা কানাড়া বেংকৰ নিম্ন উল্লেখিত শাখাৰ দেয় আদায়ৰ বাবে **১৯/০৬/২০২১** তাৰিখে বিক্ৰী কৰা হ'ব।

আমানত ধন জমা (ই এম ডি) **১৮/০৬/২০২১**ৰ বিয়লি ৪.০০ বজাত বা তাৰ পূৰ্বে জমা দিব লাগিব।

নিলাম **'অনলাইন ই-নিলাম'**ৰ ৱেবছাইট **http://indianbankseauction.com**ৰ জৰিয়তে হ'ব।

**নিলামৰ তাৰিখ আৰু সময় ঃ ১৯/০৬/২০২১ৰ দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজাৰ ভিতৰত** (বিক্ৰী সম্পন্ন নোহোৱালৈকে প্ৰতি ৫ মনিট ব্যৱধানৰ সীমাহীন সম্প্ৰসাৰণৰ সৈতে)

শাখা, ঋণী/জামিনদাৰ, দায়বদ্ধতা, সম্পত্তিৰ বিৱৰণ আৰু ই.এম.ডি, সংৰক্ষিত মূল্য আদিৰ বিৱৰণ ঃ

| ক্ৰ নং | (ক) চিকিউৰ্ড ক্ৰেডীটৰ/শাখাৰ নাম আৰু ঠিকনা (খ) ঋণী/জামিনদাৰৰ নাম | স্থাৱৰ সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ | (ক) মুঠ দায়বদ্ধতা (টকা) : (খ) সংৰক্ষিত মূল্য (টকা) : (গ) ই এম ডি (টকা) : (ঘ) বৃদ্ধিৰ পৰিমান (টকা) : |
|---|---|---|---|
| ১ | **(ক) কানাড়া বেংক, দিছপুৰ শাখা, ৰাধিকা ভৱন, গনেশগুৰি, দিছপুৰ, গুৱাহাটী-৭৮১০০৬ যোগাযোগ নং ০৩৬১-২২৬২১০০** **(খ) ঋণী :** **মেচাৰ্চ শিৱ কমাৰ্চিয়েল লিঃ** **জামিনদাৰসকল :** ১) শ্ৰী সন্দীপ কুমাৰ ভগৎ ২) শ্ৰীমতী শালিনী ভগৎ ৩) শ্ৰী হন্সৰাজ পানৱৰ ৪) শ্ৰী কৃষ্ণ পাণ্ডে **কৰ্পোৰেট জামিনদাৰ :** ১) মেচাৰ্চ শ্ৰী চাই মেঘা এলোয়্চ লিমিটেড | শ্ৰী সন্দীপ ভগৎ আৰু শ্ৰীমতী শালিনী ভগৎ'ৰ নামত গাঁও ৰামচাহিল, মৌজা - উলুবাৰী, জিলা-কামৰূপ মে'ট্ৰ, অসমত অৱস্থিত দাগ নং ১ (পুৰণী) / ৯৫৯ (নতুন) এফ এছ গ্ৰেণ্ড পট্টা নং ১/৩০, ২৩ (পুৰণী) / ১৯৮ (নতুন) ৰে আগুৰা ২ বিঘা ১৯ লেচা পৰিমাপৰ মাটিৰ সৈতে নিৰ্মীয়মান আৰ.চি.চি. বিল্ডিঙৰ সকলো অংশ। ৰেকৰ্ড অনুসৰি, সম্পত্তিৰ চাৰিসীমা :- উত্তৰে - গড়কাপ্তানি পথ, দক্ষিণে - অন্য পক্ষৰ মাটি, পূৱে - প্ৰয়াত ভৃগু ফুকনৰ মাটি, পশ্চিমে - নদী আৰু পথ। | **(ক) মুঠ দায়বদ্ধতা :** ৪২.৯৬ কোটি + অতিৰিক্ত সুদ আৰু ব্যয় **(খ) সংৰক্ষিত মূল্য :** ৫.৯০ কোটি **(গ) ই এম ডি :** ৫৯.০০ লাখ **(ঘ) বৃদ্ধিৰ পৰিমান :** ১,০০,০০০/- |

বিক্ৰীৰ বিতং চৰ্তাৱলীৰ বাবে কানাড়া বেংকৰ ৱেবছাইট (www.canarabank.com)ত দিয়া "ই-নিলাম" লিংক চাওক বা দিছপুৰ শাখাৰ মুখ্য প্ৰৱন্ধক, যোগাযোগ নং **০৩৬১-২২৬২১০০** বা দিছপুৰ শাখাৰ জ্যেষ্ঠ প্ৰৱন্ধক, যোগাযোগ নং ৯৭২৯৭৪৫২৮০ৰ সৈতে যিকোনো কৰ্ম দিনত কাৰ্যালয়ৰ সময়ত যোগাযোগ কৰক।

**তাৰিখ ঃ ০৩/০৬/২০২১, স্থান ঃ গুৱাহাটী** **অনুমোদিত বিষয়া, কানাড়া বেংক**

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

৪ জুন ■ ২০২১ ■ ২০ জেঠ ■ গুৱাহাটী

# নাগৰিকত্ব সংশোধনী আইন 'কা' আৰু বিজেপি চৰকাৰ

কৰ'না ভাইৰাছে সমগ্ৰ দেশখনকে শোচনীয় অৱস্থালৈ ঠেলি দিয়াৰ কথা কাৰো অবিদিত নহয়। অথচ এনেকুৱা পৰিস্থিতিক আওকাণ কৰি কেন্দ্ৰৰ বিজেপি চৰকাৰখনে বিতৰ্কিত নাগৰিকত্ব সংশোধনী আইন 'কা' বলৱৎ কৰাৰ বাবে উঠিপৰি লাগিছে। ইতিমধ্যে আইনখন বলৱৎ কৰাৰ বাবে অধিসূচনাও জাৰি কৰিছে। অধিসূচনা অনুসৰি বাংলাদেশ, পাকিস্তান আৰু আফগানিস্তানৰ পৰা ধৰ্মীয় কাৰণত নিৰ্যাতিত হৈ ভাৰতত আহি আশ্ৰয় লোৱা হিন্দু, শিখ, খ্ৰীষ্টান, বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে ভাৰতৰ নাগৰিকত্ব লাভৰ কাৰণে দেশত থিতাপি লোৱা হৈছে আৰু বিশেষকৈ তেওঁলোকক স্থাপনৰ বাবেই তেওঁলোকে আৱেদন কৰিব লাগিব আৰু তাত সন্মুখীন হোৱা উৎপীড়নৰ কথা উল্লেখ কৰিব লাগিব। ৰাজ্যৰ জিলা প্ৰশাসন আৰু ৰাজ্যিক প্ৰশাসনে পৰীক্ষা কৰাৰ পাছত তেওঁলোকে এখন প্ৰতিৱেদন প্ৰস্তুত কৰিব লাগিব। যিখন কেন্দ্ৰীয় চৰকাৰৰ এটা পৰ্টেলত উপলব্ধ হ'ব। কেন্দ্ৰীয় চৰকাৰেও তাক পৰ্যালোচনা কৰিব। সকলো ঠিকে ঠাকে থকাৰ পিছত আৱেদনকাৰীসকলক ভাৰতৰ নাগৰিকত্ব প্ৰদান কৰা হ'ব। কিন্তু কথা হ'ল— এই অধিসূচনাৰ বাতৰি প্ৰকাশ হোৱাৰ লগে লগেই বিশেষকৈ অসম তথা উত্তৰ-পূৰ্বাঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অৱশ্যে চৰকাৰে 'কা' বলৱৎ কৰাৰ বিষয়টো গৃহ মন্ত্ৰণালয়ে সিদ্ধান্ত লোৱা নাই বুলিয়েই একাংশ বাতৰিত প্ৰকাশ পাইছে। ই মাথোঁ ২০০৯ আৰু ১৯৫৫ নাগৰিকত্ব আইনৰ প্ৰক্ৰিয়াৰে অংশ বুলি চৰকাৰী ভাষ্যত কোৱা হৈছে। ইয়ে দেশবাসীক বিভ্ৰান্ত নকৰাকৈ থকা নাই। যি কি নহওক বিজেপি চৰকাৰখনে দেশত যে অতি সোনকালেই 'কা' বলৱৎ কৰিব বিচাৰিছে তাত কোনো সন্দেহ নাই। ইতিমধ্যে কিছুমান দলীয় সাংসাদ আৰু নেতাই 'কা' ৰূপায়ণ কৰি ভোটৰ সময়ত ৰাইজক দিয়া প্ৰতিশ্ৰুতিৰ কথাকেই সদৰী কৰিছে। লগতে প্ৰতিশ্ৰুতি পালন কৰি ৰাইজক ইয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা বুলিয়েই প্ৰকাশ কৰিছে। এয়া কেৱল ৰাইজৰ স্বাৰ্থত গ্ৰহণ কৰা পদক্ষেপ বুলিয়েই পতিয়ন নিয়াব বিচৰাৰ কথাও দোহাৰিছে। আনহাতে, 'কা' বলৱৎ কৰাৰ অধিসূচনাৰ তৎমুহূৰ্ততে অসমৰ দল-সংগঠন আছু প্ৰমুখ্যে বিভিন্ন জাতীয় সংগঠনসমূহে প্ৰতিবাদৰ কাৰ্যসূচীত নামি পৰিছে। চৰকাৰক বাৰম্বাৰ প্ৰতিবাদ কৰি অহা সত্ত্বেও চৰকাৰৰ এনে হঠকাৰী সিদ্ধান্তত সকলো দল-সংগঠনে 'কা' বলৱৎ কৰিব কোনোপধ্যেই নিদিয়ে বুলি গৰজি উঠিছে। বৰং তাৰ পৰিৱৰ্তে ১৯৭১ চনৰ ২৪ মাৰ্চৰ পিছত অহা জাতি-ধৰ্ম নিৰ্বিশেষে সকলো বিদেশী নাগৰিকক চিনাক্ত কৰি বহিষ্কাৰৰ বাবেহে দাবী জনাইছে। অসম চুক্তিৰ আধাৰত অসমবাসীয়ে কৰি অহা আন্দোলন আৰু ৮৫৫গৰাকীৰ শ্বহীদ তেতিয়াহে বিদেশীমুক্ত ৰাজ্য এখনৰ সপোন সাৰ্থক হ'ব বুলি ভাবিবৰ থল আছে।

# নৱ-নিৰ্বাচিত সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ সৈতে এখন্তেক

## ধন-সম্পত্তিৰ প্ৰতি মোহ থকা ব্যক্তিয়ে সামাজিক কাম কেতিয়াও কৰিব নোৱাৰে



■ মৃদুল কুমাৰ চাহু

শিক্ষকতাৰ দৰে পৱিত্ৰ বৃত্তি কৰি ৰাজনীতিৰ ক্ষেত্ৰখনত ভৰি দিয়া সমাজকৰ্মী তথা প্ৰকৃতিপ্ৰেমীৰূপে পৰিচিত সোণাৰি সমষ্টিৰ নৱ-নিৰ্বাচিত বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ এক সুকীয়া পৰিচয় আছে সমষ্টিত। মানৱ দৰদী, বহল হৃদয়ৰ গৰাকীৰ কৰ্মৰাজিয়ে সহস্ৰজন ব্যক্তিৰ অন্তৰ জয় কৰিবলৈ সক্ষম হোৱা বিধায়কগৰাকীয়ে নিৰ্বাচনত জয়ী হোৱাৰ পিছত সংবাদ মাধ্যমৰ সন্মুখত প্ৰথমবাৰৰ বাবে নিজৰ অভিমত প্ৰকাশ কৰিলে। সহজ-সৰল শিক্ষকৰ গুণেৰে পৰিপূৰ্ণ বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ পিছত আপোনাৰ কেনে অনুভৱ হৈছিল? কৃত্ৰিম হাঁহি এটা মাৰি স্বভাৱসুলভ চৰিত্ৰৰে মিশ্ৰিত প্ৰতিক্ৰিয়া প্ৰকাশ ভংগীৰে কৈছিল— ভালেই লাগিছে। জনসাধাৰণে মোক জিকাই আনিলে। তেওঁলোকৰ অভাৱ-অভিযোগসমূহ সমাধানৰ ক্ষেত্ৰত সফল হ'লেহে মই সুখী হ'ম। বিধায়ক হিচাপে জয়ী হ'লেও মই পূৰ্বৰ দৰে সাধাৰণ জীৱন-যাপন কৰি সাধাৰণ মানুহৰ মাজত থাকিবলৈ ভাল পাম। মই জনতাৰ সেৱকৰূপে প্ৰতিষ্ঠা হোৱাৰ ক্ষেত্ৰত সুযোগ দিছে সেই বিষয়ক গুৰুত্ব দি সেৱা কৰাৰ সুবিধা পোৱাৰ বাবে যথেষ্ট ভাল লাগিছে। তেওঁক সুধিছিলো— ৰাজনীতিত যোগদান কৰাৰ পূৰ্বে আপুনি বহু সামাজিক কামত জড়িত হৈ যিটো আমেজ পাইছিল সেই আমেজ ৰাজনৈতিক ক্ষেত্ৰখনত পাব বুলি আশা কৰেনে? প্ৰশ্নৰ উত্তৰত বিধায়কগৰাকীয়ে নিঃসংকোচবোধ নকৰাকৈ উত্তৰ দিছিল— নিশ্চিতভাৱে নাপাওঁ? চৰকাৰী অংশীদাৰীৰ পৰিসীমাত থাকিহে কাম কৰিব লাগিব। নিজস্ব স্বাধীনতা নাথাকিব। অৱশ্যে বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকীৰ কাম কৰাৰ স্পৃহাই আমাৰ দৰে সমাজ সেৱকসকলক কাম কৰাৰ স্বাধীনতা দিব যেন অনুভৱ হয়। মুঠতে সমাজ আৰু জাতিৰ বাবে কাম কৰাৰ সংকল্প লৈহে ৰাজনীতিত ভৰি দিছো। সংকল্পসমূহ বাস্তৱ ৰূপ দিবলৈ যথাসাধ্য চেষ্টা কৰিম। সমাজ আৰু জাতিৰ প্ৰগতিৰ নিমিত্তে কাম কৰিবলৈ মনত পৱিত্ৰ ভাৱ এটা লাগিবই। ধন-সম্পত্তিৰ প্ৰতি মোহ থকা ব্যক্তিয়ে কেতিয়াও নিঃস্বাৰ্থভাৱে সমাজসেৱাত নিজক জড়িত কৰিব নোৱাৰে। আপুনি এগৰাকী বিধায়কৰূপে পৰিচিত হোৱাৰ পূৰ্বে আপোনাৰ পৰিচয় আছিল প্ৰকৃতি প্ৰেমীৰূপে। পূৰ্বৰ পৰিচয় আপুনি ধৰি ৰাখিব পাৰিবনে? নিশ্চয় পাৰিম। বিধায়ক হ'লো বুলি প্ৰকৃতিৰ পৰা মই দূৰত্বত অৱস্থান নকৰো নহয়। প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰাৰ ক্ষেত্ৰত মই পূৰ্বৰ পৰা গ্ৰহণ কৰি অহা কামসমূহ সক্ৰিয় ৰূপত কৰি যাম। প্ৰকৃতিক ভালপোৱাসকলে সময় আৰু পৰিস্থিতিলৈ অপেক্ষা নকৰে। মনত সদিচ্ছা থাকিলে প্ৰকৃতিক সেৱা কৰি যাবই। ময়ো এই যাত্ৰাৰ এগৰাকী সহকৰ্মী। নিজৰ মাতৃক শ্ৰদ্ধা আৰু শুশ্ৰূষা কৰিবলৈ যেনেকৈ কাৰোবাৰ অনুমতিৰ প্ৰয়োজন নহয়, ঠিক প্ৰকৃতিক ভালপাবলৈ, প্ৰকৃতিৰ সুৰক্ষাৰ বাবে কাম কৰিবলৈ কাৰো অনুমতিৰ প্ৰয়োজন আছে বুলি নাভাবো। চৰকাৰী প্ৰতিবন্ধকতাই ব্যাঘাত জন্মালেও সামাজিক সংগঠনৰ সহযোগত প্ৰকৃতিৰ সুৰক্ষাৰ স্বাৰ্থত গছপুলি ৰোপণ প্ৰক্ৰিয়া অব্যাহত থাকিবই। শিক্ষকতাৰ পৰা ৰাজনীতিলৈ অহাৰ পিছত লাভ কৰা অভিজ্ঞতাৰ সম্পৰ্কে ক'ব নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰত বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে এনেদৰে কয়— 'শিক্ষকৰ চাকৰি কৰি থকা সময়ত যিসকল মোৰ সৈতে আছিল, সেইসকলৰ অধিকসংখ্যকেই ৰাজনীতিত প্ৰৱেশ কৰাৰ পিছত নীৰৱে আঁতৰি গৈছিল। শিক্ষকৰ সমাজত পোৱা অভিজ্ঞতাই জীৱনটোক আগবঢ়াই নিয়াৰ সঞ্জীৱনী শক্তি উপলব্ধি কৰিছিলো। কিন্তু ৰাজনীতিত প্ৰত্যক্ষ কৰিছো খোজে প্ৰতি স্বাৰ্থন্ধতাৰ আস্ফালন। ক্ষমতা, মোহৰে পৰিপূৰ্ণ একাংশ পদলেহনকাৰীৰ বেষ্টনীৰ মাজত জীৱনটোক আগবঢ়াই নিবলৈ নিজক প্ৰস্তুত কৰি তুলিব লাগিব। নিৰ্বাচনৰ পৰা পোৱা অভিজ্ঞতাই মোক কম দিনৰ ভিতৰতে বুজাই দিলে ৰাজনীতি কি? মই দাবী দি ক'ব পাৰো, শিক্ষকতাৰ সমাজ আৰু ৰাজনৈতিক ক্ষেত্ৰখনৰ সমাজৰ মাজত আকাশ-পাতাল পাৰ্থক্য আছে। তৎসত্ত্বেও ক'ব খোজো, ৰাজনীতিৰ সমাজখনে জীৱনত বহু কথাই শিকাই দিব। সাম্প্ৰতিক ৰাজনীতিত 'মূল্যবোধৰ অভাৱ ঘটিছে' কথা ফাঁকি মানি ল'বনে? কথা ফাঁকিক অগ্ৰাহ্য কৰিব পৰাৰ থল নাথাকিলেও বৰ্তমানৰ ৰাজনীতিত একেবাৰে মূল্যবোধৰ অভাৱ ঘটা নাই। বৰ্তমানৰ আমাৰ চৰকাৰখনে ৰাজ্যৰ ৰাজনীতিত মূল্যবোধক প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে। অৱশ্যে ৰাজনীতিত মূল্যবোধক অভাৱ ঘটাইছে কোনে? এই বিষয়ৰ ওপৰত নিৰ্মোহ বিশ্লেষণ কৰিলেই এখন ছবি বহিঃপ্ৰকাশ ঘটিব। গণতান্ত্ৰিক দেশত চলি থকা সমাজ ব্যৱস্থাত যেনেকৈ একাংশ লোকে মানৱতাৰ অভাৱ ঘটাবলৈ ওলাই আহিছে, তেনেদৰে ৰাজনীতিৰ ক্ষেত্ৰখনত মূল্যবোধৰ অভাৱ ঘটাবলৈ অহৰহ চেষ্টা কৰি আহিছে। সমাজ-জাতি আৰু দেশৰ বাবে বিপজ্জনক এই শ্ৰেণী ব্যক্তিক চিনি পাইছে। তেওঁলোকৰ কাৰ্যক সমৰ্থন কৰা লোকৰ প্ৰেৰণাত উৎসাহিত হৈ মানৱতা আৰু মূল্যবোধক সমাজ ব্যৱস্থাৰ পৰা নিঃশেষ কৰিবলৈ কৰা চেষ্টা প্ৰতিৰোধ কৰিব পাৰিলেই ৰাজনীতিত মূল্যবোধ প্ৰতিষ্ঠা হ'ব। তেনে পৰিৱেশ কেতিয়া সৃষ্টি হ'ব কোনেও নাজানে? সোণাৰি সমষ্টি উন্নয়নৰ ক্ষেত্ৰত আপোনাৰ হাতত কি কি পৰিকল্পনা আছে বুলি সোধা এক প্ৰশ্নৰ উত্তৰত বিধায়কগৰাকীয়ে কয়— পূৰ্বৰ জনপ্ৰতিনিধিসকলে আধৰুৱাভাৱে এৰি যোৱা সকলোবোৰ কাম সম্পূৰ্ণৰূপে সমাপন কৰিবলৈ এখন সু-পৰিকল্পিত আঁচনি যুগুত কৰি আগবাঢ়িম। অসম্পূৰ্ণ হৈ থকা বৰহাটৰ সমীপৰ আই টি আই, সোণাৰিত নিৰ্মীয়মাণ জিএনএমৰ নাৰ্চিং বিদ্যালয়ৰ উপৰি পঞ্চায়তসমূহত আধৰুৱা হৈ থকা চৰকাৰী আঁচনিসমূহ মোৰ কাৰ্যকালত সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰিম। এইক্ষেত্ৰত দলীয় কৰ্মী, চৰকাৰী প্ৰশাসন আৰু পঞ্চায়ত প্ৰতিনিধিসকলৰ পূৰ্ণ সহযোগিতা লাগিব। ১২৬টা সমষ্টিৰ ভিতৰত সোণাৰি সমষ্টিক সৰ্বাংগ সুন্দৰ ৰূপত গঢ়ি তোলাৰ সংকল্প মোৰ মনত পুজ্জিত হৈ আছে। ৰাজনৈতিক বাধা-বিঘিনি নাপালে সোণাৰিক নতুন ৰূপত তুলি ধৰিবলৈ চেষ্টা কৰিম। সীমা সমস্যা, বান-খহনীয়া সমস্যাৰ ক্ষেত্ৰত মাত্ৰাধিক অগ্ৰাধিকাৰ দি দীৰ্ঘদিনৰ পৰা চলি থকা জ্বলন্ত সমস্যা সমাধানৰ সূত্ৰ বিচাৰি চুবুৰীয়া ৰাজ্যৰ লগত এক সম্প্ৰীতিৰ বাৰ্তা লৈ মীমাংসা কৰিবলৈ পৰিকল্পনা প্ৰস্তুত কৰিছোঁ। সময়ত সকলো প্ৰকাশ কৰিম। নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত আপুনি কেনে ধৰণৰ পদ্ধতিৰে আগবাঢ়িব বুলি সোধাত স্বভাৱসুলভ হাঁহিৰে দিয়া উত্তৰত ক'লে— নিবনুৱা সমস্যা কেৱল সোণাৰি সমষ্টিৰেই নাই। ১২৬টা সমষ্টিত নিবনুৱা সমস্যাই তীব্ৰ ৰূপ লৈছে। নৱ-গঠিত ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰখনে ইতিমধ্যে এক লাখ নিবনুৱাক সংস্থাপন দিয়াৰ কথা ঘোষণা কৰিছে। আমাৰ চৰকাৰখনে আন আন জ্বলন্ত সমস্যাৰ ক্ষেত্ৰত যিমান গুৰুত্ব দিছে, সমানে গুৰত্ব দিছে নিবনুৱা সমস্যাৰ ওপৰত। চৰকাৰে নিবনুৱা সমস্যা সমাধানৰ নিমিত্তে প্ৰস্তুত কৰা গাইড লাইনৰ পদ্ধতিৰে সমষ্টিৰ নিবনুৱা সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰিম। এনে বিষয়বোৰ অভিভাৱক মন্ত্ৰী, সাংসদৰ লগত আলোচনাৰ মাধ্যমেৰে সমাধানৰ পথ উলিয়াবলৈ পৰিৱেশ সৃষ্টি কৰাৰ বাবে চেষ্টা চলাম। দুৰ্নীতিৰ দৰে স্পৰ্শকাতৰ বিষয়ক সম্পৰ্কে সোধাত নৱ-নিৰ্বাচিত বিধায়কগৰাকীয়ে কয়— কেন্সাৰ নিৰ্মূলৰ বাবে চিকিৎসা বিজ্ঞানে ন ন পদ্ধতিৰে প্ৰচেষ্টা অব্যাহত ৰখাৰ পিছতো জানো কেন্সাৰ ৰোগ নিৰ্মূল হৈছে। ঠিক তেনেদৰে অতীজৰ পৰা মানৰ সমাজত চলি অহা দুৰ্নীতিৰ নিৰ্মূল কৰাটো তেনেই সহজ নহয়। সমাজত বাৰুকৈয়ে খোপনি পোতা দুৰ্নীতি নিৰ্মূল ৰাজনৈতিক নেতা বা নিৰ্বাচিত জনপ্ৰতিনিধিয়ে কৰিম বুলি ক'লেই কৰিব নোৱাৰে। ইয়াৰ বাবে লাগিব সু-পৰিকল্পিতভাৱে সমাজ ব্যৱস্থা। বুদ্ধিজীৱী, শিক্ষাবিদ, সমাজকৰ্মী, ছাত্ৰ সমাজ ঐক্যবদ্ধ হৈ দুৰ্নীতিৰ বিৰুদ্ধে জনমত গঠন কৰি দুৰ্নীতিমুক্ত এক গণ বিদ্ৰোহৰে আগবাঢ়িব লাগিব। দুৰ্নীতিমুক্ত এক পৱিত্ৰ মন আৰু নিঃস্বাৰ্থ চিন্তাধাৰাই সমাজখনৰ পৰা দুৰ্নীতিমুক্ত পৰিৱেশ গঢ়ি তুলিলেও এই ব্যাধিক এটা দিনত নিৰ্মূল কৰাটো কেতিয়াও সম্ভৱ নহয়। চাহ বাগিচা আৰু সংখ্যালঘু বসতি অঞ্চলৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত কেনেদৰে আগবাঢ়িব বুলি সোধা প্ৰশ্নৰ উত্তৰত বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে কয়— চাহ বাগিচা আৰু প্ৰাক্তন চাহ শ্ৰমিকসকলক সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত আমাৰ চৰকাৰে বহুকেইটা অভিলাষী আঁচনি গ্ৰহণ কৰিছে। শিক্ষা, স্বাস্থ্যৰ ক্ষেত্ৰত গ্ৰহণ কৰা আঁচনিসমূহ মোৰ সমষ্টিত নিখুঁতভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰিম। আঁচনিত প্ৰকৃত হিতাধিকাৰীয়ে যাতে অন্তৰ্ভুক্তি হয় সেই দিশটোক গুৰুত্ব দিম। কাৰণ পূৰ্বতে চাহ জনগোষ্ঠীৰ সামগ্ৰিক উন্নয়নৰ নিমিত্তে ঘোষিত আঁচনি ৰূপায়ণত বিয়াগোম অনিয়ম সংঘটিত হোৱা বুলি অভিযোগ উঠিছিল। তেনে অভিযোগ পুনৰ উত্থাপন যাতে নহয় সেই সন্দৰ্ভত গুৰুত্ব প্ৰদান কৰি বিশেষ কমিটী গঠন কৰি আঁচনি ৰূপায়ণ কৰা হ'ব। ইতিমধ্যে আমাৰ চৰকাৰে ৰাজ্যৰ ৫৪খন বাগিচাত আদৰ্শ বিদ্যালয় স্থাপন কৰিছে। ইয়াৰ ভিতৰত সোণাৰি সমষ্টিত বিদ্যালয় স্থাপন হৈছে। উক্ত বিদ্যালয়সমূহত স্থানীয় শিক্ষিত উপযুক্ত যুৱক-যুৱতীক নিযুক্তি দিয়াৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিম। মজুৰি বৃদ্ধিৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰিছে গুৰুত্বপূৰ্ণ সিদ্ধান্ত। পৰাপক্ষত চাহ শ্ৰমিকক জ্বলন্ত সমস্যাৰ সমাধানৰ ক্ষেত্ৰত যিমান পাৰো সমাধানৰ বাবে চেষ্টা কৰিম। অৱশ্যে মই কৰিম বুলি সমস্যাসমূহ সমাধান কৰিব নোৱাৰো নহয়। চৰকাৰৰ সদিচ্ছা লাগিবই। সংখ্যালঘুৰ ক্ষেত্ৰতো একেই পদক্ষেপ গ্ৰহণ কৰিম। সংখ্যালঘুসকলতো আমাৰ মাজৰেই। ৰাজনৈতিক ক্ষেত্ৰত আপোনাৰ আদৰ্শ ব্যক্তি কোন বুলি সোধা প্ৰশ্নৰ উত্তৰত দ্বিধাহীনভাৱে একেষাৰতে বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে ক'লে— মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। তেওঁৰ কৰ্মদক্ষতা, বিচক্ষণতাই অনুপ্ৰাণিত কৰি আহিছে। মুখ্যমন্ত্ৰীক আদৰ্শ ব্যক্তিৰূপে গণ্য কৰি ৰাজনৈতিক ক্ষেত্ৰখনত কাম কৰিবলৈ ওলাই আহিছো। অৱশ্যে এই ক্ষেত্ৰখনলৈ উলিয়াই আনিলে সাংসদ তপন কুমাৰ গগৈয়ে। আপোনাৰ ভৱিষ্যৎ পৰিকল্পনা কি বুলি অন্তিম প্ৰশ্নটোৰ উত্তৰত কয়— সমষ্টি উন্নয়নেই হৈছে মোৰ লক্ষ্য। লক্ষ্যত উপনীত হ'বলৈ যুগুত কৰা পৰিকল্পনাৰ মাধ্যমেৰে সৰ্বসাধাৰণৰ মনৰ আৱেগ-অনুভূতি উপলব্ধি কৰি তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ বাবে কাম কৰিম। ৰাজনৈতিক ক্ষেত্ৰত ভৰি থৈ সৰ্বসাধাৰণ জনতাৰ স্পন্দন উপলব্ধি কৰি ৰাজনীতিৰ পথাৰত অৱস্থান কৰি সমষ্টিৰ সৰ্বাংগীন উন্নয়ন কৰাটোৱেই হৈছে মোৰ ভৱিষ্যৎ পৰিকল্পনা। মানুহ হৈ মানুহৰ বাবে কিবা এটা কৰাৰ উদ্দেশ্যৰে ৰাজনীতিলৈ আহিছো।

ফোন ঃ ৬০০২৭-৩৫৫০১

# ড° লক্ষ্মীনন্দন বৰাক সুঁৱৰি- 'ঘৰ'ৰ পৰা 'বাসন্তী বাসনা'লৈকে এবুকু স্মৃতি আৰু...

■ নীলিম আকাশ কাশ্যপ



এমাহ নৌহওঁতেই পুনৰ এগৰাকী বৰেণ্য অসমীয়া কথাশিল্পীক হেৰুৱালোঁ আমি। ১২ মে'ত 'জীৱন্ত কিংবদন্তি' হোমেন বৰগোহাঞি পৰলোকগামী হোৱাৰ পিছত আজি ৩ জুনৰ দিনা স্বনামধন্য কথাশিল্পী ড° লক্ষ্মীনন্দন বৰাৰো ইহলীলা সম্বৰণ- কেৱল অসমীয়া সাহিত্যই নহয়, জনজীৱন প্ৰেক্ষাপটৰে অপূৰণীয় ক্ষতি। কিন্তু মৃত্যুৰ দৰে চিৰন্তন সত্যক মানি লোৱাৰ বাদে জানো অন্য কিবা উপায় আমাৰ হাতত আছে।

ড° লক্ষ্মীনন্দন বৰা ছাৰৰ সাহিত্যকৃতী সম্পৰ্কে বেলেগে কোৱাৰ প্ৰয়োজন নাই। অনস্বীকাৰ্য-অসমীয়া সাহিত্যলৈ ড° বৰাদেৱৰ যি অনবদ্য আৰু অতুলনীয় অবদান, সেয়া অনাদি কাললৈ স্মৰণীয় হৈ ৰ'ব। সাধাৰণতে চিনাকি কাৰোবাৰ মৃত্যুৰ পৰৰ লেখিয়াকৈয়ে শোকবিহ্বল এই মুহূৰ্তত ড° বৰাছাৰৰে জড়িত কিছু বিশেষ স্মৃতি মনলৈ আহিছে। ছাৰৰ দ্বাৰা সম্পাদিত 'গৰীয়সী'ত কেইবাটাও লেখা লিখিছোঁ। কিন্তু এই সম্পৰ্কত দুটা বিশেষ কথা কাহানিও পাহৰিব নোৱাৰিম। ড° লক্ষ্মীনন্দন বৰাৰ দৰে পূৰোধাৰ গল্পৰ আছে এক সুকীয়া মান, আছে এক সুকীয়া স্বাদ। ছাৰৰ দ্বাৰা সম্পাদিত 'গৰীয়সী'ত গল্প এটা লিখিছিলোঁ। 'ঘৰ' শীৰ্ষক গল্পটো আলোচনীখনৰ কাৰ্যালয়লৈ গৈ ছাৰৰ হাতত দি আহিছিল 'নিউজ লাইভ'ৰ তদানীন্তন সংবাদকৰ্মী ৰুবুল দাসে। ৰুবুলে গল্পটো দিয়াৰ কথা জনোৱাৰ আধা ঘণ্টামান পাছতে ড° বৰা ছাৰে ফোন কৰিছিল। ছাৰে কৈছিল, 'তোমাৰ গল্পটো ভাল পাইছোঁ। ওলাব। তুমি গল্প লিখা কৰাহে। পাৰিবা তুমি।' ক্ষমা কৰিব ছাৰ, আপোনাক কথা দিছিলো- কিন্তু গল্প লিখাত ঐকান্তিকতাৰে মনোনিৱেশ কৰা অদ্যাপি হোৱা নাই। পিছে ছাৰে জগোৱা সেই সাহ, দিয়া সেই প্ৰেৰণাক কাহানিও পাহৰিব নোৱাৰিম। একেদৰে কদাপি পাহৰিব নোৱাৰিম মোৰ দৰে ন-শিকাৰুৱে লিখা উপন্যাস 'সোণৰ খাৰু-কলিজাৰ ছাঁ' সম্পৰ্কত ছাৰে 'গৰীয়সী'ৰ পাতত লিখা অমূল্য বাক্যটোও। বৰা ছাৰে লিখিছিল— নীলিম আকাশ কাশ্যপৰ 'সোণৰ খাৰু-কলিজাৰ ছাঁ' (বনলতা, পৃষ্ঠা ৩৮০, দাম ৩০০ টকা) নীলপৱন বৰুৱা আৰু দীপালী বৰঠাকুৰৰ গভীৰ প্ৰেমবিজড়িত অসাধাৰণ জীৱনৰ এখন সুখপাঠ্য উপন্যাস।'

'বাসন্তী বাসনা।' ড° লক্ষ্মীনন্দন বৰা ছাৰৰ এখন গল্প সংকলনৰ নাম এয়া। প্ৰকাশক 'বনলতা'। ভাবি ভাল লাগে যে আমাৰ অনুৰোধত ছাৰে প্ৰস্তুত কৰিছিল এই গল্প সংকলনখন। 'বনলতা'ৰ প্ৰকাশক প্ৰদ্যুৎ হাজৰিকাৰ বাৰম্বাৰ অনুৰোধক নেওচা দিব নোৱাৰি মই ছাৰলৈ কঢ়িয়াই নিছিলোঁ একেটা অনুৰোধ। ছাৰে সন্মতি দিছিল। তাৰ পিছত বৰ্ণাশুদ্ধি, অংগসজ্জাকে ধৰি প্ৰকাশ পোৱালৈ জড়িত হৈ থাকো 'বাসন্তী বাসনা'ৰে। সংকলনখন প্ৰকাশৰ দহদিনমান পাছতে ছাৰে ফোন কৰিছিল; কৈছিল— 'নীলিম, ধন্যবাদ তোমাক। প্ৰদ্যুতকো ভাল লাগিল। কিতাপখন বৰ ভালকৈ ছপাইছে। আনকি আজি ৰয়েল্টিও দিলে বেংক একাউণ্টত।' মূক হৈ আছিলোঁ। ধন্য হৈছিলোঁ। পাহৰিব পাৰিমনে কাহানিবা সেই কথাবোৰ? ওহোঁ। একেদৰে পাহৰিব নোৱাৰিম সময়ান্তৰত ছাৰৰ লগত আলচ কৰা প্ৰসংগবোৰ। সাহিত্যৰ পৰা ৰাজনীতিলৈকে, আমাৰ সমাজ জীৱনৰ পৰা বিশ্ব প্ৰেক্ষাপটলৈকে কত পৰত কত কথা যে পাতিছিলোঁ। মনত থাকিব 'বজালীয়ান'ৰ বাবে ছাৰৰ সময় বিচৰাৰ দিনটোৰ স্মৃতিও। সম্পাদনা সমিতিৰ অনুৰোধ মৰ্মে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'বজালীয়ান'ৰ বাবে ড° লক্ষ্মীনন্দন বৰাৰ এটা সাক্ষাৎকাৰৰ ব্যৱস্থা কৰি দিছিলোঁ। ছাৰ বৰ ব্যস্ত আছিল সেইকেইদিন, কিন্তু মোৰ অনুৰোধ নেওচা নিদি ছাৰে পিছদিনাই আলোচনীখনৰ হৈ যোৱা সাক্ষাৎগ্ৰহণকাৰীসকলক লগ কৰি বেছ কিছু সময় দিছিল। জনা মতে সেই সাক্ষাৎকাৰটো ল'বলৈ ছাৰৰ ওচৰলৈ গৈছিল বিভাংশু শৰ্মা, নিৰ্মল ডেকা আৰু হৰ্ষজিত কলিতা। অনস্বীকাৰ্য ড° লক্ষ্মীনন্দন বৰা ছাৰ আজি আমাৰ মাজত নাই, কিন্তু সাহিত্যিকগৰাকী অদৃশ্যভাৱে আমাৰ মানস মণ্ডলত দৃশ্যমান হৈ থাকিব তেখেতৰ কাপেৰে, অনন্য সৃষ্টিকৰ্মৰে- চকুৰে মণিব নোৱৰা অসীম আগত কাললৈ।

ফোন ঃ ৭৬৬৩৯-৫৭৫০০

# লক্ষ্মীনন্দন বৰা ছাৰো গ'লগৈ

■ দিবাকৰ ৰেণু

২০১৪ চনৰ কথা, এটি চৰকাৰী প্ৰশিক্ষণৰ ৰুদ্ধদ্বাৰ বৈঠকত একান্ত মনে অংশগ্ৰহণকাৰীসকলৰ সৈতে ব্যস্ত। তেনে সময়তে মোবাইলৰ স্ক্ৰীনত এটি লেণ্ডলাইন নম্বৰ উজলি উঠিল। অচিনাকি আৰু লেণ্ডলাইন নম্বৰ বুলি ফোন নম্বৰটো অতি সংকোচেৰে গ্ৰহণ কৰিলোঁ। ফোনটো গ্ৰহণ কৰাৰ পিছতে আনটো ফালৰ পৰা এটি গভীৰ কণ্ঠস্বৰ ভাহি আহিল। লগে প্ৰশিক্ষণস্থলীৰ পৰা বাহিৰলৈ ওলাই আহি সেই কণ্ঠৰে বাৰ্তালাপ কৰিলোঁ। সেই কণ্ঠৰ অধিকাৰী ব্যক্তিগৰাকী আছিল আমাৰ সকলোৰে শ্ৰদ্ধাৰ যশস্বী সাহিত্যিক ড° লক্ষ্মীনন্দন বৰাদেৱ। সেই সময়ত আমি 'তুলনামূলক সাহিত্য অধ্যয়নৰ প্ৰয়োজনীয়তা' বিষয়ক এটি লেখা প্ৰস্তুত কৰি বৰা ছাৰৰ সম্পাদনাৰ 'গৰীয়সী' আলোচনীলৈ প্ৰেৰণ কৰিছিলোঁ। 'গৰীয়সী'ৰ সম্পাদনা বিভাগত লেখাটো পোৱাৰ পিছত ছাৰে, সেই লেখা পঢ়ি আমাক প্ৰশংসা কৰাৰ বাবে ফোন কৰিছিল। আমাৰ দৰে অনুশীলনকাৰী লেখকৰ বাবে তেনে এগৰাকী বিশিষ্ট সাহিত্যিকৰ প্ৰশংসামিশ্ৰিত ফোন অত্যন্ত গুৰুত্বপূৰ্ণ আৰু উৎসাহজনক। অসমৰ সাহিত্যৰ পৃথিৱীত 'গৰীয়সী' এখন তেজস্বী নৈ। তেনে এখন আলোচনীত লেখা প্ৰকাশ পোৱাৰ আনন্দই সুকীয়া আৰু সম্পাদকৰ প্ৰশংসা তাতকৈও অধিক উৎসাহজনক। পৰৱৰ্তী সময়ত গৰীয়সীত সেই লেখাটো প্ৰকাশ পাইছিল। তেনে এগৰাকী সূৰ্যৰ দৰে মহান আৰু চন্দ্ৰৰ দৰে সৰল সাহিত্যিকৰ আজি দেহৱসান হ'ল। ১৯৩২ চনৰ মাৰ্চ মাহত নগাঁও জিলাৰ হাতীচোং কুজীডাঁহ গাঁৱত বৰাদেৱৰ জন্ম হৈছিল। তেখেতৰ পিতৃ পৃথুৰাম বৰা আৰু মাতৃ ফুলেশ্বৰী বৰা।

শ্ৰদ্ধাৰ লক্ষ্মীনন্দন বৰাই হাইস্কুলীয়া শিক্ষা লাভ কৰিছিল নগাঁও চৰকাৰী হাইস্কুলৰ পৰা আৰু ১৯৪৮ চনত তেওঁ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ সেই বছৰতে কটন কলেজত আইএছচি শ্ৰেণীত নামভৰ্তি কৰিছিল । ১৯৫০ চনত তেখেতে কটন কলেজৰ পৰা আই এছ চি পাছ কৰে আৰু কটন কলেজতে পদাৰ্থ বিজ্ঞান বিভাগত নামভৰ্তি কৰে। ১৯৫২ চনত তেওঁ কটন কলেজৰ পৰা পদাৰ্থ বিজ্ঞানত অনাৰ্ছ লৈ স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াৰ পাছতেই তেওঁ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিবৰ বাবে কলিকতাৰ প্ৰেছিডেন্সী কলেজত নামভৰ্তি কৰে। ১৯৫৪ চনত তেওঁ প্ৰেছিডেন্সী কলেজৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। লক্ষ্মীনন্দন বৰাই পদাৰ্থ বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি ১৯৫৫ চনত প্ৰবক্তা হিচাপে শ্বিলঙৰ ছেইন্ট এন্থনী কলেজত যোগদান কৰিছিল। তাত তেওঁ প্ৰবক্তা হিচাপে দুমাহ শিক্ষকতা কৰাৰ পিছত যোৰহাট জে বি কলেজ আৰু নগাঁও কলেজত কিছু দিনৰ বাবে শিক্ষকতা কৰে। লক্ষ্মীনন্দন বৰাই ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ পৰা ১৯৭৭ চনত। 'The Water Balance and Drought Climatology of Assam and Vincity' বিষয়ত তেওঁ ডক্টৰেট ডিগ্ৰী লাভ কৰে। ১৯৫৬ চনতে তেওঁ কটন কলেজত এবছৰ শিক্ষকতা কৰে আৰু ধুবুৰীৰ বি এন কলেজত যোগদান কৰে। ইয়াৰ পাছত লক্ষ্মীনন্দন বৰাই ১৯৫৮ চনত যোৰহাটৰ অসম কৃষি মহাবিদ্যালয়ত যোগদান কৰে। অসম কৃষি মহাবিদ্যালয়খন বিশ্ববিদ্যালয়লৈ উন্নীত হোৱাত ১৯৬৯ চনত তেখেতে তাত অধ্যাপকৰূপে নিযুক্তি লাভ কৰে। ১৯৯২ চনত তেখেতে অসম কৃষি বিশ্ববিদ্যালয়ত পদাৰ্থ বিজ্ঞান আৰু মৌচম বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে শিক্ষকতা কৰি চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। লক্ষ্মীনন্দন বৰাই ভাৰতৰ বাহিৰৰ প্ৰতিষ্ঠানতো কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ অলপ দিন জাৰ্মানীৰ গোটেনবাৰ্গ বিশ্ববিদ্যালয়ৰ বতৰ বিজ্ঞানৰ ভিজিটিং প্ৰফেছৰ হিচাপে আছিল আৰু ইন্দো-জাৰ্মান গৱেষণা প্ৰকল্প আৰু অসম প্ৰদূষণ ব'ৰ্ডৰ অধ্যক্ষৰূপেও দায়িত্বত আছিল। তেওঁ অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ সঞ্চালক হিচাপে ২০০৩ চনলৈকে কাৰ্যনিৰ্বাহ কৰিছিল।

লক্ষ্মীনন্দন বৰাই সাহিত্য ক্ষেত্ৰৰ সৈতে বিংশ শতিকাৰ যাঠীৰ দশকৰ পৰাই জড়িত হোৱা দেখা যায়। 'ৰামধেনু' আলোচনীৰ পাততে তেওঁ সাহিত্যিক জীৱনৰ পাতনি মেলিছিল। ১৯৫৪ চনত লক্ষ্মীনন্দন বৰাৰ প্ৰথম গল্প 'ভাওনা' প্ৰকাশ হয়। ইয়াৰ পৰৱৰ্তী সময়ত তেখেতে একাধাৰে সাহিত্য চৰ্চা কৰি আছিল। গল্প, উপন্যাস, নাটক, ভ্ৰমণ কাহিনী, জীৱনী, বিজ্ঞান বিষয়ক লেখা আৰু অনুবাদৰ ক্ষেত্ৰত তেখেতে অৱদান আগবঢ়াই আহিছে। লক্ষ্মীনন্দন বৰাই কেইবাখনো কাকত-আলোচনীৰ সম্পাদনাৰ সৈতেও জড়িত আছিল। ১৯৯২ চনতে সাপ্তাহিক কাকত 'ৰংপুৰ'ৰ সম্পাদক হিচাপে তেওঁ তিনি বছৰ কাৰ্যনিৰ্বাহ কৰিছিল। ২০০৪ চনত 'অভিমত' নামৰ সাপ্তাহিক কাকতৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ২০০৯ চনৰপৰা তেখেতে সাহিত্য আলোচনী 'গৰীয়সী'ৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। মৃত্যুৰ আগলৈকে সাহিত্যিকগৰাকীয়ে আলোচনী-কাকতত গল্প, প্ৰবন্ধ লিখি গৈছিল।

মহামাৰী কৰ'নাত আক্ৰান্ত হোৱাৰ পিছত তেখেত গুৱাহাটীৰ এক্সেল কেয়াৰ হাস্পতালত চিকিৎসাধীন হৈ থকা অৱস্থাত যোৱা বৃহস্পতিবাৰে পৰলোক গমন কৰে আৰু লগে লগেই অৱসান হয় এটি সাৰস্বত যুগৰ। অসমীয়া সাহিত্যলৈ আগবঢ়োৱা পৰ্বতসম অৱদানেৰে চিৰস্মৰণীয় হৈ থাকিবলগীয়া, এইগৰাকী সাহিত্যিকৰ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰিলোঁ আৰু সাহিত্যিকগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি যাচিলোঁ।

ফোন ঃ ৮৬৩৮১-৪৩৮১৫

# সাহিত্য জগতৰ জীৱন্ত কিংবদন্তি লক্ষ্মীনন্দন বৰা ছাৰৰ চিৰবিদায়

■ হেমন্ত ডেকা

হঠাৎ খবৰ পালো অসমীয়া সাহিত্য জগতৰ আৰু এটা উজ্জ্বল নক্ষত্ৰ খহি পৰিল। আজি ৩ জুন তাৰিখে দিনৰ এঘাৰ বজাত লক্ষ্মীনন্দন বৰা চাৰে অনন্ত ধামলৈ গতি কৰিলে। মোৰ প্ৰত্যক্ষ চিনাকি নাথাকিলেও ছাত্ৰ অৱস্থাতে মোৰ নিজৰ খুৰাৰ আলমাৰিত পোৱা 'পাতাল ভৈৰৱী' নামৰ উপন্যাসখনৰ জৰিয়তে তেখেতৰ নাম মই প্ৰথমবাৰৰ বাবে জানিছিলো। ইয়াৰ পিছত আকৌ এবাৰ সৌভাগ্য ঘটিছিল তেখেতৰ উপন্যাস 'গঙা চিলনীৰ পাখি'ৰ আধাৰত অসমৰ প্ৰখ্যাত চলচ্চিত্ৰ নিৰ্মাতা পদুম বৰুৱাদেৱে নিৰ্মাণ কৰি উলিওৱা 'গঙা চিলনীৰ পাখি' চলচ্চিত্ৰখন চোৱাৰ। এনেকৈয়ে এখন দুখনকৈ তেখেতৰ কিতাপ পঢ়ি তেখেতৰ সৈতে অতি চিনাকি হৈ পৰিছিলো। তেখেতে অসমত বাস কৰা প্ৰতিটো শ্ৰেণীৰ লোকৰ প্ৰতি ভিন ভিন ৰূপত কলম চলাই অসমীয়া জাতিটোক একতাৰ দোলেৰে বান্ধিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। সকলো জাতিগোষ্ঠীৰ প্ৰতি তেখেতৰ উদাৰতাৰ উমান পোৱা যায় অসম সাহিত্য সভাৰ ৬৩সংখ্যক অধিৱেশনত তেখেতে কৰা মন্তব্যৰ পৰা। তেখেতৰ মন্তব্য আছিল এনেধৰণৰ— 'অসম সাহিত্য সভাৰ সুচিন্তিত কাৰ্যসূচীয়েই কেৱল সাম্প্ৰতিক বিভেদশীল পৰিস্থিতিত ঐক্য স্থাপন কৰিব পাৰে Iকাৰণ আজিৰ ৰাজনীতিয়ে মানুহক ভাগ ভাগ কৰে, সাহিত্য-সংস্কৃতিয়েহে একগোট কৰে। মোৰ কাৰ্যকালত ইয়াৰ প্ৰমাণ পালোঁ। চৰ-চাপৰিৰ দুৰ্গম ঠাইলৈ গৈ দেখিলোঁ যে তাত যুৱক-যুৱতী আৰু প্ৰবীণ ব্যক্তিয়ে অসমীয়া সমাজৰ মূলসুঁতিৰ মাজত সোমায় অসমীয়া গল্প, কবিতা লিখি নিজ খৰচত ছপা কৰিছে। এনে প্ৰচেষ্টা দেখিছো মিছিং, দেউৰী প্ৰভৃতি জনজাতীয় অঞ্চলত। চাহ বাগিচাৰ ব্যস্ত আৰু বৰ্ণাঢ্য জীৱনে অসম সাহিত্য সভা আৰু অসমীয়া সংস্কৃতিক আদৰিছে।'

সাহিত্য জগতৰ জীৱন্ত কিংবদন্তি এইগৰাকী বহুমুখী প্ৰতিভাৰ অধিকাৰী ব্যক্তিৰ জন্ম হৈছিল নগাঁৱৰ কুঁজিদাহ গাঁৱত ১৯৩২ চনৰ মাৰ্চ মাহৰ ১ তাৰিখে। ১৯৫২ চনত কটন মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত কলিকতা ইউনিভাৰ্ছিটীৰ অন্তৰ্গত প্ৰেছিডেন্সী কলেজৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তেখেতে এটা সাক্ষাৎকাৰত সাহিত্য জগতলৈ ঢাপলি মেলাৰ আঁৰৰ কাহিনী ব্যক্ত কৰি কৈছিল যে সাহিত্যিক হোৱাৰ সপোন তেখেতে পুহি ৰখা নাছিল। কলিকতাত থাকোতে তেখেতক এবাৰ শংকৰদেৱৰ তিথিত ইংৰাজীত ভাষণ দিবলৈ মাতিছিল। তেখেতৰ ভাষণ শুনি বহুজন গুণমুগ্ধই তেখেতক ভূয়সী প্ৰশংসা কৰিছিল। তেখেতে কৈছে— 'মানুহবিলাকে মোক ক'লে যে তুমি বিজ্ঞানৰ মানুহ হৈও শংকৰদেৱৰ ওপৰত বহু কথাই জানা। তুমি ভালদৰে গল্প, উপন্যাস লিখিব পাৰিবা। সেইদিনা মোৰ ঘৰলৈ বৰকৈ মনত পৰিছিল আৰু 'ভাওনা' বুলি এটা গল্প লিখি ৰামধেনুলৈ পঠিয়াই দিলোঁ। গল্পটো মই আগষ্ট মাহত পঠালোঁ আৰু ডিচেম্বৰ মাহত প্ৰকাশ হ'ল'।

এয়াই হয়তো লক্ষ্মীনন্দন বৰাদেৱৰ সাহিত্যিক হিচাপে ৰামধেনুৰ পাতত আত্মপ্ৰকাশ কৰাৰ আৰম্ভণি। ইয়াৰ পিছত তেখেতৰ কলম আৰু স্তব্ধ নহ'ল। ইখনৰ পিছত সিখন মূল্যৱান গ্ৰন্থ অসমীয়া সাহিত্যলৈ তেখেতে আগবঢ়াই গ'ল। নিশাৰ পূৰৱী, পাতাল ভৈৰৱী, গঙা চিলনীৰ পাখি, যাকেৰি নাহিকে উপাম, শিখৰ সুৰভি, বলুকাত বিজুলী, মৎস্যকন্যা, সেহি গুণনিধি আদি তেখেতৰ উল্লেখযোগ্য উপন্যাস। সিপুৰীৰ আঁচনি আৰু একাংক যুগল দুখন ব্যংগ অনাতাঁৰ নাট। চুটিগল্পৰ ভিতৰত দৃষ্টিৰূপা, সেই সুৰে উতলা, গোপন গধূলি, অচিন কইনা, দুষ্টৰ কাৰাগাৰ, প্ৰেয়সী ইত্যাদি। 'জোৰা লগা জাৰ্মানীত' আৰু 'সীমাৰ পৰিধি ভাঙি', এই দুখন ভ্ৰমণ কাহিনীৰ উপৰি 'কাল বলুকাত খোজ' নামৰ আত্মজীৱনীমূলক লেখাৰে তেখেতে অসমীয়া সাহিত্যৰ মজবুত ভেটি তৈয়াৰ কৰিছে। ১৯৮৮ চনত 'পাতাল ভৈৰৱী'ৰ বাবে সাহিত্য অকাদেমি বঁটা আৰু ২০০৮ চনত কল্পবিজ্ঞান ভিত্তিক ব্যতিক্ৰমী উপন্যাস 'কায়কল্প'ৰ বাবে সৰস্বতী সন্মান লাভ কৰে। ২০১৫ চনত ভাৰত চৰকাৰৰ পদ্মশ্ৰী বঁটাৰে বিভূষিত মহান ব্যক্তিজনৰ বিয়োগে অসম আৰু অসমীয়াৰ অপূৰণীয় ক্ষতি সাধন কৰিলে। অসমীয়া সাহিত্যই আৰু এজন অভিভাৱক হেৰুৱালে। তেওঁৰ অনুপস্থিতিত অসমীয়া সাহিত্য জগতখনে কিছু হ'লেও ৰিক্ততা অনুভৱ কৰিব।

ফোন ঃ ৯১০১৮৭১৯৭০

# আকৌ এটি নক্ষত্ৰ খহি পৰিল

■ গীতাশ্ৰী বৰা

স্থবিৰ সময়, আশংকা মাজে মাজে। সদায় যাপন কৰা জীৱনৰ ঠিকনা সলনি হ'ল। জটিল সময়বোৰে বিবেকক বহু প্ৰহাৰ কৰে। কভি'ডৰ যুঁজখনত বহু আপোনজনক হেৰুৱাইছো। স্বনামধন্য সাহিত্যিক হোমেন বৰগোহাঞিদেৱক হেৰুওৱাৰ পিছতেই আকৌ সাহিত্য জগতৰ পৰা উজ্জ্বল নক্ষত্ৰসদৃশ ড° লক্ষীনন্দন বৰাদেৱ আমাৰ মাজৰ পৰা আঁতৰি গ'ল। নগাঁও জিলাৰ হাতীচোং অঞ্চলৰ কুঁজিদাহ গাঁৱত ১৯৩১ চনত বৰাদেৱৰ জন্ম হয়। পিতৃৰ নাম পৃথুৰাম বৰা আৰু মাতৃৰ নাম ফুলেশ্বৰী বৰা।

বেবেজীয়াৰ পণ্ডিত কনক চন্দ্ৰ শৰ্মা হাইস্কুলত মাধ্যমিক শিক্ষা আৰম্ভ কৰিছিল যদিও নগাঁও চৰকাৰী উঃ মাঃ বালক বিদ্যালয়ত নামভৰ্তি কৰে। ১৯৪৮ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত বিজ্ঞান শাখাত নামভৰ্তি কৰে। ১৯৫২ চনত কটন কলেজৰ পৰা পদাৰ্থ বিজ্ঞানত স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৫৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ড° বৰাদেৱ একেধাৰে গল্পকাৰ, ঔপন্যাসিক আৰু শিক্ষাবিদো আছিল। তেখেতৰ প্ৰথমটো চুটিগল্প আছিল 'ভাওনা'। 'ৰামধেনু'ত গল্পকাৰৰূপে আত্মপ্ৰকাশ কৰা বৰাদেৱৰ গল্প ৰামধেনু, নতুন অসমীয়া, অৰুণাচল আদিত প্ৰকাশ পায়। ১৯৫৫ চনত শ্বিলঙৰ ছেইণ্ট এন্থনী কলেজৰ প্ৰবক্তাৰূপে কৰ্ম জীৱনৰ পাতনি মেলে। ১৯৬২ চনত প্ৰথমখন উপন্যাস 'নিশাৰ পূৰৱী' প্ৰকাশ হয়। তেখেতৰ কলমত আছিল অনন্য শক্তি। ১৯৮৮ চনত 'পাতাল ভৈৰৱী' গ্ৰন্থৰ বাবে সাহিত্য অকাদেমি বঁটা, 'কায়কল্প' উপন্যাসৰ বাবে সৰস্বতী সন্মান, ২০১৫ চনৰ ২৬ জানুৱাৰীত পদ্মশ্ৰী বঁটাৰে সন্মানিত হয়। ১৯৯৬ চনৰ অসম সাহিত্য সভাৰ বোকাখাত অধিৱেশনৰ সভাপতি আছিল ড° লক্ষীনন্দন বৰা। ২০০৪ চনত লাভ কৰে অসম উপত্যকা সাহিত্য বঁটা। ২০১২ চনত লাভ কৰে জীৱনজোৰা সাধনা বঁটা। জনপ্ৰিয় সাহিত্যিকগৰাকী অসম কৃষি বিশ্ববিদ্যালয়ৰো অধ্যক্ষ আছিল। অসম প্ৰকাশন পৰিষদৰ লগত জড়িত হোৱাৰ উপৰি অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ অধ্যক্ষ আছিল।

গঙা চিলনীৰ পাখি, যাকেৰি নাহিকে উপাম,



পাতাল ভৈৰৱীকে ধৰি ৬০খনৰো অধিক গ্ৰন্থ ৰচনা কৰি সাহিত্যৰ ভঁৰাল চহকী কৰিলে। মৃত্যুপৰ্যন্ত 'গৰিয়সী' আলোচনীৰ সম্পাদকৰ পদত আছিল। 'কাল বলুকাত খোজ' তেখেতৰ আত্মজীৱনীমূলক গ্ৰন্থ।

অসমীয়া ভাষাৰ কাণ্ডাৰী স্বৰূপ ড° লক্ষ্মীনন্দন বৰাদেৱৰ বিয়োগত ৰাজ্যবাসী শোকস্তব্ধ। হে' মহান, যোৰহাটৰ অগ্ৰণী প্ৰকাশন গোষ্ঠী দিগ্‌দৰ্শন প্ৰকাশনৰ হৈ আপোনাৰ প্ৰতি আমাৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি যাচিলোঁ।

# বৰছলাৰ ভৰাশিঙৰীত ব্ৰহ্মপুত্ৰৰ তীব্ৰ খহনীয়া

## ব্যৱস্থা গ্ৰহণৰ দাবী কৃষক-শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৩ জুন ঃ** সমাগত বাৰিষা। আজিও উন্মুক্ত ৰাজ্যৰ অধিকাংশ নদ-নদীৰ মথাউৰি।বাৰিষাৰ আৰাম্ভণিতে নদ-নদীসমূহৰ গৰাখহনীয়াই কালৰূপ ধাৰণ কৰিছে।সমান্তৰালভাৱে ব্ৰহ্মপুত্ৰ নদীয়ে বৰছলাৰ ভৰাশিঙৰীত তীব্ৰ খহনীয়াৰ সৃষ্টি কৰিছে। ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াই কালৰূপ ধাৰণ কৰাত শোণিতপুৰ জিলাৰ বৰছলা বিধানসভা সমষ্টিৰ গৰুডোবাৰ তেলীয়াগাঁও আৰু ভৰাশিঙৰীত ৰাইজৰ হেজাৰ হেজাৰ বিঘা কৃষিভূমি ইতিমধ্যে নৈৰ বুকুত জাহ গৈছে। ব্ৰহ্মপুত্ৰ নদীৰ প্ৰবল খহনীয়াৰ ফলত ভৰাশিঙৰীৰ ছটি পাহাৰত অৱস্থিত ঐতিহাসিক হৰগৌৰী দেৱালয়লৈ ভাবুকি আহি পৰিছে।খহনীয়াৰ কবলত পৰা উক্ত ভৰাশিঙৰী অঞ্চলত ৩জুনত কৃষক-শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি, অসমৰ সভাপতি প্ৰশান্ত বৈশ্যৰ নেতৃত্বত সঁজাতী দল এটাই উপস্থিত হৈ ৰাইজৰ ক্ষয়-ক্ষতিৰ বুজ লয়। উক্ত খহনীয়াগ্ৰস্ত স্থান পৰিভ্ৰমণ কৰি কৃষক-শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই সংবাদ মাধ্যমৰ আগত চৰকাৰ তথা স্থানীয় জনপ্ৰতিনিধিসকলক তীব্ৰ ভাষাৰে সমালোচনা কৰে। কৃষক-শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই চৰকাৰ তথা স্থানীয় বিধায়কৰ বিৰুদ্ধে ক্ষোভ উজাৰি কয়— গৰাখহনীয়া ৰোধৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ, ৰাজ্যৰ জলসম্পদ বিভাগ, তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱ লোচন দাস তথা স্থানীয় বিধায়ক গণেশ কুমাৰ লিম্বুৱে কোনো ধৰণৰ ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰাত অঞ্চলটোৰ হেজাৰ হেজাৰ বিঘা কৃষিভূমি ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন হৈছে। চৰকাৰৰ নীৰৱতাত বৰ্তমান ৰাইজে দিক্‌বিদিক হেৰুৱাই নিজৰ গাঁঠিৰ ধন খৰচ কৰি বাঁহ, গছ আদিৰে ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া ৰোধ কৰাৰ আপ্ৰাণ চেষ্টা চলাইছে। খহনীয়াৰ কবলত পৰা উক্ত ভৰাশিঙৰী অঞ্চল এনেদৰে বাঁহ, গছ আদিৰে বচোৱাটো সম্ভৱপৰ নহয়। সেয়েহে এইক্ষেত্ৰত ৰাজ্য চৰকাৰ তথা ৰাজ্যৰ জলসম্পদ বিভাগে তৎকালে ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৃষক-শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই দাবী জনাইছে। অন্যথা আগন্তুক দিনত ৰাইজৰ স্বাৰ্থত কৃষক-শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিয়ে গণতান্ত্ৰিকভাৱে তীব্ৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি কৃষক-শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই সকীয়াই দিছে।

## বৰগীতৰ ওজা দয়াল চন্দ্ৰ সূত্ৰধাৰক তাঁতিকুছিৰ সোঁৱৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভক্তৰডবা-পাকাবেতবাৰী, ৩ জুন ঃ** ৰাজ্যৰ যশস্বী শিল্পী শঙ্কৰী কলা-সংস্কৃতিৰ একনিষ্ঠ পূজাৰী, বৰগীতৰ ওজা দয়াল চন্দ্ৰ সূত্ৰধাৰৰ আজি মৃত্যু তিথি । সত্ৰনগৰী বৰপেটাৰ বৰহাটীত জন্মগ্ৰহণ কৰি সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত আত্মনিয়োগ কৰা ওজা শিল্পীগৰাকীয়ে অৰ্ধ শতাব্দীৰো ওপৰকাল অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত সত্ৰীয়া সংস্কৃতি পৰিৱেশন কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল । তেনে এগৰাকী একনিষ্ঠ সত্ৰীয়া সাধকৰ মৃত্যু তিথিৰ দিনটোত বৰপেটাৰ সামাজিক-সাংস্কৃতিক সংস্থা তাঁতিকুছিয়ে স্মৰণ কৰে । বৰপেটা সত্ৰৰ সমীপতে স্থাপিত তাঁতিকুছিৰ মুখ্য কাৰ্যালয়ত আজি সন্ধিয়া অনুষ্ঠিত এক অনুষ্টুপীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত তাঁতিকুছিৰ সম্পাদক পুৰুষোত্তম দাসে বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে । ইয়াৰ পিছতে সংস্থাটোৰ মুখপাত্ৰ হৰেকৃষ্ণ দাসে (দীপু) শিল্পীগৰাকীৰ প্ৰতিচ্ছৱিত পুষ্পাঞ্জলি অৰ্পণ কৰি মৃত্য তিথিত শ্ৰদ্ধা নিবেদন কৰে । উল্লেখ্য যে, সত্ৰনগৰী বৰপেটাৰ সত্ৰীয়া কলা-সংস্কৃতিৰ পৰিবেশৰ মাজতে ডাঙৰ-দীঘল হোৱা শিল্পীগৰাকীয়ে ১৯৪৮ চনৰ পৰা গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ লগতে কলকাতা অনাতাৰ কেন্দ্ৰযোগে নিয়মীয়াভাৱে বৰগীত পৰিৱেশন কৰি আহিছিল।



## দুধনৈ কলেজৰ সহকাৰী অধ্যাপক ড° ভাৰত ভূষণ বৰাৰ মৃত্যু



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩ জুন ঃ**কৰ'নাৰ বিভীষিকাময় পৰিস্থিতিৰ মাজতে আজি নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত কুজিডাঁহৰ এজন অতি মেধাৱী যুৱক ক'ভিডৰ চিকাৰ হোৱাৰ ঘটনাই সমগ্ৰ অঞ্চলজুৰি এক শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে । ৩৫ বছৰীয়া এই যুৱকজন হৈছে কুজিডাঁহ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কাৰ্যালয় সহায়ক জিতেন বৰাৰ কনিষ্ঠ পুত্ৰ তথা গোৱালপাৰাৰ দুধনৈ কলেজৰ গণিত বিভাগৰ সহকাৰী অধ্যাপক হিচাপে কৰ্মৰত ড০ ভাৰত ভূষণ বৰা। জানিব পৰা মতে, কৰ'নাসৃষ্ট পৰিস্থিতিৰ বাবে কৰ্মস্থলীৰ পৰা আহি কুজিডাঁহৰ ঘৰতে থকা যুৱকজন কিছুদিনৰ পূৰ্বে কৰ'নাত আক্ৰান্ত হোৱাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। এনেদৰে চিকিৎসাধীন অৱস্থাত থকাৰ মাজতে মৃত্যুৰ সৈতে যুঁজি যুঁজি অৱশেষত আজি পুৱা প্ৰায় এঘাৰ বজাত যুৱকজনে শেষনিশ্বাস ত্যাগ কৰে । অতি মেধাৱী যুৱকজনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা গণিত বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ পিছত প্ৰায় পাঁচ বছৰৰ পূৰ্বে দুধনৈ কলেজত গণিত বিভাগৰ সহকাৰী অধ্যাপক হিচাপে যোগদান কৰিছিল । তেওঁ শ্বিলঙৰ NEHU ৰ পৰা গণিত শাস্ত্ৰত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁ মৃত্যুৰ সময়ত পিতৃ-মাতৃ, এজন ককায়েক আৰু বৌয়েকৰ লগতে বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়। উল্লেখ্য, যুৱকজনৰ মাতৃ বৰ্তমান কৰ'নাত আক্ৰান্ত হৈ মৰিগাঁও অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ থকাৰ বিপৰীতে কৰ'নাত আক্ৰান্ত ককায়েক কালি সুস্থ হৈ ঘৰলৈ উভতি আহিছিল।

## ছিপাঝাৰত পাঁচ বছৰে নিৰ্মাণ হৈ নুঠিল জৱহৰলাল নেহৰু ক্ৰীড়া প্ৰকল্প

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ৩ জুন ঃ** ৰাজ্যৰ ২১৯ টা উন্নয়ন খণ্ডৰ লগতে দৰঙৰ ছিপাঝাৰৰ কেন্দুগুৰিত ৫৭লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ আঁচনি হাতত লোৱা জৱহৰলাল নেহৰু ক্ৰীড়া প্ৰকল্পৰ নিৰ্মাণ আজি সুদীৰ্ঘ পাঁচটা বছৰতো সম্পূৰ্ণ হৈ নুঠিল। উল্লেখ্য যে ২০১৪ চনৰ ১৪ নৱেম্বৰত শিশু দিৱসৰ দিনা এক জনাকীৰ্ণ পৰিৱেশৰ মাজত তদানীন্তন পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰকিবুল হুছেইনে ছিপাঝাৰৰ কেন্দুগুৰিত এক ক্ৰীড়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি তদানীন্তন চৰকাৰখনৰ উন্নয়নৰ বৰঢোল বজাই ছমাহৰ ভিতৰতে নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠিব বুলি ৰাইজৰ আগত প্ৰতিশ্ৰুতি দিছিল। কিন্তু আশ্চৰ্যজনক কথা যে আজি সুদীৰ্ঘ পাঁচটা বছৰতো আঁচনিখনে পূৰ্ণাঙ্গ ৰূপ পাবলৈ সক্ষম নহ'ল। যি কথা অতিকৈ দুৰ্ভাগ্যজনক। তথ্য মতে ২০১৪-১৫ বৰ্ষত এনৰেগা আঁচনিৰ অধীনত আঁচনিখনৰ নামত ৫ লাখ টকা আবন্টন দিয়া হৈছিল। কিন্তু অতিকৈ আশ্চৰ্যজনক কথা যে আঁচনিখন ৰূপায়ণৰ নামত তথাকথিত এনৰেগাৰ নামধাৰী ঠিকাদাৰে বিষয়া,কৰ্মচাৰীৰে মিলি ৩০-৪০ হাজাৰ মান টকাৰ মাটি ছটিয়াই দি বাকী সিংহভাগ গো-গ্ৰাসে গিলাৰ অভিযোগ উত্থাপন কৰি সচেতন মহলে তেতিয়াই এক তদন্তৰ দাবী জনাই ছিল যদিও কমিচনভোগী বিভাগৰ সকলো নিমাত হৈ বহি থকা বুলি ৰাইজৰ অভিযোগত প্ৰকাশ।পৰিতাপৰ কথা যে জাতিৰ পিতা মহাত্মা গান্ধীৰ নামত আঁচনিখন উৎসৰ্গিত কৰি আঁচনিখনত দুৰ্নীতি, অনীতি, অনিয়ম, কেলেংকাৰী সংঘটিত কৰাৰ পিছত ব্যক্তিগৰাকীক দেখদেখকৈ কালিমাখনাত বিশ্ববাসীৰ মাজত কলংকিত কৰাৰ বিপৰীতে মহান জননেতা পণ্ডিত জৱহৰলাল নেহৰুৰ নামত ক্ৰীড়া প্ৰকল্প নামকৰণ কৰি ব্যক্তিগৰাকীৰ নীতি-আদৰ্শত বদনাম আনিবলৈ কুণ্ঠাবোধ নকৰাটো দুৰ্ভাগ্যজনক। বিধায়কগৰাকী যি দলৰে প্ৰতিনিধি নহওক কিয় প্ৰতিনিধিগৰাকীয়ে বিশেষভাৱে উদ্যোগ গ্ৰহণ কৰি ক্ৰীড়া প্ৰকল্পটোৰ নিৰ্মাণ সম্পূৰ্ণকৰণ কৰাৰ দায়িত্ব আছিল যদিও তেওঁ ইয়াৰ পৰা গা-এৰা মনোভাব লোৱাটো পৰিতাপৰ কথা বুলি সচেতন লোকসকলে ক'ব খোজে। যাৰ পিছত গ্ৰাম্য প্ৰতিভাৰে উদ্ভাসিত অঞ্চলটোৰ ক্ৰীড়া প্ৰতিভা উপযুক্ত সুবিধাৰ অভাৱত কলিতে মৰহি যোৱাৰ উপক্ৰম ঘটাতো সকলোৰে বাবে দুৰ্ভাগ্যজনক।



## বঙাইগাঁও জিলাৰ নাম্বাৰপাৰাত অবৈধ কাঠফলা মিল উৎখাত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৩ জুন ঃ** বঙাইগাঁও আই উপত্যকা বন সংমণ্ডল প্ৰাধিকাৰীৰ নিৰ্দেশত আজি ধলপুৱাতে সহকাৰী বন সংৰক্ষকৰ লগতে বঙাইগাঁওস্থিত বিশেষ বন সুৰক্ষা বাহিনীয়ে বঙাইগাঁও জিলাৰ অভয়াপুৰী থানাৰ অন্তৰ্গত নাম্বাৰপাৰা প্ৰথম খণ্ডত অভিযান চলাই এটা অবৈধ কাঠফলা মিল উৎখাত কৰে। অভিযানকাৰী দলে কিছুসংখ্যক অবৈধ কাঠো জব্দ কৰে। পিছত উক্ত জব্দকৃত কাঠখিনি আৰু কাঠফলা কলটো অভয়াপুৰী বনাঞ্চলিক কাৰ্যালয়লৈ আনে। অৱশ্যে কাঠফলা কলৰ গৰাকী তথা চোৰাং কাঠৰ ব্যৱসায়ীক কৰায়ত্ত কৰিবলৈ সক্ষম নহ'ল যদিও কৰায়ত্ত কৰাৰ বাবে বন বিভাগে তদন্ত আৰম্ভ কৰিছে।

## মৰিগাঁৱত অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৩ জুন ঃ** যোৱা পহিলা জুনত মৰিগাঁও জিলাত অসম চৰকাৰৰ মুখ্য সচিব জিযুও বৰুৱা আহি উপস্থিত হয়। মুখ্য সচিবগৰাকীৰ সভাপতিত্বত আৱৰ্ত ভৱনত জিলা উপায়ুক্ত সীমাৰেখা ভূঞা, আৰক্ষী অধীক্ষকৰ লগতে উচ্চ পৰ্যায়ৰ বিষয়াসকল এক আলোচনাত মিলিত হয় । মুখ্য সচিবগৰাকীয়ে জিলাখনৰ ক'ভিড পৰিস্থিতি আৰু আগন্তুক বান পৰিস্থিতিৰ সন্দৰ্ভত জিলাখনৰ প্ৰস্তুতি সম্পৰ্কে বুজ লয় । ক'ভিড পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ পৰ্যাপ্ত পৰিমাণে অক্সিজেন সংযুক্ত বিছনা, এম্বুলেঞ্চ, ঔষধ আদি মজুত থকাৰ সন্দৰ্ভতো পৰ্যালোচনা কৰে । তদুপৰি মৰিগাঁও জিলাত ক'ভিডৰ গণসংক্ৰমণ ৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণৰ লগতে জনসাধাৰণৰ সু-স্বাস্থ্য বিষয়ক সচেতনতা বৃদ্ধিৰ ওপৰতো গুৰুত্ব দিবলৈ পৰামৰ্শ দিয়ে । ক'ভিডৰ সময়ত সৰ্বসাধাৰণ ৰাইজৰ মৌলিক সমস্যাখিনিৰ ওপৰতো নজৰ ৰাখিবলৈ পৰামৰ্শ দিয়ে । তদুপৰি আগন্তুক দিনত বাৰিষা বানপানীৰ পৰা হ'ব পৰা পৰিস্থিতিৰ মোকাবিলাৰ বাবে জিলাখনত গ্ৰহণ কৰা প্ৰস্তুতি সন্দৰ্ভতো এটি খতিয়ান লয়। লগতে অত্যাৱশ্যকীয় খাদ্যসামগ্ৰী, ঔষধ আৰু পশুধনৰ খাদ্য আদিৰ পৰ্যাপ্ত পৰিমাণে মজুত ৰাখিবলৈ পৰামৰ্শ প্ৰদান কৰে আৰু সকলো বিভাগকে যিকোনো জৰুৰী অৱস্থাৰ বাবে সাঁজু থাকিবলৈ আহ্বান জনায়।



## লাহৰীঘাটত যৌতুকৰ বাবে হত্যাৰ চেষ্টা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৩ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত স্বামীয়ে কেৰাচিন দি জ্বলাই হত্যা কৰিলে পত্নীক। যোৱা ২২ মে'ত লাহৰীঘাট থানাৰ অন্তৰ্গত অমৰাগুৰিত জিন্নত আলীয়ে পত্নী জোনমণি বেগমৰ শৰীৰত কেৰাচিন ঢালি জ্বলাই দিছিল। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত কালি মৃত্যু হয় জোনমণিৰ। উল্লেখ্য যে ৮ মাহ পূৰ্বে টেঙাগুৰি গাঁৱৰ হবিবুৰৰ কন্যা জোনমণি বেগমৰ অমৰাগুৰি গাঁৱৰ জিন্নত আলীৰ লগত বিবাহ হৈছিল। পৰিয়ালৰ লোকৰ অভিযোগ তেতিয়াৰ পৰাই স্বামীয়ে জোনমণিক যৌতুক দাবী কৰি অত্যাচাৰ কৰি আহিছে। অৱশেষত স্বামী আৰু পৰিয়ালৰ লোকে মিলি জোনমণিক হত্যা কৰে বুলি অভিযোগ তুলিছে । ইতিমধ্যে জোনমণিৰ পৰিয়ালে লাহৰীঘাট থানাত এজাহাৰ দাখিল কৰিছে !

### কৰ্মৰত চিকিৎসকক বৰ্বৰ অত্যাচাৰ

## হিন্দু যুৱ ছাত্ৰ পৰিষদ, অসমৰ তীব্ৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভক্তৰডবা-পাকাবেতবাৰী, ৩ জুন ঃ** হোজাই জিলাৰ লংকা থানাৰ ফুলতলীৰ মডেল চিকিৎসালয়ত কৰ্মৰত চিকিৎসক- নাৰ্ছৰ ওপৰত যি তালিবানৰ দৰে একাংশ পশুৰূপী ৩০ জনীয়া দুৰ্বৃত্তৰ দলে যি পাশৱিক আক্ৰমণ কৰিলে হিন্দু যুৱ ছাত্ৰ পৰিষদ, অসমে তীব্ৰ গৰিহণা দিয়াৰ লগতে এনেকুৱা ধৰণৰ জঘন্য ঘটনাৰ যাতে পুনৰাবৃত্তি নহয়, তাৰ বাবে হিন্দু যুৱ ছাত্ৰ পৰিষদ অসমে সকীয়াই দিয়ে। বৰপেটা জিলাৰ সভাপতি পংকজ পাঠক আৰু বৰপেটা জিলাৰ সাংগঠনিক সম্পাদক গৌৰাংগ বৰ্মনে সাংবাদিকক জানিব দি কয় যে আমি দীৰ্ঘদিনৰ পৰাই দেখি আহিছো যে একাংশ শ্ৰেণীৰ মানুহে কেৱল মাত্ৰ হিন্দু মানুহৰ ওপৰতে এনেকুৱা ধৰণৰ অমানৱীয় কাণ্ড কৰি আহিছে। যোৱা মঙলবাৰে হোজাইৰ উদালীত অৱস্থিত ফুলতলী মডেল ক'ভিড চিকিৎসালয়ত চিকিৎসকৰ ওপৰত ডাঃ সেউজ সেনাপতি তথা কৰ্তব্য পালন কৰা কৰ্মীৰ ওপৰত কৰা আক্ৰমণৰ উপৰি চিকিৎসালয়খনৰ আচবাবো লণ্ড-ভণ্ড কৰাৰ লগতে যি প্ৰাণে মৰাৰ চেষ্টা কৰিছে, সেয়া আমি হিন্দু যুৱ ছাত্ৰ পৰিষদ, অসমে কেতিয়াও সহজভাৱে মানি ল'ব নোৱাৰো। আগন্তুক দিনত এনেকুৱা অমানৱীয় কাণ্ডৰ পৰা বিৰত থাকক অন্যথা হিন্দু যুৱ ছাত্ৰ পৰিষদ, অসমে তীব্ৰ আন্দোলন কৰিবলৈ বাধ্য হ'ব। গতিকে হিন্দু যুৱ ছাত্ৰ পৰিষদ, অসমে ৰাজ্য চৰকাৰৰ লগতে গৃহ বিভাগক দাবী জনাই কয় এই দুষ্কৃতিকাৰীৰ ওপৰত উপযুক্ত তদন্ত কৰি কঠোৰতকৈয়ো কঠোৰ শাস্তি বিহক।

## ৩৩ বছৰে মেৰামতি নহ'ল দ্বিগজ নৈৰ মথাউৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ৩ জুন ঃ** ছিপাঝাৰৰ পথৰুঘাটৰ দ্বিগজ নৈৰ বানে ছিগা মথাউৰিটো সুদীৰ্ঘ ৩২ টা বছৰে মেৰামতি নকৰাত বাৰিষাৰ সময়ত ইয়াৰ কৃষক ৰাইজৰ নাজল-নাথল অৱস্থাৰ সৃষ্টি হৈ আহিছে। ১৯৮৮ চনত প্ৰলয়ংকৰী বানপানীয়ে উল্লিখিত নৈখনৰ মথাউৰিটোৰ প্ৰায় ১০০মিটাৰ দৈৰ্ঘ্য ছিগি নি পথৰুঘাট অঞ্চলৰ ১০-১২খন গাঁৱৰ খেতি পথাৰৰ বিস্তৰ ক্ষতিসাধন কৰিছিল। ইয়াৰ পিছত অঞ্চলবাসী ৰাইজে বিভাগৰ ওচৰত ছিগা অংশটি মেৰামতি কৰিবৰ বাবে বহুবাৰ আবেদন- নিবেদন কৰাৰ পিছতো আজিলৈকে ৰাজনৈতিক ৰঙা ফিটাৰ মেৰপেচত পৰি মেৰামতি নকৰাকৈয়ে পেলাই থোৱাত আজি সুদীৰ্ঘ ৩৩ টা বছৰে কৃষকে বাৰিষাৰ বতৰত শালি ধানৰ খেতি কৰাত যন্ত্ৰণা ভোগ কৰি আহিবলগীয়া হৈছে। জানিব পৰা মতে ১৯৯৬ চনত মঙলদৈস্থিত জলসম্পদ বিভাগে ৭.৮৮ লাখ টকাৰ এক কালভাৰ্ট নিৰ্মাণ আঁচনি গ্ৰহণ কৰি বিভাগৰ ওপৰ মহললৈ প্ৰেৰণ কৰিছিল। কিন্তু আজি ৩২ টা বছৰে একো এটা হৈ নুঠিল। তাৎপৰ্যপূৰ্ণ কথা যে প্ৰতিবছৰে ২৮ জানুৱাৰীত পথৰুঘাটৰ কৃষক শ্বহীদ দিৱসলৈ মন্ত্ৰী-বিধায়কৰ কথা বাদেই বহুজন মুখ্যমন্ত্ৰীৰ আগমন হৈছে শ্বহীদৰ দুখত এবাৰ ৰাইজৰ আগত কন্দাৰ বাবে। মুখ্যমন্ত্ৰীৰ কথা বাদেই আনকি ৰাজ্যপালো আহিছিল পথৰুঘাটলৈ। কৃষক ৰাইজে বহু আশাৰে দ্বিগজ নৈৰ বানে ছিঙা মথাউৰিটো মেৰামতিৰ বাবে স্মাৰক-পত্ৰ আদিও প্ৰদান কৰিছিল।

## চামগুৰিত ড্ৰাগছসহ ৭জন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ৩ জুন ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষীয়ে মঙলবাৰে নিশা অভিযান চলাই ড্ৰাগ সৰবৰাহৰ লগত জড়িত ৭ টা অপৰাধীক আটক কৰিছে। প্ৰাপ্ত খবৰ মতে, নগাঁও সদৰৰ ছিকিউৰিটী এণ্ড ইণ্টেলিজেণ্টৰ আৰক্ষী বিষয়া এন হাজৰিকা আৰু চামগুৰি থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কৃষ্ণকান্ত দলেৰ নেতৃত্বত এটা অভিযানকাৰী দলে নিশা প্ৰায় ১-৪৫ বজাত চামগুৰি থানাৰ অন্তৰ্গত পশ্চিম মোৱামাৰীৰ ৰহমত আলীৰ ঘৰত তালাচী চলায়। অভিযানকাৰী দলটোৱে ৰহমতৰ ঘৰত ৩০.৫৬ গ্ৰাম হেৰ'ইন, ১১ টা চিৰিঞ্জ আৰু ৪টা মোবাইল হেণ্ডছেট জব্দ কৰিবলৈ সক্ষম হয়। একেটা অভিযানকাৰী দলেই পুনৰ বাজিয়াগাঁৱৰ হাৰুণ ৰছিদ নামৰ ড্ৰাগছ সৰবৰাহকাৰীটোৰ গৃহত অভিযান চলাই ২০.৫৮ গ্ৰাম হেৰ'ইন, নগদ ২৪,৬০০ টকা, ৮ টা ড্ৰাগছ ব্যৱহাৰৰ সৰু কণ্টেইনাৰ জব্দ কৰে। আৰক্ষীয়ে পশ্চিম মোৱামাৰীৰ মহৰম আলীৰ পুত্ৰ ৰছিদুল হক, মহম্মদ ৰিয়াজুদ্দিন, ৰহমত আলি, ইমৰান হুছেইনৰ পত্নী হাচিনা খাতুনৰ লগতে বাজিয়াগাঁৱৰ ইজাজুল হক, পুত্ৰ আলি হুছেইন আৰু হাবিজুদ্দিনৰ পুত্ৰ আইজুল হকক আটক কৰি ড্ৰাগছ সন্দৰ্ভত জেৰা অব্যাহত ৰাখিছে বুলি জনা গৈছে।

## কোচ ৰাজবংশী সন্মিলনীৰ উপদেষ্টা বিপিন বৰ্মনৰ বিয়োগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৩ জুন ঃ** কোচ ৰাজবংশী সন্মিলনীৰ উপদেষ্টা বিপিন বৰ্মনৰ বিয়োগত সদৌ অসম কোচ ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে । এক বিবৃতিযোগে সদৌ অসম কোচ ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ সভাপতি ত্ৰৈলোক্য ৰায় আৰু সাধাৰণ সম্পাদক ধৰ্মেন্দ্ৰ ৰায়ে কয় যে বিপিন বৰ্মনৰ বিয়োগত কোচ ৰাজবংশী জনগোষ্ঠীয়ে এজন গৱেষক, লিখক তথা সমাজ সচেতকক হেৰুৱালে। সদৌ অসম কোচ ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীয়ে তেওঁৰ বিয়োগত বুধবাৰৰ পৰা সাতদিনীয়া শোক পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সাত দিনত সদৌ অসম কোচ ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ সকলো কাৰ্যালয়ৰ পতাকা অৰ্ধনমিত কৰি ৰখা হ'ব বুলিও নেতাদ্বয়ে বিবৃতিযোগে জনায়। আনহাতে কোচ ৰাজবংশী জনগোষ্ঠীৰ এগৰাকী আপোচহীন লিখক,সু-সাহিত্যিক, প্ৰবন্ধকাৰ, গীতিকাৰ, সুবক্তা, জনগোষ্ঠীটোৰ হকে সদা সচেতন, জাতিৰ অক্লান্ত সেৱক তথা কোকৰাঝাৰ নিবাসী বিপিন চন্দ্ৰ বৰ্মনৰ মৃত্যুত কোচ ৰাজবংশী জাতিয়ে এগৰাকী অভিভাৱকক হেৰুৱালে বুলি মন্তব্য কৰিছে সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাই। এক প্ৰেছ বিবৃতিত সন্থাৰ সভাপতি অৰুণ কুমাৰ ৰায় আৰু যুটীয়া সাধাৰণ সম্পাদক কেশৱ ৰায় আৰু সঞ্জয় ৰায়ে বিপিন চন্দ্ৰ বৰ্মনৰ মৃত্যু জাতিটোৰ বাবে অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰি সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ মুখ্য উপদেষ্টাগৰাকীৰ মৃত্যুত আক্ৰাছুৰ প্ৰতিগৰাকী কৰ্মকৰ্তা মৰ্মাহত হোৱা বুলি কয় । আক্ৰাছুৰ নেতৃত্বই বিপিন চন্দ্ৰ বৰ্মনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে । লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। সেইদৰে সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ মুখ্য উপদেষ্টা বিপিন বৰ্মনৰ বিয়োগত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ আনটো গোটৰ ভাৰপ্ৰাপ্ত সভাপতি পুৰেন ৰায়েও গভীৰ শোক প্ৰকাশ কৰিছে । লগতে তেওঁৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে।

## ক'ভিডৰ সময়ত উৰ্পাজনৰ পথ হেৰুওৱা সৰ্বসাধাৰণ ৰাইজক সাহায্যৰ দাবী মৰিগাঁও জিলা আছুৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৩ জুন ঃ** ৰাজ্যৰ আন আন জিলাৰ লগতে ক'ভিড-১৯ ৰ সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰিছে মৰিগাঁও জিলাতো। ক'ভিড আক্ৰান্ত ৰোগীৰ সংখ্যা জিলাখনত দিনক দিনে ব্যাপক হাৰত বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। এইক্ষেত্ৰত যোৱা ১ জুনত এক বিবৃতিৰ জৰিয়তে মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিপুল কুমাৰ নাথ আৰু সাধাৰণ সম্পাদক ৰূপজ্যোতি মেধিয়ে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বাৰ্তাৰ জৰিয়তে ক'ভিডৰ এই ভয়াৱহতাৰ সময়ত পদপথৰ সৰু দোকানী, কৃষকসকল, ৰিক্সাৱালা, ঠেলাৱালা, দিন হাজিৰা কৰা লোকসকলৰ খবৰ ল'বলৈ কাৰো যে আহৰি নাই, তেওঁলোকৰ পৰিয়াল কেনেকৈ চলিছে, তেখেতসকলৰ পৰিয়ালৰ অৱস্থা বৰ্তমান একেবাৰেই শোচনীয়, সেয়েহে প্ৰশাসন তথা চৰকাৰক এইসকল লোকক প্ৰয়োজনীয় সাহায্য প্ৰদান কৰিবলৈ দাবী জনাইছে মৰিগাঁও আছুৱে। আনহাতে সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ আহ্বানত জিলাখনৰ সকলো ছাত্ৰকৰ্মীয়ে অঞ্চলে অঞ্চলে এই মহামাৰীৰ সময়ত ৰাইজক সহায়ৰ হাত আগবঢ়াবলৈ আহ্বান জনোৱাৰ লগতে কণ্টেইনমেণ্ট জ'নত থকা লোকসকলৰ বাবে খাদ্যসামগ্ৰী যোগান ধৰাৰ উপৰি মৰিগাঁও সদৰ ছাত্ৰ সন্থা আৰু জাগীভকতগাঁও আঞ্চলিকে ঘৰে ঘৰে আৰম্ভ কৰিছে ছেনিটাইজেশ্যন কাৰ্যসূচী। আনহাতে জিলাখনৰ মনহা আৰু বাৰপূজীয়া আঞ্চলিক ছাত্ৰসন্থাৰ কৰ্মীসকলে দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আৰম্ভ কৰিছে অনলাইন পাঠদান কাৰ্যসূচী। চৰাইবাহী আৰু মিকিৰভেটা আঞ্চলিকে ক'ভিড যোদ্ধা, চিকিৎসক-নাৰ্ছসকলক চিকিৎসালয়ে চিকিৎসালয়ে গৈ শুভেচ্ছা জ্ঞাপন কৰিছে । লগতে জিলা ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদকে এই মহামাৰীৰ বিপদৰ সময়ত সকলো ৰাইজক সজাগ সচেতন হৈ ঘৰতে থাকি সুৰক্ষিত থাকিবলৈ আহ্বান জনায় ।



# গোলাঘাট পৌৰসভাৰ অধীনৰ কৰ আদায় নিদিয়া লোকৰ বিৰুদ্ধে কঠোৰ জিলা প্ৰশাসন

■ বাৰে বাৰে জাননী পোৱাৰ পাছতো কৰ আদায় নিদিয়া ব্যৱসায়ীৰ বাতিল কৰা হ'ব অনুজ্ঞাপত্ৰ, বাজেয়াপ্ত কৰা হ'ব সম্পত্তি

■ কৰ দিবলৈ বাকী থকা লোকসকলৰ নাম জাননী ব'ৰ্ডত লিখি কাৰ্যালয় চৌহদত আঁৰি থোৱাৰ নিৰ্দেশ

■ সৰ্বাধিক কৰ দিবলৈ বাকী থকা লোকৰ নাম বাতৰি কাকতত বিজ্ঞাপন আকাৰে প্ৰকাশ কৰা হ'ব

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ভূৰাগাঁও, ৩ জুন ঃ** গোলাঘাট জিলাৰ উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিঙে আজি গোলাঘাট পৌৰসভাৰ কাৰ্যালয়ত পৌৰসভাৰ কাম-কাজৰ পৰ্যালোচনা কৰে। তেওঁ সভাৰ ৰাজহ সংগ্ৰহৰ পৰিমাণ ক্ৰমাৎ নিম্নগামী হোৱাৰ বিষয়টোত উদ্বিগ্নতা প্ৰকাশ কৰি কয় যে পৌৰসভা এটা স্বতন্ত্ৰ সংস্থা। সেয়েহে চৰকাৰী পুঁজিলৈ বাট চাই নাথাকি কৰ সংগ্ৰহ ব্যৱস্থাটোক অধিক সক্ৰিয় কৰিব লাগিব বুলি উল্লেখ কৰি তেওঁ পৌৰসভাৰ পৰা জাননী লাভ কৰাৰ পাছতো কৰ আদায় নিদিয়া লোকসকলৰ নাম ৰাজহুৱা কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ কয় যে প্ৰয়োজন হ'লে অত্যধিক পৰিমাণৰ কৰ আদায় নিদিয়াকৈ থকা লোকৰ নাম বাতৰি কাকতত বিজ্ঞাপন আকাৰে প্ৰকাশ কৰিব লাগিব। ইতিমধ্যে জাননী পোৱাৰ পাছতো কৰ দিবলৈ বাকী থকা লোকসকলৰ নাম জাননী ব'ৰ্ডত লিখি কাৰ্যালয় চৌহদত আঁৰি থ'বলৈ তেওঁ নিৰ্দেশ দিয়ে। তেওঁ ক'ভিড পৰিস্থিতি কিছু নিয়ন্ত্ৰণলৈ অহাৰ পাছত অহা জুলাই মাহৰ পৰা কৰ আদায় নিদিয়া ব্যৱসায়ী আৰু অন্য লোকসকলৰ বিৰুদ্ধে জাননী জাৰি কৰিবলৈ নিৰ্দেশ দিয়ে । আনহাতে ইতিমধ্যে ছীল কৰি থোৱা দোকান বা ব্যৱসায় প্ৰতিষ্ঠানসমূহ অতি শীঘ্ৰে নিলাম কৰি অন্য লোকৰ নামত আবন্টন দিবলৈ উপায়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে। যিসকল ব্যৱসায়ী বা অন্য লোকে বাৰে বাৰে জাননী জাৰি কৰাৰ পাছতো পৰিষদৰ ওচৰত কৰসমূহ আদায় দিয়া নাই তেনে ব্যৱসায়ীৰ সম্পত্তি বাজেয়াপ্ত কৰাৰ লগতে অনুজ্ঞাপত্ৰ বাতিল কৰা হ'ব বুলি তেওঁ সকীয়াই দিয়ে । তেওঁ কয় যে ৰাইজৰ বাবে ২৪ ঘণ্টাই সেৱা আগবঢ়োৱা পৌৰসভাৰ ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰি যিসকল ব্যৱসায়ী আৰু অন্য লোকে দিবলগীয়া ন্যূনতম কৰো আদায় দিয়া নাই তেওঁলোকে অতি সোনকালে কৰ আদায় দিব লাগিব। অন্যথা আইন অনুসৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি তেওঁ স্পষ্ট কৰি দিয়ে। আনহাতে গোলাঘাট নগৰখনক পৰিষ্কাৰ কৰি ৰখাৰ বাবে পৌৰকৰ্মী তথা চাফাই কৰ্মীসকলক সক্ৰিয়ভাৱে কাম কৰি যাবলৈ তেওঁ পৰামৰ্শ আগবঢ়ায় । উপায়ুক্তগৰাকীয়ে নগৰখনৰ ১৩ নম্বৰ ৱাৰ্ড পৰিদৰ্শন কৰি ষ্ট্ৰীট লাইটৰ বৰ্তমানৰ স্থিতিৰো বুজ লয়।

# ধুবুৰীৰ আৰক্ষী অধীক্ষকৰ নিৰ্দেশত ড্ৰাগছ আৰু মদৰ বিৰুদ্ধে অভিযান

## ড্ৰাগছ আৰু মদসহ চাৰিজনক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৩ জুনঃ** ধুবুৰীত নতুন আৰক্ষী অধীক্ষক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি ড্ৰাগছৰ বিৰুদ্ধে ব্যাপক অভিযান আৰম্ভ কৰিছে। বৰবিহ ড্ৰাগছ আৰু মদৰ বিৰুদ্ধে মাৰ বান্ধি উঠিছে ধুবুৰীৰ ৰাইজ তথা আৰক্ষী। জিলাখনৰ সদৰ আৰু বিভিন্ন ঠাইত ড্ৰাগছৰ অবাধ বেহা চলি থকাৰ এক গুৰুতৰ অভিযোগ উত্থাপিত হৈ আহিছে। ইয়াৰ মাজতে আজি ধুবুৰীৰ আৰক্ষীয়ে এজন মদ সৰবৰাহকাৰী ব্যক্তিক আটক কৰে। ধুবুৰীৰ নৱনিযুক্ত অতিৰিক্ত আৰক্ষী অধীক্ষক ৰোজী ৰাণী শৰ্মাই আজি সাংবাদিকক জনোৱা মতে, এক গোপন সূত্ৰৰ ভিত্তিত ধুবুৰীৰ আৰক্ষীয়ে এজন মদ সৰবৰাহীক আটক কৰিবলৈ সক্ষম হয়। ধুবুৰী চহৰৰ বাবা লোকনাথ ৰোডত আজি পুৱাই মদ সৰবৰাহী যুৱকজনক আটক কৰিবলৈ সক্ষম হয়। শংকৰ প্ৰসাদ নামৰ সৰবৰাহকাৰী যুৱকজনৰ পৰা আৰক্ষীয়ে চুলাই, দেশী-বিদেশী বৃহৎ পৰিমাণৰ মদ আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে কম বয়সীয়া এই যুৱকজনে আগত খেলা-ধূলাৰ লগত জড়িত আছিল যদিও দৰাচলতে এইজন যুৱকে বহু দিনৰ পৰা মদৰ ব্যৱসায় চলাই আহিছে বুলি স্থানীয় লোকে জানিবলৈ দিছে। ইফালে আজি দুপৰীয়া কলেজ নগৰ আৰক্ষী চকীৰ এটা দলে ড্ৰাগছ সৰবৰাহকাৰী তিনিজন যুৱকক আটক কৰে। অতিৰিক্ত আৰক্ষী অধীক্ষক ৰোজী ৰাণী শৰ্মাই আজি সাংবাদিকক জনোৱা মতে, এক গোপন সূত্ৰৰ ভিত্তিত আজি ধুবুৰীৰ আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰী তিনিজন যুৱক আটক কৰিবলৈ সক্ষম হয়। ধুবুৰী চহৰৰ সংলগ্ন ঝগৰাৰপাৰ ভেটা বজাৰৰ পৰা যুৱক কেইজনক আটক কৰা হয়। তেওঁলোক ক্ৰমে - ধুবুৰী সদৰ থানাৰ অন্তৰ্গত, ৰৌৱা দ্বিতীয় খণ্ডৰ সদাৰ আলীৰ পুত্ৰ আকবৰ আলী(৩৪) আৰু একেই গাঁৱৰ আব্দুৰ ৰহমানৰ পুত্ৰ মোজাহাৰুল ইছলাম(২৪) আৰু ধুবুৰী চহৰৰ ১৪ ৱাৰ্ডৰ ইন্দিৰা গান্ধী ৰোডৰ তজমুল হুছেইনৰ পুত্ৰ ইমৰান হুছেইন(২৪) বুলি আৰক্ষী সূত্ৰে প্ৰকাশ। ড্ৰাগছ সৰবৰাহকাৰী যুৱক তিনিজনৰ পৰা আৰক্ষীয়ে, বৃহৎ পৰিমাণৰ ড্ৰাগছসহ ড্ৰাগছ সৰবৰাহৰ ক্ষেত্ৰত ব্যৱহৃত AS-17/7705 নম্বৰৰ দুচকীয়া বাহন আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে কম বয়সীয়া এই যুৱক তিনিজন পূৰ্বৰে পৰা ড্ৰাগছৰ লগত জড়িত আছিল যদিও দৰাচলতে এই তিনিওজন যুৱকে বহুদিনৰ পৰা ড্ৰাগছৰ ব্যৱসায় চলাই আহিছে বুলি স্থানীয় লোকে জানিবলৈ দিছে। ড্ৰাগছ সৰবৰাহৰ ক্ষেত্ৰত আটক হোৱা যুৱক তিনিজনৰ ভিতৰত আকবৰ আলী নামৰ যুৱকজন পঞ্চায়তৰ সদস্য বুলি জানিব পৰা গৈছে। ধুবুৰীৰ পৰা ড্ৰাগছ আৰু মদৰ দৰে বৰবিহ দূৰ কৰিবৰ বাবে সকলো ৰাইজক একগোট হ'বলৈ আহবান জনাইছে ধুবুৰী আৰক্ষীয়ে। ধুবুৰী নৱনিযুক্ত আৰক্ষী অধীক্ষকৰ কাৰ্যত ৰাইজৰ সন্তোষ প্ৰকাশ কৰিছে।



# ৰঙিয়াৰ ডিমুত উপস্থিত মন্ত্ৰী ৰঞ্জিত দাস, বিধায়ক ভবেশ কলিতা

## গেলামাল ব্যৱসায়ী সন্থাক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ৩ জুন ঃ** ৰঙিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ডিমুস্থিত পৰিদৰ্শন অতিথিশালাত অনুষ্ঠিত ক'ভিড-১৯ মহামাৰীৰ দুৰ্যোগৰ সময়ছোৱাতো চৰকাৰী নিৰিখত খাদ্যসামগ্ৰী বিক্ৰী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা ডিমু-ডোবক গেলামাল ব্যৱসায়ী সন্থাৰ বিষয়ববীয়াসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে বুধবাৰে দিনৰ ভাগত উপস্থিত হয় বিধায়ক ভবেশ কলিতা। উক্ত সম্বৰ্ধনা অনুষ্ঠানত বিজেপিৰ ৰাজ্যিক সভাপতি তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, ৰঙিয়াৰ মহকুমাধিপতি স্বপ্নীল পাল, মহকুমা চক্ৰ বিষয়া চন্দন বুঢ়াগোহাঁই, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বিষয়ববীয়া, জিলা, মহকুমা প্ৰশাসনৰ উচ্চ পৰ্যায়ৰ বিষয়-ববীয়াসকলৰ লগতে ডিমু-ডোবক গেলামাল ব্যৱসায় সন্থাৰ বিষয়ববীয়া আৰু কিছু সমাজ সচেতন ৰাইজ উপস্থিত থাকে। ক'ভিড-১৯ ৰ মহামাৰীৰ এই সংকটময় সময়তছোৱাত সান্ধ্য আইনৰ সুযোগ গ্ৰহণ কৰি বহু অসাধু ব্যৱসায়ীয়ে ৰাজ্যখনত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি কৰা পৰিলক্ষিত হৈছে। কিন্তু ইয়াৰ বিপৰীতে ডিমু-ডোবকৰ গেলামাল ব্যৱসায়ী সন্থাই দুখীয়া ৰাইজৰ হিতৰ কথা চিন্তা কৰি চৰকাৰী নিৰিখত খাদ্যসামগ্ৰীৰ বিক্ৰীৰ সিদ্ধান্ত গ্ৰহণ কৰা প্ৰশংসনীয় পদক্ষেপক আদৰণি আৰু ধন্যবাদ জনায় বিধায়ক কলিতাই। ইয়াৰ লগতে কলিতাই এই অনুষ্ঠানটোৰ জৰিয়তে ৰাজ্যৰ আন আন ব্যৱসায়ীসকলকো আহ্বান জনাই কয় যে- কভিড-১৯ মহামাৰীৰ সময়ছোৱাত নিজৰ মুনাফাৰ বাবে খাদ্যসামগ্ৰীৰ মূল্যবৃদ্ধি নকৰি প্ৰতিগৰাকী ব্যৱসায়ীয়ে সাধাৰণ ৰাইজৰ হিতৰ বাবে চৰকাৰে নিৰ্ধাৰণ কৰা নিৰিখত খাদ্যসামগ্ৰী বিক্ৰী কৰাৰ বাবেও আহ্বান জনায়।

# ক'ভিড ৰোগীৰ সহায়ৰ বাবে কল চেণ্টাৰ স্থাপন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ৩ জুন ঃ** গোলাঘাট জিলাৰ উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিঙে আজি গোলাঘাটৰ সাংবাদিকসকলৰ সৈতে এটা সৌহাদ্যমূলক আলোচনাত মিলিত হয় । তেওঁ গোলাঘাট জিলাত ক'ভিডৰ সংক্ৰমণ ৰোধ কৰাৰ ক্ষেত্ৰত সকলোৰে সহায়-সহযোগিতা কামনা কৰাৰ লগতে সাংবাদিকসকলৰ সৈতে মত-বিনিময় কৰে । তেওঁ কয় যে ক'ভিড আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ অন্ত্যেষ্টিক্ৰিয়াৰ বাবে গোলাঘাট পৌৰসভাক দায়িত্ব দিয়া হৈছে । কোনো লোকেও যাতে শেষকৃত্যৰ বাবে এটকাও দিব লগা নহয় সেইয়া সুনিশ্চিত কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে ।তেওঁ কয় যে ৰাইজৰ ক'ভিড সম্পৰ্কীয় অভাৱ-অভিযোগৰ বাবে 03774-283001 হেল্পলাইন নম্বৰো মুকলি কৰা হৈছে । আগতীয়া পৰীক্ষণ আৰু আগতীয়া চিকিৎসা ক'ভিডৰ বিৰুদ্ধে প্ৰধান অস্ত্ৰ বুলি উল্লেখ কৰি উপায়ুক্তগৰাকীয়ে যে ৰাইজক সজাগ কৰাৰ বাবে আশা আৰু অংগনৱাড়ী কৰ্মীয়ে গাঁৱে-গাঁৱে অভিযান অব্যাহত ৰাখিছে । গাঁও পঞ্চায়ত পৰ্যায়ত ক'ভিড আছুতীয়াকৰণ কেন্দ্ৰ স্থাপন কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে লক্ষণ নথকা ৰোগীসকলে যাতে আত্মীয়ৰ পৰা আঁতৰত থাকি মানসিক উদ্যম হেৰুৱাই নেপেলায় তাৰ বাবে তেওঁলোকক ঘৰৰ ওচৰতে ৰাখিব পৰাকৈ এই কেন্দ্ৰসমূহ স্থাপন কৰা হ'ব । তেওঁ কয় যে ক'ভিডমুক্ত নোহোৱালৈকে ৰোগীসকলৰ সৈতে চিকিৎসক-কৰ্মচাৰী তথা প্ৰশাসনৰ লোকে যোগাযোগ ৰক্ষা কৰি চলিব লাগিব। তাৰ বাবে ৰাজহ চক্ৰ পৰ্যায়ত কল চেণ্টাৰ স্থাপন কৰা হ'ব । এই কল চেণ্টাৰৰ পৰা সংশ্লিষ্ট এলেকাৰ হোম আইছ'লেশ্যনত থকা ক'ভিড ৰোগীসকলক ফোন কৰি দৈনিক ২যত বাৰ খবৰ লোৱা হ'ব বুলি তেওঁ প্ৰকাশ কৰে । আনহাতে ৰোগী অনা-নিয়া কৰাৰ বাবে ৰাজহ চক্ৰ বিষয়াৰ নেতৃত্বত প্ৰতিটো ৰাজহ চক্ৰত দুখন ১০৮ এম্বুলেন্স আৰু এখনকৈ অতিৰিক্ত গাড়ী ভাড়া কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ক'ভিডৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে চক্ৰ বিষয়া, মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া আৰু সংশ্লিষ্ট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক লৈ বিশেষ গোট গঠন কৰি দিয়া হৈছে। তেওঁ কয় যে এই গোটসমূহে নিজৰ এলেকাৰ ক'ভিড পৰিস্থিতি সন্দৰ্ভত নিয়মীয়াকৈ পৰ্যালোচনা কৰিব ।

# দুবৰীপাৰা বিশুদ্ধ খোৱাপানী যোগান আঁচনিত নোলাল পানী

## ৰাইজে দমকলৰ আইৰণযুক্ত বৰবিহ পানীকেই কৰি আছে সেৱন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ৩ জুন ঃ** ৰাইজক আৰ্চেনিকমুক্ত বিশুদ্ধ খোৱাপানী যোগান ধৰি সু-স্বাস্থ্য ৰক্ষাৰ বাবে চৰকাৰে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জৰিয়তে ৰাজকোষৰ কোটি কোটি টকা ব্যয় কৰাৰ সময়তে ছিপাঝাৰৰ দুৱৰীপাৰাত আজিৰ পৰা ১২বছৰ আগেয়ে নিৰ্মাণ কৰা বিশুদ্ধ খোৱাপানী যোগান আঁচনিখন ফুলদানিৰ ৰূপত থিয় হৈ থকাৰ বাহিৰে ৰাইজে একো নোপোৱাৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে, ২০০৫-০৬চনত মঙলদৈ জনস্বাস্থ্য কাৰিকৰী বিভাগে ৪১.০৪ লক্ষ টকা ব্যয় সাপেক্ষে দুৱৰীপাৰাত এক বিশুদ্ধ খোৱাপানী যোগান আঁচনি নিৰ্মাণ কৰিছিল। দুৱৰীপাৰা, বামুণ পাৰাকে ধৰি নিকটৱৰ্তী গাঁৱৰ ৰাইজক সামৰি ১,০০,০০০ লিটাৰ পানী কাৰ্যক্ষম ক্ষমতাৰ আঁচনিখনৰ জৰিয়তে ৰাইজক পানী যোগান নধৰোতেই ২০০৮ বৰ্ষত বানে ক্ষতিগ্ৰস্ত কৰাত বিভাগে ৰাইজৰ আবেদন-নিবেদনত মেৰামতি কৰি তোলে। কিন্তু আশ্চৰ্যজনকভাৱে আজি সুদীৰ্ঘ ১২টা বছৰে অতিক্ৰম কৰাৰ পাছতো ৰাইজে আঁচনিৰ পৰা এটুপি বিশুদ্ধ খোৱাপানী সেৱন কৰিবলৈ নোপোৱা বুলি প্ৰকাশ। একাংশ লোকে অভিযোগ কৰা মতে আঁচনিখনৰ জৰিয়তে ৰাইজৰ বিপৰীতে বিভাগৰ বিষয়া- কৰ্মচাৰী, ঠিকাদাৰৰহে লাভ হোৱাৰ অভিযোগ কৰি বিভাগক আগন্তুক বিধানসভা নিৰ্বাচনৰ আগেয়ে কাৰ্যক্ষম কৰি তুলিবলৈ আহ্বান জনাইছে। ইফালে ইয়াৰ কিছু দূৰৈত চেঙেলীয়াঝাৰত থকা বিশুদ্ধ খোৱাপানী যোগান আঁচনিখন আজি সুদীৰ্ঘ ৩০বছৰত পৰিত্যক্ত ৰূপত পৰি থকাত আঁচনিখনত হাবি-জংঘলে আগুৰি ধৰি অভয়াৰণ্যসদৃশ কৰি তোলাত ৰাতিৰ কথা বাদেই দিনৰ ভাগতে ভিতৰত মানুহ যোৱাৰ সাহসকণ নহয়। স্থানীয় লোকসকলে বিচাৰিছে এই অৱস্থাৰ পৰা পৰিত্ৰাণ।



# টিংৰাইৰ বেতনি গাঁৱত দুই ভুৱা সাংবাদিক আটক

## কানি খাই থকা অৱস্থাত ৰাইজে হাতে-লোটে ধৰি গতাই দিয়ে আৰক্ষীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিংৰাই, ৩ জুন ঃ** ডিগবৈ থানাৰ অন্তৰ্গত টিংৰাইৰ সমীপৰ বেতনি গাঁৱত কালি নিচাসক্ত অৱস্থাত দুই ভুৱা সাংবাদিকক হাতে-লোটে ধৰা পেলায় স্থানীয় লোকে। জানিব পৰা মতে, কিছুদিনৰ পূৰ্বে খোলা Tinsukia today 24×7 লাইভ নামৰ এটা ফেচবুক চেনেলত নিজকে কৰ্মৰত বুলি চিনাকি দিয়া চুমন কৰ (২৭) আৰু ৰকিব বাছফৰ (২৯) নামৰ তিনিচুকীয়াৰ দুই যুৱকে এএছ-২৩-জি-৪৯৮৩ নম্বৰৰ এখন ৰঙা ৰঙৰ পালছাৰ বাইকৰ সন্মুখত প্ৰেছ লিখি লৈ গাঁওখনৰ এটা স্থানত কানি খাই থকা অৱস্থত স্থানীয় সচেতন ৰাইজৰ ওচৰত ধৰা পৰে। প্ৰথমে নিজকে সাংবাদিক বুলি পৰিচয় দিছিল যদিও পাছত নিজৰ দোষ স্বীকাৰ কৰে । স্থানীয় যুৱকসকলে অধিক জানিব বিচৰাত এই দুই তথাকথিত ভুৱা সাংবাদিকে বিগত বহু দিনৰে পৰা এই স্থানত কানি সেৱন কৰিবলৈ আহি থকা বুলি জানিবলৈ দিয়ে । চুমন কৰ নামৰ যুৱকজনে ডিঙিত ভুৱা প্ৰেছ কাৰ্ড ওলোমাই লৈ সতীৰ্থ ৰকিব বাছফৰক লগত আনি এনেদৰে এই কানি সেৱন কাৰ্যত জড়িত কৰোৱাৰ বাবে ভুৱা সাংবাদিক চুমন কৰক ৰাইজৰ আগত ৰকিব বাছফৰৰ হতুৱাই অপদস্থ কৰোৱায়। পাছত আঁঠু কাঢ়ি ভৱিষ্যতে এনে কাম নকৰাৰ প্ৰতিশ্ৰুতি দিয়াত তথাকথিত সাংবাদিক চুমন কৰ আৰু সতীৰ্থ ৰকিব বাছফৰক স্থানীয় ৰাইজে ডিগবৈ আৰক্ষীক গতাই দিয়ে। উল্লেখ্য যে এই বেতনি গাঁৱত প্ৰায়ে কানি, ড্ৰাগছ আদি মাৰাত্মক সামগ্ৰী সেৱন কৰি থকাৰ অৱস্থাতে বিগত সময়ত বহু যুৱক-যুৱতী ধৰা পৰি আহিছে । সেয়ে স্থানীয় যুৱকসকলে এইক্ষেত্ৰত সজাগ হৈ এই ৰাগিয়াল সামগ্ৰী সেৱন কৰাসকলৰ বিৰুদ্ধে অভিযানত নামি পৰা দেখা গৈছে ।

# ছিপাঝাৰৰ কঠামাৰা-খটৰা-দুমুনীচকী সংযোগী পথে পথচাৰীক দিছে নৰক যন্ত্ৰণা

## বিধায়ক ড০ পৰমানন্দ ৰাজবংশীক অভিযোগ সমষ্টিবাসীৰ

## বিগত সময়ত প্ৰাক্তন বিধায়ক বিনন্দই নল'লে কাৰ্যকৰী পদক্ষেপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ৩ জুন ঃ** ছিপাঝাৰৰ পশ্চিমাঞ্চলৰ যাতায়ত তথা যোগাযোগৰ অন্যতম ব্যস্ত পথ ছিপাঝাৰ কঠামাৰা- খটৰা-দুমুনীচকী সংযোগী পথছোৱাৰ জৰাজীৰ্ণ অৱস্থাই পথচাৰীৰ লগতে অফিচ-কাছাৰী, স্কুল- কলেজৰ ছাত্ৰ-ছাত্ৰী, ব্যৱসায়-বাণিজ্য কৰা লোকসকলে নৰক যন্ত্ৰণা ভুগিবলগীয়া হৈছে। জানিব পৰা মতে ২০০৫-০৬ চনত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা আঁচনিৰ অধীনত প্ৰায় ৫ কোটি টকা ব্যয় সাপেক্ষে পথছোৱা পকীকৰণ কৰা হৈছিল। উল্লিখিত পথছোৱাৰ পকীকৰণে দৰং জিলাৰ পশ্চিমাঞ্চলৰ ৰাইজৰ দীৰ্ঘদিনীয়া সমস্যা এটা সমাধান হোৱাত বহু সুখী অনুভৱ কৰিছিল। কিন্তু আশ্চৰ্যজনক কথা যে নিৰ্মাণৰ দিন ধৰি পথছোৱা মেৰামতি নোহোৱাত ভাগি- ছিগি জৰাজীৰ্ণ হৈ পৰিছে আৰু সম্প্ৰতি যাতায়তৰ বাবে অনুপযুক্ত হৈ পৰিছে। যাৰ পিছত ভীষণ অসুবিধা তথা যাতনা ভোগ কৰিবলগীয়া হৈছে পথচাৰী ৰাইজে। ভুক্তভোগীসকলে প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াক গুৰুত্বপূৰ্ণ পথছোৱা মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনোৱাত নিৰ্বাচনৰ আগমুহূৰ্তত বিভাগৰ জৰিয়তে শিল-বালিৰ গুৰি গাঁতত দি ফুটা মাৰিয়েই দায়িত্ব সামৰাত ৰাইজে যাতায়ত তথা যোগাযোগত দুৰ্ভোগ ভুগিবলগীয়া হৈছে।

## পাভৈ আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰশংসনীয় পদক্ষেপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথঘাট, ৩ জুন ঃ** কৰ'না মহামাৰীৰ দ্বিতীয় ঢৌৱে দেশৰ লগতে অসমতো ব্যাপক প্ৰভাৱ পেলাইছে। যাৰ কাৰণে বহু লোক দিনক দিনে কৰ'নাত আক্ৰান্ত হ'বলগীয়া হৈছে আৰু বহু লোকে মৃত্যুক আঁকোৱালি লৈছে। কৰ'নাৰ সংক্ৰমণ হ্ৰাস কৰাৰ ক্ষেত্ৰত প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিছে। আজি পাভৈৰ ৰঙামাটি প্ৰাথমিক বিদ্যালয়, পাভৈ বৰ নামঘৰ, পাভৈ ডাকঘৰ, ৰূপজ্যোতি কলা পৰিষদ, বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়, পাভৈ উচ্চ মাধ্যমিক বিদ্যালয়, পাভৈ সমবায় সমিতি, পাভৈ ৰাজ্যিক চিকিৎসালয়, ৰঙামূৰী প্ৰাথমিক বিদ্যালয়, ৰঙামূৰী নামঘৰ, গ্ৰামীণ বিকাশ বেংকৰ পাভৈ শাখা, ভেকচিন দিয়া স্থান, ফাৰ্মাচী, এ টি এম, বাছ আস্থান, সুলভ মূল্যৰ দোকানৰ লগতে পাভৈ পাঁচআলি চেণ্টাৰৰ ব্যৱসায়িক প্ৰতিষ্ঠান, ৰঙামাটি, ৰঙামূৰী, মৌলবী বস্তি, মিজিকা, পশ্চিম মিজিকা, কমলপুৰ আদি স্থানত পাভৈ আঞ্চলিক ছাত্ৰ সন্থাৰ দ্বাৰা বীজাণুনাশক দ্ৰব্যৰে ছেনিটাইজেশ্যন কাৰ্যসূচী কৰা হয়। উক্ত কাৰ্যসূচী ভাগত উপস্থিত থাকে সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি মঃ আজমত শ্বেখ, বিশ্বনাথ মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নিতু বৰা, পাভৈ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সুশীল তাঁতি, উপ-সভাপতি ক্ৰমে অমৰ বে', ঋষিৰাজ বৰা, শিক্ষা সম্পাদক সুনীল তাঁতি, মুখ্য সাংগঠনিক সম্পাদক কমল হাজৰিকা, পাভৈ পাঁচআলি শাখা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি বিমল মূঢ়া, সাধাৰণ সম্পাদক অভিনাশ হাজৰিকা, ধূলি শাখা ছাত্ৰ সন্থাৰ ভাঃ সভাপতি মামুন শ্বেখকে আদি কৰি পাভৈ পাঁচআলি শাখা ছাত্ৰ সন্থাৰ বিষয় ববীয়াসকল।

# ৰঙিয়া চেম্বাৰ অব কমাৰ্ছৰ দ্বাৰা হোম ডেলিভাৰীৰ সুবিধা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ৩ জুন ঃ** ৰঙিয়া চেম্বাৰ্ছ অৱ কমাৰ্ছৰ সহযোগত প্ৰশাসনৰ নিৰ্দেশমৰ্মে বুধবাৰৰ পৰা ৰঙিয়াত হোম ডেলিভাৰীৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হয়। ৰঙিয়া চহৰৰ মুঠ ১০ টা ওৱাৰ্ডত ক'ভিডে সৃষ্টি কৰা সন্ত্ৰাসৰ সময়ত অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ হোম ডেলিভাৰীৰ সুবিধা প্ৰদান কৰাৰ ব্যৱস্থা হাতত লোৱা হয়। ৰাইজৰ সুবিধা তথা চৰকাৰে জাৰি কৰা (এছ অ' পি) ভংগ নকৰি ৰাইজে যাতে জনসমাগম এৰি চলিব পাৰে তাৰ বাবেই এই ব্যৱস্থা হাতত লয়। বৰ্তমান ৰঙিয়াত ৪ খন ব্যৱসায়িক প্ৰতিষ্ঠানক এই সুবিধা প্ৰদান কৰাৰ বাবে প্ৰশাসনে অনুমতি জনাইছে। প্ৰতিষ্ঠানকেইখন হ'ল ক্ৰমে ইলাইট মাৰ্ট, দাস ষ্ট'ৰ, গীতাঞ্জলি এণ্টাৰপ্ৰাইজ আৰু মাছুম ষ্ট'ৰ। এই হোম ডেলিভাৰী সম্পূৰ্ণ বিনামূলীয়া হ'ব বুলিও জনায় চেম্বাৰ্ছ অব কমাৰ্ছৰ সভাপতিগৰাকীয়ে। প্ৰতিষ্ঠানকেইখনে ৰাইজৰ বাবে হোৱাটছএপ নম্বৰ মুকলি কৰিছে। এই নম্বৰকেইটা হ'ল ইলাইট মাৰ্ট- ০৩৬২১-৭৯৬০৯০, ৯৬৭৮৮৮০৬৪৩, ৮৮৭৬৭২৫১৬১, দাস ষ্ট'ৰ ৮৬৩৮৭৬৮৮৫৪, ৯১০১৬৭৬৯৭৬



*কেঁচা-পকা কঁঠালেৰে ভৰি পৰিছে আগৰতলাৰ বজাৰ, বৃহস্পতিবাৰে*

# পশ্চিম দৰঙত কাঠফুলাৰ দৰে গঢ়ি উঠিছে ইটাভাতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ৩ জুন ঃ** দৰং জিলাৰ পশ্চিম দৰং অঞ্চলত কাঠফুলাৰ দৰে গঢ়ি উঠা দুকুৰিতকৈয়ো অধিক ইটাভাতা উদ্যোগে অঞ্চলটোৰ জনস্বাস্থ্য আৰু প্ৰকৃতিদেৱীলৈ চৰম ভাবুকি কঢ়িয়াই অনাত বিশেষভাৱে চিন্তিত হৈ পৰিছে অঞ্চলবাসী। বৃহত্তৰ অঞ্চলটোৰ বাঁহগড়া, গণেশ কুঁৱৰী, দামপুৰ, কলিতাপাৰা, গান্ধী পথাৰ, শিঙিমাৰী, নাওদিঙা, বাঘমাৰা আদি গাঁৱত গঢ়ি উঠা ইটাভাতা উদ্যোগসমূহৰ পৰা নিৰ্গত হোৱা বিষাক্ত ক'লাধোঁৱাই ইয়াৰ আকাশ-বতাহ জানি তথা আৱৰি ধৰাত জলবায়ু প্ৰদূষিত হৈ পৰিছে। যাৰ বাবে অঞ্চলটোৰ বাসিন্দাসকলৰ মাজত হাঁপানী, ডায়েৰীয়া, গ্ৰহণী, হৃদৰোগ, ছালৰ বেমাৰ, চকুৰ অসুখৰ দৰে বিভিন্ন ৰোগত আক্ৰান্ত হ'বলগীয়া হৈছে। চিন্তনীয় কথা যে অঞ্চলটোৰ প্ৰায় ৮৫ শতাংশ লোকেই কৃষিৰ লগত জড়িত। এইসকলৰ জীৱিকাৰ একমাত্ৰ সম্বল কৃষি ।পথাৰৰ খেতি নহ'লে এইসকল লোকৰ কোনোপধ্যে চলাৰ বিকল্প পথ নাই। এনেক্ষেত্ৰত ইটাভাতাৰ পৰা নিৰ্গত বিষাক্ত ক'লাধোঁৱাই কৃষিজীৱী ৰাইজৰ খেতি পথাৰত প্ৰভাৱ পৰাত পথাৰৰ খেতি গছমূৰা হ'ব ধৰিছে। বাৰীৰ তামোল-পাণ, নাৰিকল আদি ফল-মূল উৎপাদন বছৰ বছৰ ধৰি কমি যোৱাত কৃষি ৰাইজ ভৱিষ্যতক লৈ চিন্তান্বিত হৈ পৰিছে। প্ৰশাসনৰ ওচৰত ৰাইজে ইটাভাতা উদ্যোগসমূহৰ ওপৰত তদন্ত সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাৰম্বাৰ দাবীৰ জনাই অহাৰ পিছতো আজিলৈ একো নোহোৱা বুলি অভিযোগ উত্থাপিত হৈছে। অচিৰে যদি চৰকাৰ-প্ৰশাসনে কোনো ব্যৱস্থা গ্ৰহণ নকৰে বৃহত্তৰ পশ্চিম দৰং অঞ্চলটো মৰুভূমি হ'বলৈ আৰু বেছি সময়ৰ প্ৰয়োজন নহ'ব বুলি ৰাইজে ক'ব খোজে। অঞ্চলটোৰ কৃষিজীৱী ৰাইজে হাতত জোলোঙা লৈ মানুহৰ ঘৰে ঘৰে, ৰাস্তা- ঘাটৰ দোকানে পোহাৰে ভিক্ষা মাগি ফুৰাৰ বাহিৰে আন একো বিকল্প পন্থা নাথাকিব। যাৰ পিছত চৰকাৰে কৰিবলৈ যে একোকে নাথাকিব।

## ড০ লক্ষ্মীনন্দন বৰাৰ মৃত্যুত নলবাৰী সাহিত্য সভাৰ শোক প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিহু, ৩ জুন ঃ** প্ৰসিদ্ধ সাহিত্যিক, শিক্ষাবিদ, বিজ্ঞানী ডঃ লক্ষ্মীনন্দন বৰাৰ দেহাৱসানত নলবাৰী জিলা সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰিছে। এই বিষয়ৰ এক শোকবাৰ্তাত নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মা আৰু সম্পাদক পংকজ বেজবৰুৱাই কয় যে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, খ্যাতিমান বিজ্ঞানী, প্ৰতিভাধৰ সাহিত্যিক ডঃ লক্ষ্মীনন্দন বৰাৰ দেহাৱসানত অসমীয়া সাহিত্য আৰু বিজ্ঞান জগতৰ এক বৰ্ণিল আৰু অনন্য অধ্যায়ৰ সামৰণি ঘটিল। সমাজত বিজ্ঞান মনস্কতাৰ পৰিৱেশ গঢ়ি তুলিবলৈ শিক্ষা, গৱেষণা আৰু সাহিত্যৰ মাজেদি তেওঁ কৰা সাধনাৰ ক্ষেত্ৰখন বাৰুকৈয়ে উকা হ'ল বুলিও নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকে দোহাৰিছে । সাহিচ্যাচাৰ্য ডঃ বসন্ত কুমাৰ ভট্টাচাৰ্য, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ডাঃ বিপিন চন্দ্ৰ কলিতা, সাংগঠনিক সম্পাদক গোবিন্দ কলিতা, নলবাৰী জিলা সাহিত্য সভাৰ উপ সভাপতি অতুল চন্দ্ৰ শৰ্মা, নলবাৰী সাহিত্য সমাজৰ সভাপতি ডঃ লীনা ডেকায়ো ডঃ লক্ষ্মীনন্দন বৰাৰ দেহাৱসানত গভীৰ শোক প্ৰকাশ কৰিছে ।

## ড° লক্ষ্মীনন্দন বৰাৰ বিয়োগত সত্ৰাধিকাৰৰ শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩ জুন ঃ** 'যাকেৰি নাহিকে উপাম' আৰু 'সেহি গুণনিধি'ৰ স্ৰষ্টা, সাহিত্য অকাডেমী বঁটাপ্ৰাপ্ত বিশিষ্ট সাহিত্যিক, গল্পকাৰ ড০ লক্ষ্মীনন্দন বৰাৰ বিয়োগত যোৰহাট জিলাৰ তিতাবৰৰ বৰঠাই কাংসপাৰ সত্ৰৰ সত্ৰাধিকাৰ ঈশ্বৰকান্ত দেৱ মহন্তই গভীৰ শোক প্ৰকাশ কৰিছে। এক শোকবাৰ্তাত সত্ৰাধিকাৰজনে শ্ৰীশ্ৰী গোপাল আতা পন্থৰ কাল সংহতিৰ শুদ্ধ সেৱক তথা স্বনামধন্য সাহিত্যিকজনৰ মহাপ্ৰয়াণ অসমীয়া সাহিত্য-সংস্কৃতি জগতৰ একবৃহৎ ক্ষতি বুলি অনুভৱ কৰে আৰু বিদেহ আত্মাৰ স্বৰ্গত চিৰশান্তি কামনা কৰে।

## ড° লক্ষ্মীনন্দন বৰাৰ মৃত্যুত সাংবাদিক পৰিষদ, অসমৰ গুৱাহাটী মহানগৰ জিলাৰ শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা,৩ জুন ঃ** 'যাকেৰি নাহিকে উপাম' আৰু 'সেহি গুণনিধি'ৰ স্ৰষ্টা, সাহিত্য অকাডেমী বঁটাপ্ৰাপ্ত বিশিষ্ট সাহিত্যিক, গল্পকাৰ ড০ লক্ষ্মীনন্দন বৰাৰ বিয়োগত সাংবাদিক পৰিষদ, অসমৰ গুৱাহাটী মহানগৰ জিলাই গভীৰ শোক প্ৰকাশ কৰিছে। এক শোকবাৰ্তাত পৰিষদৰ সভাপতি ঈশ্বৰ মহন্ত আৰু সাধাৰণ সম্পাদক মনোজ ডেকাই স্বনামধন্য সাহিত্যিক জনৰ মহাপ্ৰয়াণ অসমীয়া সাহিত্য জগতৰ একবৃহৎ ক্ষতি বুলি অনুভৱ কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# সময়ৰ সোঁতত হেৰাই যোৱাৰ উপক্ৰম গৰমৰ বন্ধৰ মাদকতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ৩ জুন ঃ** আহ। গৰমৰ বন্ধ। কি যে আনন্দ-হেঁপাহৰ দিনবোৰ। বিদ্যালয়ত নতুন শিক্ষাবৰ্ষ আৰম্ভ হোৱাৰ পিছত জুলাই মাহত গৰমৰ বন্ধ পৰে। যিটো মাহক লৈ বিদ্যালয়সমূহত অধ্যয়ণৰত ছাত্ৰ- ছাত্ৰীসকলে বিশেষভাৱে বহুদিন আগৰে পৰাই মনোযোগ দি থাকে। গৰমৰ বন্ধক লৈ ছাত্ৰ-ছাত্ৰীসকলে মনত যুগুতাই মাহটোত কি কৰিব, ক'ত যাব ইত্যাদি বিভিন্ন অঘোষিত পৰিকল্পনা। স্কুলত ছাৰ-বাইদেউসকলে জুনৰ শেষৰ দিনটোত অন্য দিনৰ বিপৰীতে সেইদিনা ৰাতিপুৱা অলপ সোনকালে স্কুললৈ নিমন্ত্ৰণ কৰে। নিৰ্দিষ্ট দিনটোত গৰমৰ বন্ধ ঘোষণা কৰাৰ আগমুহূৰ্তত মাহটোত ঘৰত কি কি লিখিব লাগিব বা কৰিব লাগিব তাক নিৰ্দেশনা দিয়াৰ পিছত বন্ধৰ দিন ঘোষণা কৰে। লগে লগে উৎসুক ছাত্ৰ-ছাত্ৰীসকলে আনন্দত কিৰিলী পাৰি উঠে। বিদ্যালয় ছুটী হোৱাৰ পিছত ইজনে সিজনৰ গালৈ চিঁয়াহী ছটিওৱা আদি কৰি আনন্দ লাভ কৰে। পিছে বৰ্তমান সময়ত জুলাই মাহৰ ত্ৰিশটা দিনত বাৰু ছাত্ৰ-ছাত্ৰীসকলে কেনেদৰে কটাইছে তাক লক্ষ্য কৰিছোনে ? বন্ধ আহিলে ভৱা হয় কিতাপ- বহীৰ গধুৰ বোজাত ভাগৰুৱা ছাত্ৰ-ছাত্ৰীসকলে যেন কিছু হ'লেও আৰাম পাব। কিন্তু তথাকথিত প্ৰতিযোগিতামূলক বস্তুবাদী সমাজ ব্যৱস্থাত প্ৰকৃতাৰ্থত ছাত্ৰ-ছাত্ৰীসকলে এনে আৰাম পাইছেনে? আধুনিকতাৰ ধামখুমিয়াত নিজৰ সন্তানক লৈ অভিভাৱকসকল নামি পৰিছে 'কেৰিয়াৰ' গঢ়াৰ স্বপ্নভৰা ব্যক্তিকেন্দ্ৰিক প্ৰতিযোগিতাত। বিদ্যালয়ৰ বিদ্যা শিক্ষাৰ বাহিৰে গীত- মাত, নৃত্য, ছবি,নাটক, প্ৰতিভা সন্ধানী আদি সকলোতে যেন সমানে আগবাঢ়িব যাব লাগে নিজৰ সন্তান গৰাকী। ইফালে অভিভাৱকসকলে দিনৰ ২৪ ঘণ্টাই যেন গীত-মাত, ছবি, নাটকৰ উপৰি টিউচন আদিৰ দৰে এশ এবুৰি শব্দৰ মাজত আবদ্ধ হৈ থকাটো বিচাৰে। যাৰ পিছত মনৰ ভাগৰুৱা বিষাদকণ দূৰ কৰিবলৈও সুৰুঙা উলিওৱাব নোৱাৰে ছাত্ৰ-ছাত্ৰীসকলে। এতিয়া আহিছো গৰমৰ বন্ধৰ দিনবোৰৰ প্ৰসঙ্গলৈ। বিদ্যালয়ত গৰমৰ বন্ধৰ মাহটোত শিক্ষক-শিক্ষয়িত্ৰীসকলে ঘৰুৱা কৰ্ম হিচাপে ৫০-১০০ খন কলপাতত লিখি নিব দিয়ে। যাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে এটা বটলত চিঁয়াহী বড়ি ঘাঁটিলৈ মাক- দেউতাক, ককাকে কাটি দিয়া ভীমকলৰ পাতত নেওঁতা, সাহিত্যৰ যুক্তাক্ষৰ লিখি শেষ কৰি সেইবোৰ স্কুল বহাৰ দিনটোলৈ জাপি সাজু কৰি ৰাখিছিল। তাৰ পিছত মাক- দেউতাকক কৈ মামা- মামী, বাইদেউ- ভিনদেউ, পেহী- পেহা, জেঠি-জেঠাহঁতৰ ঘৰত ফুৰিবলৈ যোৱাটো ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ পৰিকল্পনাৰ এক কৰ্মসূচী। মাজতে আহাৰ শাওণৰ বোকাপূৰ্ণ শস্যপথাৰলৈ গৈ বোকামাটি গচকা, গালোৱাৰ পিছে পিছে গৈ পোনামাছ ধৰা, মৈত উঠা, পথাৰৰ পৰা আহি আম, জামু, লেটেকু, পনিয়ল বিচৰা, গধূলি চোতালত ঢাৰিত মহৰ কামোৰ খাই আইতাকৰ মুখে সাধুকথা শুনা ইত্যাদিবোৰ গৰমৰ বন্ধত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন ৰুটিন। কিন্তু এইবোৰ সময়ৰ গতিত আজি নষ্টালজিয়া হৈ পৰিল। আধুনিকতাৰ ধামখুমিয়াত মানুহৰ মন- মগজু, চিন্তাধাৰাই যেন পৰিৱৰ্তন কৰিলে অতীতৰ কৰ্ম আৰু কাৰ্যসমূহক। গৰমৰ বন্ধত আজি কলপাতত লিখা, মামাকৰ ঘৰত যোৱা অতীত হ'ল। যান্ত্ৰিকতাৰ যুগত পথাৰত হালোৱাৰ পৰিৱৰ্তে ট্ৰেক্টৰেৰে মাটি চহোৱাত পথাৰত থকা মাছ-কাছ আদি একোকে নোহোৱা হৈ পৰিল। ফলত ছাত্ৰ-ছাত্ৰীসকলে আজি আহাৰ - শাওণত পথাৰলৈ গৈ ক'ত হালোৱাৰ পিছে পিছে গৈ পোনা মাছ ধৰিব। ফাউনন্টিন কলমে যেন গিলি পেলালে কলপাতত লিখাৰ মাদকতা। যাৰ পিছত তাহানি কালৰ গৰমৰ বন্ধ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক কৌতূহলসদৃশ।

### আমেৰিকা যুক্তৰাষ্ট্ৰৰ এদল গৱেষকৰ তথ্যত উন্মোচিত নতুন আতংক

# নতুন ক'ভিড হটস্পট হ'বগৈ চীন, জাপান, ফিলিপাইন আৰু থাইলেণ্ড

**নিউয়ৰ্ক, ৩ জুন ঃ** বিশ্বত অতিমাৰী ক'ভিড ভাইৰাছৰ সম্পূৰ্ণ বিনাশ বা বিলুপ্তকৰণ এতিয়াও কল্পনাৰ বিষয় হৈ আছে। অনাগত সময়ত এই ভাইৰাছে নিজৰ চাৰিত্ৰিক বৈশিষ্ট্য সলনি কৰি ভিন ভিন পৰিৱেশত সংক্ৰমণ অব্যাহত ৰাখিব। সেই অনুসৰি এই নতুন ক'ভিড ভাইৰাছৰ বাবে সংক্ৰমণৰ হটস্পট হ'বগৈ পাৰে জাপান, চীন, ফিলিপাইনছ আৰু থাইলেণ্ডৰ দৰে দেশবোৰ। এই কথা প্ৰকাশ কৰিছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ এদল গৱেষকে।



শেহতীয়াকৈ গৱেষকৰ এটা দলে বিশ্বৰ বিভিন্ন স্থানৰ তথ্য বিশ্লেষণ কৰি এনে সিদ্ধান্তত উপনীত হোৱা পৰিলক্ষিত হৈছে। এই গৱেষকৰ দলটোত আছিল কেলিফ'ৰ্নিয়া বিশ্ববিদ্যালয়, বাৰ্কলে বিশ্ববিদ্যালয়, পলিটেকনিক ইউনিভাৰচিটি অব মিলন, মেছী ইউনিভাৰচিটি অব নিউজীলেণ্ড আদিৰ একাংশ। দলটোৱে অধ্যয়ন চলাইছিল ক'ভিড ভাইৰাছে কেনেকৈ বাদুলীৰ শৰীৰৰ পৰা মানুহৰ শৰীৰলৈ সংক্ৰমিত হয় তাৰ ওপৰত। বাদুলীৰ দেহত ক'ভিড ভাইৰাছৰ উপস্থিতি সম্পৰ্কত প্ৰথমে চীনত আৰু পিছত অন্যান্য ৰাষ্ট্ৰই গৱেষণা চলাই আছিল। আনকি ২০১৯ বৰ্ষৰ ডিচেম্বৰ মাহত চীনৰ য়ুহান প্ৰদেশত প্ৰথমবাৰলৈ ধৰা পৰা ন'ভেল কৰ'না ভাইৰাছ প্ৰকৃততে বাদুলীৰ দেহৰ পৰা সংগ্ৰহ কৰি গৱেষণাগাৰত আৱদ্ধ কৰি ৰখা বুলিও চৰ্চিত হৈছিল। এই গৱেষণাগাৰৰ পৰাই ক'ভিড ভাইৰাছ মানৱ দেহলৈ সংক্ৰমিত হোৱা বুলি এতিয়াও বিশ্বৰ বহু দেশে বিশ্বাস কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰই আনকি নিজৰ গৱেষক আৰু চোৰাংচোৱা সংস্থা সমূহক এই ক'ভিড ভাইৰাছৰ প্ৰথম সংক্ৰমণৰ উৎস চূড়ান্ত কৰিবলৈ তিনিমাহৰ সময় নিৰ্ধাৰণ কৰি নিৰ্দেশনা জাৰি কৰিছিল। এনেকৈয়ে যুক্তৰাষ্ট্ৰই বিভিন্ন প্ৰকাৰৰ সংস্থাৰ জৰিয়তে ক'ভিড ভাইৰাছৰ বিষয়ত ব্যাপকভাৱে গৱেষণা চলাই আছে আৰু এই ভাইৰাছৰ ভৱিষ্যতৰ গতি আৰু প্ৰকৃতি সম্পৰ্কতো এনেধৰণৰ গৱেষণাসমূহত স্থান লাভ কৰা দেখা গৈছে। সেয়েহে এদল গৱেষকৰ তথ্যত উন্মোচিত হৈছে ভৱিষ্যতৰ বিশ্বত ক'ভিড ভাইৰাছৰ অধিক ভয়ংকৰ সংক্ৰমণৰ সম্ভাৱনা। এই গৱেষকৰ দলটোৱে জাপানৰ এটা অংশ, ফিলিপাইনছৰ উত্তৰাংশ, চীনৰ দক্ষিণ ছাংহাই অঞ্চল তথা থাইলেণ্ডৰ মধ্যভাগত ক'ভিড ভাইৰাছৰ নতুন হটস্পট হিচাপে অভিহিত কৰিব খুজিছে। যাৰ বাবে ভেকচিন আৰু চিকিৎসাই এতিয়াও ক'ভিডক নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম নোহোৱা সময়ছোৱাতে নতুনকৈ সংক্ৰমণৰ সম্ভাৱনাই পুনৰ বিশ্ববাসীক সংকটৰ মাজলৈ নিক্ষেপ কৰাতো নিশ্চিত বুলিব পাৰি।

### বুধবাৰে ভাৰতত নতুনকৈ সংক্ৰমিত হ'ল ১,৩৪,১৫৪ জন

# ২৮৮৭ জনৰ মৃত্যুৰে সৰ্বনিম্ন হ'ল৩৫ দিনৰ পিছত



**নতুন দিল্লী, ৩ জুন ঃ** দেশত ক'ভিড সংক্ৰমণৰ নিম্নমুখী ধাৰা অব্যাহত আছে। বিগত দহ দিন ধৰি ক্ৰমান্বয়ে অধোমুখী হৈছে সংক্ৰমণৰ হাৰ আৰু নিৰীখ। ২৪ ঘণ্টাৰ পুৰ্বে অৰ্থাৎ যোৱা বুধবাৰে দেশত নতুনকৈ সংক্ৰমিতৰ সংখ্যা হ'ল ১,৩৪,১৫৪ জন। আনহাতে যোৱা ৩৫ দিনৰ তুলনাত বুধবাৰে মৃত্যুৰ সংখ্যা সৰ্বনিম্ন হিচাপে পৰিগণিত হৈছে আৰু এই সংখ্যা হ'ল ২৮৮৭ জন। দেশৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ দ্বাৰা আজি পুৱা প্ৰকাশ কৰা নিয়মীয়া বুলেটিনৰ এই তথ্য সন্নিবিষ্ট হৈছে। সেই অনুসৰি বৰ্তমানলৈকে দেশত মুঠ সংক্ৰমিতৰ সংখ্যা হ'লগৈ ২,৮৪,৪১,৯৮৬জন। কালিৰ দিনটোত আৰোগ্য লাভ কৰিবলৈ সক্ষম হৈছে ২,১১,৪৯৯ জন আক্ৰান্তই। আনহাতে মৃত্যু নিম্নগামী হোৱাৰ ফলত মুঠ পৰলোকপ্ৰাপ্তি ঘটা লোকৰ সংখ্যা হ'লগৈ ৩,৩৭,৯৮৯ জন। আক্ৰান্তৰ ভিতৰত আৰোগ্যৰ শতাংশৰ হাৰ হ'ল ৯২.৭৯ শতাংশ। উল্লেখ্য যে বৰ্তমানলৈকে সমগ্ৰ দেশতে ক'ভিড টেষ্ট কৰা হৈছে ৩৫,৩৭,৮২,৬৪৮জনৰ। ভাৰতীয় চিকিৎসা গৱেষমা পৰিষদৰ তথ্য অনুসৰি বুধবাৰৰ দিনটো এনেদৰে ক'ভিড টেষ্ট কৰাৰ পৰিসংখ্যা হ'ল ২১,৫৯,৮৭৩টা। আনহাতে দেশত ক'ভিড ভেকচিন প্ৰদান কৰা হৈছে ২২,১০,৪৩,৬৯৩ ড'জ। যোৱা ২৪ ঘণ্টাত ভেকচিন প্ৰদান কৰাৰ পৰিসংখ্যা হ'ল ২৪,২৬,২৬৫ ড'জ। স্বাস্থ্য মন্ত্ৰালয়ৰ তথ্য অনুসৰি মহাৰাষ্ট্ৰত সংক্ৰমণ হ্ৰাস পাইছে। আজি স্বাস্থ্য বিভাগৰ যুটীয়া সচিবে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা তথ্য অনুসৰি ১৩ খন ৰাজ্যত ক'ভিডৰ দৈনিক সংক্ৰমণ দ্ৰুত গতিৰে হ্ৰাস পাইছে আৰু এই ৰাজ্যকেইখন হ'ল দিল্লী, ছট্টিশগড়, মহাৰাষ্ট্ৰ, পাঞ্জাৱ, ঝাৰখণ্ড আৰু উত্তৰ প্ৰদেশ। ইয়াৰ বিপৰীতে কেইখনমান ৰাজ্যত দৈনিক সংক্ৰমণ এতিয়াও উৰ্ধমুখী হৈয়ে আছে। এই ৰাজ্যকেইখন হ'ল বিহাৰ, ৰাজস্থান, হাৰিয়ানা, তামিলনাডু, অন্ধ্ৰপ্ৰদেশ, কেৰালা, কৰ্ণাটক আৰু পশ্চিমবংগ। এনেকৈ দেশৰ দ্ৰুত ক'ভিড সংক্ৰমণ এতিয়া ক্ৰমাৎ নিয়ন্ত্ৰিত হ'বলৈ লৈছে আৰু মৃত্যু তথা নতুনকৈ সংক্ৰমণ দুইটা ক্ষেত্ৰতে হ্ৰাস পাইছে পৰিসংখ্যা।

# কৰ্ণাটকত ১৪ জুনলৈ বৃদ্ধি হ'ল লকডাউন

### সংক্ৰমণৰ হাৰ আৰু গ্ৰামাঞ্চলত সংক্ৰমণ ঊৰ্দ্ধমুখী হৈ আছে

**বাংগালুৰু, ৩ জুন ঃ** কৰ্ণাটক প্ৰদেশত ক'ভিড সংক্ৰমণৰ হাৰ এতিয়াও উৰ্ধমুখী হৈ আছে। সমান্তৰালভাৱে গ্ৰামাঞ্চলত নতুনকৈ বৃদ্ধি হৈছে ভাইৰাছৰ সংক্ৰমণ। সেয়েহে ৰাজ্য চৰকাৰে অহা ১৪ জুনলৈ লকডাউন বৃদ্ধিৰ সিদ্ধান্ত সদৰী কৰিছে। অৱশ্যে এই সময়ছোৱাত সাময়িক সকাহ হিচাপে পুৱা ছয় বজাৰ পৰা দিনৰ দহ বজালৈকে বিভিন্ন দোকান-পোহাৰ আদি খুলি ৰখা হ'ব। কিন্তু দহ বজাৰ পৰিৱৰ্তে দুই বজালৈকে ব্যৱসায় প্ৰতিষ্ঠানসমূহ খুলি ৰখাৰ বাবে চৰকাৰৰ ওচৰত বিভিন্ন মহলে হেচা আৰোপ কৰা বুলি প্ৰকাশ পাইছে। ইতিমধ্যে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসভাই লকডাউন বৃদ্ধিৰ সিদ্ধান্তত অনুমোদন জনাইছে। চৰকাৰে স্পষ্ট কৰি দিছে যে যেতিয়াই সংক্ৰমণৰ হাৰ পাঁচ শতাংশৰ তললৈ নামিব আৰু দৈনিক সংক্ৰমিতৰ সংখ্যা পাঁচ হাজাৰৰ অধিক নহ'ব তেতিয়াই লকডাউন প্ৰক্ৰিয়া শিথিল কৰি দিয়া হ'ব। বিগত বৰ্ষতো বাংগালুৰুত একে অৱস্থা বিৰাজ কৰিছিল আৰু আগষ্ট, ছেপ্টেম্বৰ মাহত বৰ্ধিত সংক্ৰমণৰ বাবে প্ৰব্ৰজিত শ্ৰমিকৰ মাজত দেখা গৈছিল হাহাকাৰ পৰিস্থিতিৰ। চলিত বৰ্ষৰ এপ্ৰিল মাহৰ ২৭ তাৰিখৰ পৰা কিছু শিথিলতাৰে লকডাউন আৰম্ভ কৰিছিল যদিও দহ মে' তাৰিখৰ পৰা সমগ্ৰ ৰাজ্যজুৰি কঠোৰ লকডাউন বলবৎ কৰিছিল। সম্প্ৰতি এই লকডাউনৰ ফলত আক্ৰান্তৰ হাৰ দহ শতাংশৰ নিম্নগামী হৈছে যদিও গ্ৰামাঞ্চলত এতিয়াও ২২-২৩ হাজাৰকৈ লোক নিতৌ আক্ৰান্ত হৈছে। এই সংখ্যা দহ হেজাৰলৈ নিম্নগামী হ'লে চৰকাৰে লকডাউনৰ কঠোৰতা শিথিল কৰিব বুলি ঘোষণা কৰিছে।





*দক্ষিণ-পশ্চিম চীনৰ তিব্বত স্বায়ত্তশাসিত অঞ্চলত জিউহি জুহু নৃত্য প্ৰদৰ্শন কৰা দেখা গৈছে*

# ক'ভিডৰ ঔষধ অবৈধভাৱে মজুত ৰখাৰ কাৰণে দোষী সাব্যস্ত কৰা হৈছে গৌতম গম্ভীৰ ফাউণ্ডেচনক

**নতুন দিল্লী, ৩ জুন ঃ** প্ৰাক্তন ক্ৰিকেটাৰ গৌতম গম্ভীৰৰ নামত স্থাপন কৰা গৌতম গম্ভীৰ ফাউণ্ডেচনে ক'ভিড ৰোগীৰ বাবে ব্যৱহাৰ কৰিবলৈ অনুমোদন জনোৱা ফেবিফ্লু নামৰ ঔষধবিধ অবৈধভাৱে মজুত ৰখাৰ অভিযোগত দোষী সাব্যস্ত হৈছে। দেশৰ ডিচিজিআই অৰ্থাৎ ড্ৰাগছ কণ্ট্ৰ'লাৰ জেনেৰেল অব ইণ্ডিয়াই নিজাকৈ চলোৱা অনুসন্ধানত এই কথা প্ৰকাশ পাইছে। দিল্লী উচ্চ ন্যায়ালয়ত আজি ডিচিজিআই কৰ্তৃপক্ষই গৌতম গম্ভীৰ ফাউণ্ডেচনক দোষী সাব্যস্ত কৰি শপতনামা দাখিল কৰিছে। লগতে উক্ত ফাউণ্ডেচনৰ বিৰুদ্ধে আইনী ব্যৱস্থা ল'বৰ বাবেও ন্যায়ালয়ৰ ওচৰত দাবী জনোৱা দেখা গৈছে। ইয়াৰ উপৰিও আম আদমী পাৰ্টীৰ বিধায়ক প্ৰবীণ কুমাৰকো একে অভিযোগত দোষী সাব্যস্ত কৰা হৈছে।



তেওঁলোকে ফেবিফ্লু নামৰ ঔষধবিধ অতিৰিক্তভাৱে সংগ্ৰহ কৰি, অবৈধভাৱে মজুত ৰাখি নিজাববীয়াকৈ দিল্লীৰ একাংশ ক'ভিড ৰোগীক বিতৰণ কৰিছিল। যাৰ বাবে চিকিৎসালয়সমূহে এই ঔষধৰ নাটনি হোৱা বুলি একাংশই অভিযোগ কৰিছে। এই নাটনিৰ বিষয়টো অনুসন্ধানৰ বাবে ন্যায়ালয়ে ড্ৰাগছ কণ্ট্ৰ'লাৰ জেনেৰেল অব ইণ্ডিয়াক নিৰ্দেশ দিছিল আৰু ইয়াৰ পিছতে যোৱা সোমবাৰে সংস্থাটোৱে দাখিল কৰা প্ৰতিবেদনত গৌতম গম্ভীৰ ফাউণ্ডেচন আৰু প্ৰবীণ কুমাৰক ক্লীনশ্বীট প্ৰদান কৰিছিল। কিন্তু ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ বিচাৰপতি বিপিন সিং ছাংভি আৰু যশমিট সিঙে এইক্ষেত্ৰত আপত্তি প্ৰদান কৰে নতুনকৈ অনুসন্ধান কৰি তথ্য দাখিলৰ নিৰ্দেশ দিয়ে। ন্যায়ালয়ৰ নিৰ্দেশৰ পিছত আজি এনেদৰে ডিচিজিআই কৰ্তৃপক্ষই নিজৰ অভিমত প্ৰকাশ কৰে। আজিৰ এই প্ৰতিবেদনত ন্যায়ালয়ে সন্তুষ্টি প্ৰকাশ কৰা বুলি জানিব পৰা গৈছে। আনহাতে আম আদমী পাৰ্টীৰ অন্য এজন বিধায়ক প্ৰীতি টুমৰৰ বিৰুদ্ধেও ন্যায়ালয়ত এই বিষয়ত অনুসন্ধানৰ দাবী জনোৱা হৈছিল। এনেকৈয়ে দিল্লীত ক'ভিডৰ সংক্ৰমণ হ্ৰাস পোৱাৰ পিছত এতিয়া বিভিন্ন হৰলুকিৰ বিৰুদ্ধে কঠোৰ হৈ পৰিছেন ন্যায়ালয়।

### অন্ধ্ৰপ্ৰদেশৰ স্বাস্থ্য বিভাগৰ অমনোযোগিতা

# মৃত বুলি ঘোষিত ক'ভিড ৰোগীয়ে সুস্থ হৈ খোজকাঢ়ি পালেহি ঘৰ

**কৃষ্ণা, ৩ জুন ঃ** অন্ধ্ৰপ্ৰদেশৰ কৃষ্ণা নামৰ স্থানত সংঘটিত হৈছে এক আজৱ কাণ্ড। মুথাইলা গিৰজাম্মা নামৰ এগৰাকী বৃদ্ধা মহিলা ক'ভিড আক্ৰান্ত হৈ মৃত্যু হোৱা বুলি চিকিৎসালয়ৰ কৰ্তৃপক্ষই পৰিয়ালক অৱগত কৰিছিল। কৃষ্ণা জিলাৰ বিজয়ৱাৰা অঞ্চলত অৱস্থিত চৰকাৰী চিকিৎসালয় এখনত বৃদ্ধাগৰাকীক ভৰ্তি কৰোৱা হৈছিল। পিছত চিকিৎসালয় কৰ্তৃপক্ষই মহিলাগৰাকীৰ মৃত্যু হোৱা বুলি পৰিয়ালক অৱগত কৰিছিল আৰু ক'ভিড প্ৰট'কল অনুসৰি কৰ্তৃপক্ষই শেষকৃত্য সম্পন্ন কৰিছিল। কিন্তু মৃত্যু বুলি ঘোষণা কৰাৰ পিছতে ৭৫ বছৰ বয়সীয়া মহিলাগৰাকীয়ে হাস্পতালৰ পৰা সুস্থ হৈ খোজকাঢ়ি নিজৰ ঘৰত উপস্থিত হয়। এই ঘটনাই সমগ্ৰ অঞ্চলতোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে চিকিৎসালয় কৰ্তৃপক্ষৰ ভুলৰ বাবেই এনে ঘটনা সংঘটিত হ'বলৈ পালে। প্ৰাপ্ত তথ্য মতে যোৱা ১২ মে' তাৰিখে বৃদ্ধাগৰাকীক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল আৰু ১৫ মে' তাৰিখে তেওঁৰ মৃত্যু হোৱা বুলি পৰিয়ালক অৱগত কৰা হ'ল। ক'ভিড প্ৰট'কল অনুসৰি মৃত মহিলাগৰাকীৰ শেষকৃত্য সম্পন্ন কৰা হৈছিল। যাৰ বাবে পৰিয়ালৰ লোকসকলে শেষকৃত্য অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ সুযোগ পোৱা নাছিল। কিন্তু ৰাজ্যখনত ক'ভিড সংক্ৰমিত হৈ আৰোগ্য লাভ কৰা লোকসকলে তিনি হাজাৰ টকাৰ আৰ্থিক সাহায্য লাভ কৰে ঘৰলৈ উভতি যাবৰ সময়ত। উক্ত বৃদ্ধাগৰাকীয়েও হাস্পতালৰ পৰা তিনি হাজাৰ টকা সংগ্ৰহ কৰি নিজৰ ঘৰলৈ ৰং মনেৰে উভতি আহে। পৰিয়ালৰ লোকসকলে পিছত চিকিৎসালয় কৰ্তৃপক্ষৰ এনেধৰণৰ ভুল তথ্য আৰু অমনোযোগিতাৰ বাবে ক্ষোভ প্ৰকাশ কৰা দেখা গৈছে। কিয়নো মৃত্যু হোৱা বুলি ঘোষণা কৰাৰ পিছত পৰিয়ালৰ লোকসকলে বৃদ্ধাগৰাকীৰ মাংগলিক কাম কাজো সম্পূৰ্ণ কৰিছিল।



# ভাৰতত উৎপাদন কৰা হ'ব ফাইজাৰ, জনচন আৰু মডাৰ্ণা ভেকচিন

### বৈদেশিক সচিব, স্বাস্থ্যমন্ত্ৰী ডাঃ হৰ্ষবৰ্ধনে সংশ্লিষ্ট দেশৰ সৈতে চলাইছে আলোচনা

**নতুন দিল্লী, ৩ জুন ঃ** ভাৰত চৰকাৰৰ বৈদেশিক সচিব হৰ্ষবৰ্ধন শৃংলাই কয় যে ক'ভিশ্বিল্ড ভেকচিন যিদৰে ভাৰতত উৎপাদন কৰা হৈছে একেদৰে বিদেশৰ অন্যান্য কেবাটাও ক'ভিড ভেকচিনো অদূৰ ভৱিষ্যতে ভাৰতত স্থানীয়ভাৱে উৎপাদন কৰা হ'ব। ইয়াৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে ভাৰত চৰকাৰে যোগাযোগ আৰু আলোচনা চলাই আছে। বৈদেশিক সচিব গৰাকীয়ে উল্লেখ কৰা অনুসৰি ফাইজাৰ, জনচন এণ্ড জনচন আৰু মৰ্ডাৰ্ণা নামৰ প্ৰতিষ্ঠানকেইটাই উৎপাদন কৰা ভেকচিনসমূহ ভাৰতৰ নাগৰিকৰ ব্যৱহাৰৰ অৰ্থে ভাৰতৰ ভূমিতে উৎপাদন কৰা হ'ব। কিয়নো সমগ্ৰ বিশ্বৰ ভিতৰতে ভাৰতত সবাতোকৈ বেছি পৰিমাণে ক'ভিড ভেকচিনৰ আৱশ্যকতা আহি পৰিছে আৰু ইতিমধ্যে ভাৰতত ভেকচিন প্ৰদান প্ৰক্ৰিয়া দ্ৰুতভাৱে অব্যাহত ৰখা হৈছে। কিন্তু দেশত উৎপাদিত ভেকচিনৰ পৰিমাণ চাহিদা অনুসৰি যথাযথ হোৱা নাই যাৰ বাবে কেতবোৰ ৰাজ্যত ভেকচিনৰ নাটনি পৰিলক্ষিত হৈছে। এই নাটনি দূৰ কৰিবলৈ এতিয়া কেন্দ্ৰীয় চৰকাৰে বিদেশত প্ৰস্তুত কৰা ভেকচিন সমূহ ভাৰতৰ মাটিত উৎপাদনৰ জৰিয়তে নাটনিৰ মোকাবিলাৰ বাবে সাজু হৈছে। শৃংলাই লগতে কয় যে ৰাছিয়াৰ স্পুটনিক ভি ভেকচিন ভাৰতলৈ সীমিত পৰিমাণে আমদানি কৰা হৈছে যদিও এই ভেকচিনো ভাৰততো উৎপাদনৰ বাবে ইতিমধ্যে সিদ্ধান্ত চূড়ান্ত কৰা হৈছে। আহমেদাবাদত অৱস্থিত ডাঃ ৰেড্ডিছ লেবৰেটৰিয়ে স্পুটনিক ভেকচিন উৎপাদন কৰিবলৈ প্ৰস্তুতি চলাইছে। সেয়েহে ফাইজাৰ, জনচন এণ্ড জনচন আৰু মডাৰ্ণা ভেকচিনো অদূৰ ভৱিষ্যতে ভাৰতত স্থানীয়ভাৱে উৎপাদন কৰিব পৰাকৈ সকলো প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ চৰকাৰে প্ৰচেষ্টা চলাই থকা বুলি প্ৰকাশ কৰিছে।



# ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিনক ক্ষমতাচ্যুত কৰাৰ পদক্ষেপ

### বিৰোধী নেতা য়াৰ লেপিডৰ পত্ৰ প্ৰেৰণ ৰাষ্ট্ৰপতিলৈ

**তেলআভিভ, ৩ জুন ঃ** পেলেস্তাইনৰ গাজাস্থিত মুছলমান মৌলবাদীৰ দল হামাছৰ বিৰুদ্ধে সামৰিক অভিযান চলাই বিশ্ববাসীৰ সমৰ্থন লাভ কৰিলেও ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটাহুৱে এতিয়া নিজৰ দেশতে ৰাজনৈতিক ষড়যন্ত্ৰৰ বলি হৈছে। কিয়নো ইছলামিক সন্ত্ৰাসবাদীৰ বিৰুদ্ধে গ্ৰহণ কৰা পদক্ষেপৰ ফলত ইজৰাইলৰ বিৰোধী দলবোৰ একত্ৰিত হৈছে প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে। সেয়েহে বুধবাৰে মাজনিশা বিৰোধী দলপতি য়াৰ লেপিডে দেশৰ ৰাষ্ট্ৰপতি ৰিউভেন ৰিভলীন আৰু সংসদৰ অধ্যক্ষ য়াৰিভ লেভিনলৈ এক পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰত কোৱা হৈছে যে অচিৰেই দেশৰ চৰকাৰ সলনি হ'ব আৰু সকলোৱে লগলাগি নতুন প্ৰধানমন্ত্ৰী বাছনি কৰিব। বুধবাৰে নিশা ১১.৩৫ বজাত বিৰোধী দলৰ নেতাজনে এইকথা সংবাদ মাধ্যমৰ আগতো ব্যক্ত কৰিছে। তেওঁ কয় যে যিসমূহ লোকে চৰকাৰৰ বিৰোধিতা কৰিছিল সেইসকলো এতিয়া একগোট হৈছে। চৰকাৰী পক্ষৰ একাংশ লোকো তেওঁলোকৰ সৈতে চামিল হোৱা বুলি ব্যক্ত কৰিছে। এখন বিলাসী হোটেলত বিৰোধী দলবোৰৰ মাজত বৈঠক অনুষ্ঠিত কৰা হৈছিল আৰু বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা বুলিও ব্যক্ত কৰা হৈছে।



### পঞ্জাবত কংগ্ৰেছৰ মাজত আৰম্ভ হৈছে নতুন বিসম্বাদ

# মুখ্যমন্ত্ৰী অমৰিন্দৰ সিঙৰ বিৰুদ্ধে সৰব নৱজ্যোৎ সিং সিদ্ধু

**অমৃতসৰ, ৩ জুন ঃ** আগন্তুক ২০২২ বৰ্ষৰ আৰম্ভণিতে আছে পাঞ্জাব বিধানসভাৰ নিৰ্বাচন। ইতিমধ্যে ৰাজনৈতিক দলবোৰে বিধানসভাৰ নিৰ্বাচনৰ বাবে প্ৰস্তুতি চলোৱা দেখা গৈছে। পাঞ্জাৱত বিক্ষুব্ধ কৃষকৰ বিজেপি বিৰোধী প্ৰতিবাদে ক্ষমতা দখলৰ পথ কংগ্ৰেছৰ বাবে মসৃন কৰি তুলিছে যদিও দলটোৰ মাজত এতিয়া দেখা গৈছে নতুন বিসম্বাদ। মুখ্যমন্ত্ৰী অমৰিন্দৰ সিঙৰ মন্ত্ৰীসভাৰ পৰা প্ৰাক্তন ক্ৰিকেটাৰ তথা বিধায়ক নৱজ্যোৎ সিং সিদ্ধুৱে বছৰদিয়েক পূৰ্বে পদত্যাগ কৰিছিল। মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰিলেও কংগ্ৰেছ দলৰ আগৰণুৱা কৰ্মী হিচাপে তেওঁ কাৰ্যনিৰ্বাহ কৰি আছে। কৃষকৰ আন্দোলনৰ সময়তো তেওঁ সহযোগিতা কৰা পৰিলক্ষিত হৈছিল। সেয়েহে পাঞ্জাৱৰ কংগ্ৰেছ শিবিৰত এতিয়া নৱজ্যোৎ সিঙৰ সমৰ্থনত এক বৃহৎ অংশ ঠিয় দিয়া পৰিলক্ষিত হৈছে। পাঞ্জাৱত মুখ্যমন্ত্ৰী অমৰিন্দৰ সিং নেতৃত্বাধীন চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি ৰাইজক সেৱা কৰিব পৰা নাই বুলি স্বয়ং চৰকাৰী পক্ষৰ পৰাই অভিযোগ উত্থাপন কৰা হৈছে। শাসকীয় দলৰ একাংশ বিধায়ক, সাংসদ আৰু দলীয় নেতাই মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে সঘনে অভিযোগ দাখিল কৰিছে কংগ্ৰেছ হাইকমাণ্ডক। যাৰ বাবে সমগ্ৰ দেশত কংগ্ৰেছ এতিয়া দুৰ্বল হৈ পৰাৰ সময়ত পাঞ্জাৱৰ ক্ষমতাত অধিষ্ঠিত হৈ থকা অৱস্থাত দলীয় বিসম্বাদক নিয়ন্ত্ৰণ কৰিবলৈ হাই কমাণ্ডে তৎকালীন পদক্ষেপ লোৱা পৰিলক্ষিত হৈছে। এখন তিনিজনীয়া সমিতিৰ দ্বাৰা পাঞ্জাৱৰ বিসম্বাদীসকলৰ সৈতে আলোচনা কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই সমিতিত আছে দলটোৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা পাঞ্জাৱ প্ৰদেশৰ তত্বাৱধায়ক তথা প্ৰাক্তন মুখ্যমন্ত্ৰী হৰিষ ৰাৱত, দিল্লীৰ প্ৰাক্তন সাংসদ জে পি আগৰৱালা আৰু ৰাজ্যসভাৰ বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গে। এই তিনিজনীয়া সমিতিয়ে পাঞ্জাব প্ৰদেশৰ সকলোবোৰ সাংসদ, বিধায়ক আৰু দলীয় নেতাসকলৰ সৈতে বৈঠকত মিলিত হ'ব। ৰাইজৰ ওচৰত দলটো একত্ৰিত হৈ থকাৰ বাৰ্তা প্ৰেৰণৰ বাবে প্ৰচেষ্টা চলাব। ইতিমধ্যে বিসম্বাদী গোটৰ নেতা সিদ্ধু, প্ৰগৎ সিং আদিৰ বিৰুদ্ধে দলে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ সম্ভাৱনাও নুই কৰা নাই। কিয়নো যিকোনো পৰিস্থিতিতে পাঞ্জাৱৰ বিসম্বাদী কাৰ্যকলাপ ৰোধ কৰিবলৈ কংগ্ৰেছৰ শীৰ্ষ নেতৃত্ব তৎপৰ হৈ পৰা দেখা গৈছে।



# মংগল গ্ৰহত বাসস্থানৰ অধ্যয়ন দ্ৰুততৰ কৰিছে নাছাই

### ১০০ কোটি আমেৰিকান ডলাৰৰ পুঁজি কৰিব ব্যয়

**ৱাশ্বিংটন, ৩ জুন ঃ** আমেৰিকাৰ মহাকাশ গৱেষণা সংস্থা চমুকৈ নাছাই গ্ৰহণ কৰিছে এক অভিলাষী প্ৰকল্প। দুটা বিশেষ বিষয়ত অধ্যয়নৰ বাবে ১০০ কোটি মাৰ্কিন ডলাৰ ব্যয় কৰিবলৈ সাজু হৈছে। পৃথিৱীৰ উপৰিও এই ব্ৰহ্মাণ্ডত বসবাস যোগ্য স্থানৰ সন্ধানত ব্যয় কৰা হ'ব এই বৃহৎ ধনৰাশি। নাছাৰ দৃষ্টিত প্ৰথমেই পৰিছে মংগল গ্ৰহ। ইতিমধ্যে মংগল গ্ৰহৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ অধ্যয়নৰ বাবে বহুবাৰ চেষ্টা চলাই থকা হৈছে। কিছু পৰিমাণে তথ্য আহৰণ কৰা হৈছে। বিভিন্ন কৃত্ৰিম উপগ্ৰহৰ জৰিয়তো ফটো সংগ্ৰহ কৰা আৰু উপগ্ৰহটোত থকা বায়ু মণ্ডলৰ বিষয়েও তথ্য সংগ্ৰহ কৰি অধ্যয়ন চলোৱা হৈছে। উল্লেখ্য যে পৃথিৱীত জৈৱ বৈচিত্ৰ্য বিলুপ্ত হোৱাৰ আশংকা বৃদ্ধি পাইছে আৰু বিভিন্ন পাৰিপাৰ্শ্বিক ভাৰসাম্যহীনতাই উত্তাপ বৃদ্ধিৰ জৰিয়তে গছ-গছনি, জীৱ-জন্তু আদিৰ ভৱিষ্যতৰ প্ৰতি সংকট নমাই আনিছে। ইয়াৰ বাবেই এক বিকল্প বাসস্থান বিচাৰি উলিয়াবলৈ দ্ৰুতভাৱে অভিযানত নামিথে আমেৰিকাৰ মহাকাশ বিজ্ঞানীসকলে।





*চীনৰ ছাংহী প্ৰদেশত এক হ্ৰদত দেখা গৈছে প্ৰব্ৰজিত মনোমোহা পক্ষীৰ উপস্থিতি*

# টংলাৰ কবি, শিক্ষয়িত্ৰী নীলিমা শইকীয়া বৰুৱাৰ ক'ভিডত মৃত্যু



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ৩ জুন ঃ** গুৱাহাটী জালুকবাৰীৰ ধাৰাপুৰৰ ৰামধন বৰুৱাৰ পত্নী কবি, শিক্ষয়িত্ৰী নীলিমা শইকীয়া বৰুৱাৰ কালি নিশা আয়ুৰসূন্দ্ৰা হাস্পতালত চিকিৎসাধীন অৱস্থাতে মৃত্যুক সাৱটি লয়। টংলা পুৰন্দীয়া নিবাসী সিন্ধুৰাম শইকীয়া আৰু ক্ষিতেশ্বৰী শইকীয়াৰ জীয়ৰী নীলিমাই স্বামীৰ কৰ্মসূত্ৰে টংলা জলসিঞ্চন কল'নীত বহু বছৰ ধৰি বসবাস কৰিছিল। অসম সাহিত্য সভাৰ আজীৱন সভ্য, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতিৰ সদস্য, টংলাৰ বোৱাৰী বিহু সন্মিলন, টংলা লেখিকা সমাৰোহ আদি বহুতো অনুষ্ঠানৰ স'তে জড়িত নীলিমাই ওদালগুৰি জিলাৰ ডিমাকুছিস্থিত চিকাৰী বাংলা মধ্য ইংৰাজী বিদ্যালয়ত হিন্দী বিভাগৰ শিক্ষয়িত্ৰী হিচাপে কৰ্মৰত আছিল। কবি হিচাপেও আত্মপ্ৰকাশ কৰা নীলিমা কলা সংস্কৃতিৰো পূজাৰী আছিল। বিশিষ্ট গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী প্ৰফুল্ল কুমাৰ বৰুৱাৰ সতে কেবাটাও গীতত কণ্ঠ নিগৰাইছিল। 'স্মৃতিৰ কৰণিত সৰি পৰা ফুল' শীৰ্ষক এখনি কাব্যপুথি ৰচনা কৰি থৈ যোৱা নীলিমাই টংলাৰ লগতে গুৱাহাটীৰ বিভিন্ন সাহিত্য- সংস্কৃতিমূলক অনুষ্ঠানৰ সতে মৃত্যুৰ আগমুহূৰ্তলৈকে জড়িত হৈ পৰিছিল। তেওঁৰ মৃত্যুত অসম সাহিত্য সভাৰ সম্পাদক প্ৰধান যাদৱ চন্দ্ৰ শৰ্মা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতিৰ সম্পাদক ড° হৰিৰাম দাস, টংলা সাহিত্য সভা, ওদালগুৰি জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা (পশ্চিম)ৰ সভাপতি হেমন্ত বৰা কোচ ,পুৰন্দীয়া সাহিত্য সভা, টংলা লেখিকা সন্থা, টংলা বোৱাৰী বিহু সন্মিলন, টংলা কবি সন্মিলন, টংলা শিল্পী সমাজ আদিয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। নীলিমা শইকীয়া বৰুৱা (৫০)ই মৃত্যুৰ সময়ত স্বামী, দুই পুত্ৰ-বোৱাৰী, নাতি-নাতিনী তথা গুণমুগ্ধক ইহ জগতত এৰি থৈ যায়।



এআইইউপিএফৰ বিধায়ক চিৰাজুদ্দিন আজমলক শপত বাক্য পাঠ কৰোৱাইছে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে

# সোণতলীত আৰক্ষীৰ জালত কুখ্যাত জাল নোটৰ ব্যৱসায়ী জয়নাল আব্দিন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৩ জুন ঃ** দক্ষিণ কামৰূপ জিলাৰ বকো সমষ্টিৰ সোনতলীৰ পানীখাইতি গাঁৱৰ জয়নাল আব্দিন নামৰ কুখ্যাত জাল নোট ব্যৱসায়ীক ৫০ হাজাৰ জাল নোটসহ মঙ্গলবাৰে মাহতলী বজাৰত সোনতলী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। সোনতলী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অৰ্জুন তালুকদাৰে গোপন সূত্ৰৰ পম খেদি সন্ধিয়া মাহতলী বজাৰত দীৰ্ঘদিনৰে পৰা জাল নোটৰ ব্যৱসায় চলাই অহা জয়নাল আব্দিনক গ্ৰেপ্তাৰ কৰে। ইতিপূৰ্বে জাল নোট সৰবৰাহ কৰি জয়নাল আব্দিনে জেলৰ ভাত খাবলগীয়া হৈছিল। ব্যৱসায়ীজনৰ পৰা আৰক্ষীয়ে ৫০০ টকীয়া ১০০খন জাল নোট উদ্ধাৰ কৰে। যোৱা ২৭ মে' তাৰিখত সোনতলী আৰক্ষীয়ে আটকাধীন জয়নাল আব্দিনৰ ঘৰত অভিযান চলাবলৈ গৈ আক্ৰমণৰ বলি হ'বলগীয়া হৈছিল আৰক্ষী। কুখ্যাত জাল নোট ব্যৱসায়ী জয়নাল আব্দিনৰ বিৰুদ্ধে সোনতলী আৰক্ষীয়ে নিজাববীয়াকৈ ৪৪৫যং১ নম্বৰত (আই পি এছ ৮৯য৩৩৩য৩৪১)গোচৰ ৰুজু কৰিছে। আটকাধীন লোকজনক সোনতলী আৰক্ষীয়ে সোধ-পোছ কৰি জাল নোটৰ ব্যৱসায়ৰ সৈতে বৃহৎ চক্ৰ জড়িত থকাৰ তথ্য লাভ কৰিছে বুলি জানিবলৈ দিয়ে। উল্লেখ্য যে সামাজিক মাধ্যমত একাংশই সোনতলী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গৰাকীৰ লগত ড্ৰাগছ মাফিয়া আৰু জাল নোট ব্যৱসায়ীৰ লগত মধুৰ সম্পৰ্ক থকাৰ বাবে মৌনতা অৱলম্বন কৰা বুলি অভিযোগ উত্থাপন কৰিছে। পিছে সোনতলী আৰক্ষীয়ে ড্ৰাগছ মাফিয়া আৰু জাল নোট ব্যৱসায়ীৰ বিৰুদ্ধে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া সময়েহে হ'ব লক্ষণীয়।

# নাজিৰাৰ শিমলুগুৰি আৰক্ষীৰ জালত তিনি ড্ৰাগছ সৰবৰাহকাৰী, ডাম্পাৰ জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৩ জুন ঃ** বুধবাৰে নাজিৰা মহকুমাৰ শিমলুগুৰি আৰক্ষীয়ে তিনিজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। লগতে শিমলুগুৰি আৰক্ষীয়ে এজন চালকৰ লগতে এএছ এল চি -৮৫৭২ নম্বৰৰ এখন শিল পৰিবাহী ডাম্পাৰ জব্দ কৰে। ঘটনা সন্দৰ্ভত জানিব পৰা মতে বুধবাৰে আবেলি প্ৰায় ২-৩০ বজাত শিমলুগুৰি আৰক্ষীয়ে বগৰীগুৰিত ৰমণী আলিয়েদি অসম নগালেণ্ড সীমান্তৱৰ্তী বিহুবৰ দিশৰ পৰা শিমলুগুৰিৰ দিশে আহি থকা এখন ডাম্পাৰ সন্দেহবশত শিমলুগুৰি আৰক্ষীয়ে ৰ'বলৈ ইংগিত দিয়ে। ডাম্পাৰখন ৰখোৱাৰ পিছত ডাম্পাৰখনৰ পিছফালে উঠি অহা যুৱকত্ৰয়ে আৰক্ষীলৈ শিলগুটি নিক্ষেপ কৰে। আৰক্ষীয়ে যুৱককেইজনক ডাম্পাৰৰ পৰা নমাই আনি ৰাজপথত আঠু কঢ়াই তন্নতন্নকৈ তালাচী চলোৱাত এজন যুৱকে পিন্ধি থকা কপোৰত লুকুৱাই থোৱা অৱস্থাত ড্ৰাগছৰ এটা সৰু কন্টেইনাৰ উদ্ধাৰ কৰে। পৰৱৰ্তী সময়ত আৰক্ষীয়ে তিনি যুৱক ক্ৰমে শিৱসাগৰ থানামুখৰ মনু সিং, শিৱসাগৰ দৰিকাপাৰৰ বিতু মেছ, নাজিৰা নগৰৰ বাপুজী পথৰ প্ৰদীপ চাহু আটক কৰে। আৰক্ষীৰ সন্মুখত বিহুবৰৰ জনৈক ৰাজকুমাৰ নামৰ এজন যুৱকৰ পৰা ড্ৰাগছ ক্ৰয় কৰা বুলি জানিবলৈ দিয়ে। আনহাতে বিহুবৰৰ পৰা শিল কঢ়িওৱা ডাম্পাৰখনৰ চালকজনে জানিবলৈ দিয়ামতে যুৱককেইজনে আধা বাটৰ পৰা ডাম্পাৰখনত উঠি আহিছিল আৰু যুৱককেইজনে ড্ৰাগছ সৰবৰাহ কৰা বুলি চালকজনে গম পোৱা নাছিল। আনহাতে ধৃত যুৱককেইজনক শিমলুগুৰি আৰক্ষীয়ে সোধ পোচ কৰাৰ অন্তত যুৱককেইজন সম্পূৰ্ণৰূপে ড্ৰাগছ আসক্ত যুৱক বুলিও স্পষ্ট হৈ পৰে। যুৱককেইজনক ৰাজকুমাৰে আধাবাটলৈকে আগবাঢ়ি আহি যুৱকেইজনক ১৫শ টকাৰ বিনিময়ত এটা কন্টেইনাৰ হাতত গুজি দি আতৰি যায়। ইফালে আৰক্ষীয়ে ইতিমধ্যে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখি অসম নগালেণ্ড সীমান্তৱৰ্তী বিহুবৰৰ বিভিন্ন স্থানত অভিযান চলাই ড্ৰাগছ ব্যৱসায়ী ৰাজকুমাৰক আটক কৰিবলৈ সক্ষম হয়। বাতৰি লিখা পৰলৈকে আৰক্ষীয়ে সীমান্তৱৰ্তী অঞ্চলটোত অভিযান অব্যাহত ৰাখিছে।

# ক'ভিডত আক্ৰান্তজনৰ ওচৰত কলাইগাঁও ঐক্যমঞ্চ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ৩ জুন ঃ** কৰ'না মহামাৰিয়ে সমগ্ৰ ৰাজ্যখনত ভয়াৱহতা সৃষ্টি কৰাৰ সময়তে ইয়াক নিয়ন্ত্ৰণৰ কাৰণে চৰকাৰে যি সান্ধ্য আইন আৰু তলাবন্ধৰ নিয়ম জাৰি কৰিছে তাৰ ফলত দৰিদ্ৰৰ সীমা ৰেখাৰ তলত থকা সাধাৰণ ৰাইজৰ অৱস্থা দিনে দিনে শোচনীয় হৈ পৰিছে। আনহাতে দিন হাজিৰা কৰা নাইবা ক্ষুদ্ৰ ব্যৱসায়ীসকল কৰ'নাত আক্ৰান্ত হৈ ঘৰতে আবদ্ধ থকাৰ ফলত তেওঁলোকৰ উৰ্পাজনৰ পথ বন্ধ হৈ পৰিছে। তদুপৰি কন্টেইনমেন্ট জ'নত থকা লোকসকলক বাহিৰলৈ ওলোৱা সোমোৱাত বাধা দিয়াত বহু পৰিয়ালৰ খাদ্যৰ নাটনি হৈছে। কলাইগাওঁৰ উত্তৰ বোক্ৰাঝাৰ গাঁৱৰ এনে বহু লোক কৰ'ণাত আক্ৰান্ত হৈ কোৱাৰেনটাইন জ'নত আবদ্ধ হৈ আছে । চাৰি পাছদিনে আবদ্ধ হৈ থকা এই লোক সকলক আজি কলাইগাও ঐক্যমঞ্চই অভাৱ অভিযোগ বুজ লোৱাৰ লগতে কিছু খাদ্য-সামগ্ৰী বিতৰণ কৰে। ঐক্য মঞ্চৰ সভাপতি মুকুট ৰাজ শৰ্মা, উপ সভাপতি মুছাদ্দিক হুছেইন আৰু সাধাৰণ সম্পাদক পূৰ্বজ্যোতি মেধিৰ নেতৃত্বত যোৱা এটি সজাতি দলে নিত্য ব্যৱহাৰ্য্য চাউল, দাইল, চেনী চাহপাট, মিঠাতেল, আলু আদি পৰিয়ালসমূহক প্ৰদান কৰে। আনহাতে বুধবাৰৰ পৰা বৃহত্তৰ কলাইগাঁও অঞ্চলৰ কেইবাখনো গাঁৱৰ কোৱাৰেনটাইন জ'নত থকা পৰিয়াললৈ খাদ্য-সামগ্ৰী বিতৰণ কৰা হ'ব বুলি ঐক্যমঞ্চৰ সভাপতি মুকুট ৰাজ শৰ্মাই জানিব দিয়ে।

# ধেমাজি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অনলাইন প্ৰশিক্ষণ শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ৩ জুন ঃ** ধেমাজি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত গুৱাহাটীৰ VisionQ (প্ৰশিক্ষণ কেন্দ্ৰ)ৰ সহযোগত ছাত্ৰ-ছাত্ৰীসকলে অসামৰিক সেৱা পৰীক্ষা লগতে প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত অৱতীৰ্ণ হব পৰাকৈ সহায়ৰ বাবে অহা ৫ জুন পৰা ২৪ জুনলৈ দিনৰ ২ বজাৰ পৰা ৪ বজালৈ দুঘন্টীয়া অনলাইন প্ৰশিক্ষণ শিবিৰ দিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জানিব পৰা গৈছে। ধেমাজি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি জয়ন্ত বৰগোঁহাই আৰু সাধাৰণ সম্পাদক কৰুণ জ্যোতি চেতিয়াই ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলক তলত উল্লেখিত নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে। যোগাযোগ নম্বৰ- ৭০০২৩৩৪৩৯২, ৬০০১৯৩৭৩৬৬, ৬০০০৪৯৫৪১৫।

# মুদৈজানত পথ দুৰ্ঘটনাত নিহত ২

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৩ জুন ঃ** যোৰহাট জিলাৰ টীয়ক আৰক্ষী থানাৰ অন্তৰ্গত মুদৈজান তিনিআলিৰ সমীপত বুধবাৰে বিয়লি এক ভয়ংকৰ পথ দুৰ্ঘটনাত সংঘটিত হয়। জানিব পৰা মতে শিৱসাগৰ অভিমুখী এন এল ০৭ এ ০৪৪৭ নম্বৰৰ ট্ৰাক আৰু বিপৰীত দিশৰ পৰা অহা এ এচ ২৫ বি চি ১৯০৪ নম্বৰৰ টাটা এ চিখনৰ সৈতে হোৱা মুখামুখি সংঘৰ্ষৰ ফলত এ চি খনৰ হেণ্ডিমেনসহ চালকজনৰ থিতাতে মৃত্যু হয় । নিহত লোক দুজনৰ ঘৰ জাগীৰোডত বুলি জানিব পৰা গৈছে যদিও এই পৰ্যন্ত নিহত যুৱকদ্বয়ৰ নাম চিনাক্ত কৰণ হোৱা নাই। ইতিমধ্যে টীয়ক আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ দুটা মৰণোত্তৰৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে।

# নাজিৰাত মহকুমাধিপতি সব্যসাচী কাশ্যপৰ জ্যেষ্ঠ নাগৰিকৰ সৈতে মত-বিনিময়

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৩ জুন ঃ** নাজিৰা মহকুমাৰ নৱনিযুক্ত মহকুমাধিপতি সব্যসাচী কাশ্যপে বুধবাৰে মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত মহকুমাটোৰ ভালেসংখ্যক জ্যেষ্ঠ নাগৰিকৰ লগত এখন বৈঠকত মিলিত হয়। বৈঠকত মহকুমাধিপতি গৰাকীক জ্যেষ্ঠ নাগৰিক সকলে সম্বৰ্ধনা তথা উষ্ম আদৰণি জনায়। মহকুমাধিপতি গৰাকীয়ে উপস্থিত জ্যেষ্ঠ নাগৰিক সকলৰ আশিস বিচাৰি বৈঠক আৰম্ভ কৰে। জ্যেষ্ঠ নাগৰিকসকলে উক্ত বৈঠকত মুখ্যতঃ উন্নতমানৰ নলা-নৰ্দমাৰ ব্যৱস্থা, জাবৰ জোথৰৰ নিষ্কাশণৰ লগতে ৰাজহুৱা পাৰ্কিংৰ ব্যৱস্থা, প্ৰাকৃতিক গেছ ভিত্তিক শ্মশানশালীৰ পুনৰ নিৰ্মাণৰ ব্যৱস্থা আদিৰ সু-ব্যৱস্থা কৰাৰ বাবে আহ্বান জনোৱাৰ লগতে দিখৌ নদীৰ ওপৰত এখন বিকল্প দলঙৰ ব্যৱস্থা কৰাৰ বাবে মহকুমাধিপতিগৰাকীক অনুৰোধ জনায়। মহকুমাধিপতি গৰাকীয়ে জ্যেষ্ঠ নাগৰিক সকলৰ লগত মত-বিনিময় কালত তেওঁলোকৰ অসুবিধা- সমস্যা আদিৰ বিষয়ে বিস্তৃতভাৱে বুজ লোৱাৰ লগতে এইসমূহৰ আশু সমাধানৰ বাবে যথা সম্ভৱ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশ্বাস প্ৰদান কৰে। উক্ত বৈঠকত মহকুমাধিপতি গৰাকীয়ে জ্যেষ্ঠ নাগৰিকসকলক মহকুমাটোৰ সৰ্বাংগীণ উন্নয়নৰ বাবে মহকুমা প্ৰশাসনক প্ৰয়োজনীয় সহায়- সহযোগিতা আগবঢ়াবলৈ আৰু ইতিবাচক পৰামৰ্শ আগবঢ়াবলৈ আহ্বান জনায়। বৈঠকত তথ্য আৰু জনসংযোগ বিষয়া বৰ্ণালী দত্তও উপস্থিত থাকে। উল্লেখ্য যে জ্যেষ্ঠ নাগৰিক সকল মহকুমাধিপতি সব্যসাচী কাশ্যপৰ গঠনমূলক কাম কাৰ্যত তেওঁলোকৰ দিহা পৰামৰ্শৰে সৰ্বতোপ্ৰকাৰ সহযোগ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে আৰু তেওঁক তেওঁৰ কাৰ্য্যকালৰ বাবে আন্তৰিক শুভকামনা যাচে।

# জাগীৰোডৰ পশ্চিম নগাঁও আৰু মিলনপুৰত বন্যহস্তীৰ তাণ্ডৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাগীৰোড, ৩ জুন ঃ** সম্প্ৰতি দিনক দিনে সংকুচিত হৈ আহিছে বনাঞ্চল । কাৰণ চলিছে বনজ সম্পদৰ ধ্বংসযজ্ঞ । যাৰ ফলত বিলাই বিপত্তি নোহোৱা হৈছে বন্যপ্ৰাণীৰ । আজি নিশা পশ্চিম নগাঁৱত বন্যহস্তীয়ে চলায় তাণ্ডৱ। বনাঞ্চলৰ পৰা জনাঞ্চললৈ ঢাপলি মেলা এটা হাতীয়ে গাঁৱখনৰ লোকৰ গৃহৰ লগতে ধানৰ ভৰাল আদি ভাঙি লণ্ডভণ্ড কৰে । স্থানীয় লোকে হাতী খেদাৰ চেষ্টা কৰে যদিও নিশাটো বন্যহস্তীটোৱে ভৰালৰ ধান খাই পুৱাহে বনাঞ্চললৈ গুছি যায় । লগতে মিলনপুৰটো বন্যহস্তীয়ে চলাই তাণ্ডৱ । ঘৰৰ চৌহদৰ বেৰ, গছ গছনি ভাঙি চুড়মাৰ কৰি হাতীয়ে খাই যায় গছৰ কঠাল । মুঠতে বন্যহস্তীয়ে নিদ্ৰাহৰণ কৰি আহিছে দুয়োখন গাঁৱৰ লোকক। খাদ্যৰ সন্ধানৰ উপৰিও মেঘালয়ৰ একাংশ চোৰাং চিকাৰীয়ে বন্যহস্তী নিধন কৰি মাংস ভক্ষণ কৰাৰ বাবে বন্যহস্তীয়ে জনাঞ্চললৈ ঢাপলি মেলাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয়ই। তাৰ পৰিপ্ৰেক্ষিততো নিৰ্বিকাৰ ভূমিকা গ্ৰহণ কৰি আছিহে বন বিভাগে ।

# বিশ্বনাথ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ কাম-কাজ

## সপ্তাহত দুদিন বহিব বিষয়া ঃ এজন কাৰ্যালয় সহায়কে চোৱাচিতা কৰিব কাম

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৩ জুন ঃ** বুধবাৰৰ পৰা বিশ্বনাথ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয় আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ কাম-কাজ অস্থায়ীভাৱে বিশ্বনাথ মহকুমা বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শকৰ কাৰ্যালয়ত আৰম্ভ হয়। বুধবাৰে বিশ্বনাথ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু ভাৰপ্ৰাপ্ত জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ দায়িত্ব গ্ৰহণ কৰে শোণিতপুৰ জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক তৰুণ বৰাই। বিশ্বনাথ মহকুমা বিদ্যালয়ৰ এটা কোঠাত আজি অনাড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত এক অনুষ্ঠানত ভাৰপ্ৰাপ্ত বিশ্বনাথ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা প্ৰাথমিক জিলা শিক্ষা বিষয়া তৰুণ বৰাই শিক্ষকসকলে সুবিধাৰ বাবে জিলা পৰ্যায়ৰ কাৰ্যালয় দুটাৰ কাম-কাজ বৰ্তমান বিশ্বনাথ মহকুমা উপ পৰিদৰ্শকৰ কাৰ্যালয়ত হব আৰু ইয়াৰ বাবে কাৰ্যালয় টোত এজন কাৰ্যালয় সহায়ক আৰু এজন চতুৰ্থ বৰ্গৰ কৰ্মচাৰী নিয়োগ কৰা হ'ব বুলি জানিবলৈ দিয়ে। বিষয়াগৰাকীয়ে এই ক্ষেত্ৰত শিক্ষক সকলৰ লগতে শিক্ষকসকলৰ সহযোগিতা কামনা কৰে। অনুষ্ঠানৰ আৰম্ভণিতে ভাৰপ্ৰাপ্ত বিশ্বনাথ মহকুমা বিদ্যালয়সমূহৰ উপ পৰিদৰ্শক কৰুনকান্ত ভট্ট আৰু শিক্ষক সংগঠনৰ প্ৰতিনিধিয়ে বিষয়াগৰাকীক ফুলাম গামোচাৰে আদৰণি জনায়। জিলা আঁচনি বিষয়া মনোজ গোহাঁই, বিশ্বনাথৰ বিদ্যালয় সমূহৰ উপ পৰিদৰ্শক কৰুণাকান্ত ভট্ট, বিহালিৰ খণ্ড শিক্ষা বিষয়া নব ৰত্ন কাকতি, নদুৱাৰ খণ্ডৰ সঃ পৰিদৰ্শক পিটাৰ চৌধুৰী, বিশ্ব নাথৰ অৱসৰ প্ৰাপ্ত পৰিসংখ্যা সহায়াক হেমন্ত শইকীয়া, বিশ্বনাথ জিলা কৰ্মচাৰী পৰিষদৰ বিদ্যুৎ শৰ্মা, হাইস্কুল শিক্ষক সন্থাৰ প্ৰদুত হাজৰিকা, ৰিদুল দাস, চিত্ৰ পৌৰেল, লাবণ্য দেৱী, মাধ্য ইংৰাজী বিদ্যালয় ৰ সভাপতি বিজয় ৰিজাল সম্পদক,প্ৰসন্ন বৰকটকী, প্ৰদীপ হেমৰাম আদি আদিয়ে অংশ গ্ৰহণ কৰে। শিক্ষা বিষয়া তৰুণ বৰাই উপ-পৰিদশকৰ কাৰ্যালয় চৌহদত এটি গছ পুলি ৰোপণ কৰে।

# মঙলদৈৰ বিভিন্ন সংগঠন-উপায়ুক্তৰ কাৰ্যালয়ৰ বিষয়াৰ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ বৰঙণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ৩ জুন ঃ** সম্প্ৰতি সমগ্ৰ বিশ্বৰ লগতে আমাৰ ৰাজ্যতো ভয়াৱহ ৰূপ ধাৰণ কৰা ক'ভিড-১৯ মহামাৰী প্ৰতিৰোধৰ বাবে ভেকচিন প্ৰদান কাৰ্যসূচীত জনসাধাৰণক জড়িত হ'বলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জনোৱা আহ্বানৰ প্ৰতি সহাৰি জনাই আজি দৰং জিলাৰ বিভিন্ন সংগঠন, উপায়ুক্তৰ কাৰ্যালয়ৰ বিষয়া আৰু বিশিষ্ট ব্যক্তিয়ে উপায়ুক্তৰ ওচৰত মুখ্যমন্ত্ৰীৰ সাহাৰ্য পুঁজিলৈ প্ৰায় ৬ লাখ টকাৰ বৰঙনি প্ৰদান কৰে। জিলাখনৰ বিভিন্ন অনুষ্ঠান, সংগঠনৰ প্ৰতিনিধিৰ উপস্থিত দৰঙৰ অতিৰিক্ত উপায়ুক্ত পংকজ কুমাৰ ডেকাৰ সঞ্চালনাত অনুষ্ঠিত সাহাৰ্য প্ৰদান অনুষ্ঠানত অতিৰিক্ত উপায়ুক্তদ্বয় ক্ৰমে সঞ্জীৱ কুমাৰ বৰা আৰু পল্লৱী কছাৰী, মঙলদৈ পৌৰসভাৰ কাৰ্যবাহী বিষয়া কমলজিৎ শৰ্মা, সহায়ক আয়ুক্ত মনিকা বৰগোহাঁই, সীমান্ত বসুমতাৰী, ৰিণি হাজৰিকা, কাশ্যপী কাশ্যপ, জিলা তথ্য আৰু জনসংযোগ বিষয়া অয়ন হাজৰিকা, মঙলদৈৰ বিশিষ্ট উদ্যোগপতি মুকুল চন্দ্ৰ ডেকা মঙলদৈ সনাতন ধৰ্মসভাৰ সভাপতি তথা মঙলদৈ নগৰ সমবায় বেংকৰ সভাপতি হৰিৰাম চহৰীয়া, দৰং জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকা আৰু সাধাৰণ সম্পাদক কুলেন চন্দ্ৰ ডেকা, এছআৰডিৰ সঞ্চালক সম্ৰাট ডেকা, বিশিষ্ট ব্যৱসায়ী কিৰিতি বৰা আদি উপস্থিত থাকে। উক্ত অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ সাহাৰ্য পুঁজিলৈ বৰঙণি আগবঢ়াই ক্ৰমে— এছআৰডি গ্ৰুপে ২ লাখ, মঙলদৈ বনিক সন্থাই ১ লাখ, দৰঙৰ উপায়ুক্তৰ কাৰ্যালয়ৰ বিষয়াই ৬৫ হাজাৰ, মঙলদৈ সনাতন ধৰ্মসভাই ১০ হাজাৰ, মঙলদৈ নগৰ সমবায় বেংকে ২০ হাজাৰ, খাৰুপেটীয়া পাইকাৰী গেলামাল সন্থাই ২৫ হাজাৰ, খাৰুপেটীয়া ৰাইচ মিল সন্থাই ১৫ হাজাৰ, ৰামকৃষ্ণ কটেজ ইণ্ডাষ্টিয়ে ১১ হাজাৰ, খাৰুপেটীয়া বিনায়ক উদ্যোগে ১১ হাজাৰ, বিশিষ্ট ব্যৱসায়ী সঞ্জয় আগৰৱালাই ৪০ হাজাৰ, মহেন্দ্ৰ জৈনে ১১ হাজাৰ, হনুমান অইল ইণ্ডাষ্টিয়ে ১১ হাজাৰ, খাৰুপেটীয়া অইল মিল আৰু হীৰা চক্ৰৱৰ্তীয়ে ৩ হাজাৰ টকাকৈ বৰঙণি প্ৰদান কৰে। উপায়ুক্তৰ হৈ বৰঙণিৰ চেক্ আৰু ড্ৰাফ্‌টসমূহ গ্ৰহণ কৰে অতিৰিক্ত উপায়ুক্ত পংকজ কুমাৰ ডেকাই আৰু অনুষ্ঠানটিৰ আঁত ধৰে মঙলদৈ প্ৰেছ ক্লাবৰ মুখ্য উপদেষ্টা ৰাজেন্দ্ৰ নাথ হাজৰিকাই।



খৰিৰ বোজা লৈ দুগৰাকী মিচিং সম্প্ৰদায়ৰ দুগৰাকী মহিলা, ঢকুৱাখনাত বৃহস্পতিবাৰে

# গোলাঘাট জিলাভিত্তিত অনলাইন আৰ্হি আৰু ৰচনা প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ৩ জুন ঃ** নুমলীগড় উচ্চ মাধ্যমিক বিদ্যালয় উদ্যোগত আগন্তুক বিশ্ব পৰিৱেশ দিৱস উপলক্ষে অহা ৪ জুনত জিলা ভিত্তিত বিজ্ঞান আৰু গণিত বিষয়ৰ অন লাইন আৰ্হি প্ৰতিযোগিতা আয়োজন কৰা হৈছে। প্ৰতিযোগিতাখনি এটা শাখাত অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ মাজত অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিছে। ইচ্ছুক প্ৰতিযোগীক ৮৬৩৮৩৮৫৪৩১ ফোন নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছ। ইফালে নুমলীগড় উচ্চ মাধ্যমিক বিদ্যালয়ৰ উদ্যোগত গোলাঘাট জিলা ভিত্তিত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে অনলাইন ৰচনা প্ৰতিযোগিতা পঞ্চম, ষষ্ঠ আৰু সপ্তম শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীৰ মাজত আয়োজন কৰিছে। ইচ্ছুক প্ৰতিযোগীয়ে ৮৬৩৮৪৪৬৯০০ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি উদ্যোক্তাৰ তৰফৰ পৰা জানিবলৈ দিছে।

# তামুলপুৰৰ বিধায়ক প্ৰয়াত লেহো ৰাম বড়োৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৩ জুন ঃ** শিশু শিক্ষা সমিতি অসমৰ দ্বাৰা পৰিচালিত শংকৰদেৱ বিদ্যা নিকেতন তামুলপুৰত বুধবাৰে ৫৮ নম্বৰ তামুলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক লেহো ৰাম বড়োৰ স্মৃতিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ৰূপায়ন কৰা হয়। সম্পূৰ্ণ ক'ভিড প্ৰটকল মানি ৰূপায়ন কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোৰ আঁত ধৰে শংকৰদেৱ বিদ্যা নিকেতন, তামুলপুৰৰ উপ প্ৰধান আচাৰ্য জীৱন কলিতাই। প্ৰয়াত বিধায়ক লেহো ৰাম বড়োৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে নিকেতন পৰিচালনা সমিতিৰ সভাপতি মোহন চন্দ্ৰ ডেকাই। ভাষণত ডেকাই শংকৰদেৱ বিদ্যা নিকেতন তামুলপুৰৰ লগতে তামুলপুৰৰ সমাজ জীৱনলৈ প্ৰয়াত লেহো ৰাম বড়োৱে আগবঢ়োৱা অৱদানৰ কথা সোঁৱৰণ কৰে। তেওঁ কয় প্ৰয়াত লেহো ৰাম বড়ো বিধায়ক পদত অধিষ্ঠিত হোৱাৰ পূৰ্বে এগৰাকী সুদক্ষ ইংৰাজী বিষয়ৰ বিষয় শিক্ষক, দক্ষ প্ৰশাসনিক বিষয়া, এগৰাকী সংস্কৃতিৱান আৰু এগৰাকী সমাজ হিতৈষী ব্যক্তি আছিল। এইগৰাকী ব্যক্তিৰ মৃত্যুত তামুলপুৰত এক অপুৰণীয় ক্ষতি হ'ল। অনুষ্ঠানত প্ৰয়াত বিধায়কগৰাকীৰ স্মৃতি চাৰণ কৰে শংকৰদেৱ বিদ্যা নিকেতন তামুলপুৰৰ প্ৰাক্তন আচাৰ্য তথা তামুলপুৰ প্ৰেছ ক্লাবৰ সম্পাদক ৰজনী বৰ্মনে। তেওঁ এগৰাকী শিক্ষাবিদ, অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া, বিশিষ্ট সাংস্কৃতিক কৰ্মী তথা নৱ নিৰ্বাচিত বিধায়ক লেহো ৰাম বড়োৰ মৃত্যুৰ খবৰে সকলোকে ব্যথিত কৰি তোলা বুলি মন্তব্য কৰাৰ লগতে লেহো ৰাম বড়োৰ মৃত্যু তামুলপুৰ সমষ্টিৰ বাবে এক বৃহৎ ক্ষতি বুলি অভিহিত কৰে। নিকেতনৰ জ্যেষ্ঠ আচাৰ্যা প্ৰেমোদা ঠাকুৰীয়া, বানেশ্বৰ দাস, শ্ৰীমতী ডেকা আদিকে ধৰি কেইবাজনো আচাৰ্যই অংশগ্ৰহণ কৰা অনুষ্ঠানত প্ৰয়াত বিধায়ক গৰাকীৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰা হয়।




ক'ভিড আক্ৰান্তৰ মাজত খাদ্যসামগ্ৰী বিতৰণ অখিল অসম হিন্দীভাষী সংঘৰ সদস্যৰ, গুৱাহাটীৰ মণিপুৰী বস্তিত বৃহস্পতিবাৰে

## ডুমডুমাত কৃষক-শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিৰ প্ৰতিবাদ

# খাদ্য সুৰক্ষাৰ চাউল আত্মসাতৰ অভিযোগ ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৩ জুন ঃ** শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি ৰাজহ চক্ৰ এলেকাৰ বৰছলা বিধানসভা সমষ্টিৰ অন্তৰ্গত ডুমডুমা সমবায় সমিতিৰ অধীনৰ একাংশ সুলভ মুল্যৰ দোকানীয়ে খাদ্য সুৰক্ষাৰ চাউল বিতৰণৰ ক্ষেত্ৰত মুকলিকৈ দুৰ্নীতিত লিপ্ত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। এনে দুৰ্নীতিপৰায়ণ সুলভ মুল্যৰ এজেণ্ট সকলৰ বিৰুদ্ধে প্ৰতিবাদ মুখৰ হৈ পৰিছে কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি ।দৰিদ্ৰ পীড়িত লোকসকলৰ বাবে চৰকাৰে আগবঢ়োৱা বিনামূলীয়া চাউল আত্মসাৎ কৰা এজেণ্টক কঠোৰ শাস্তি প্ৰদানৰ দাবীত কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসমৰ সভাপতি প্ৰশান্ত বৈশ্যৰ নেতৃত্বত সংগঠনটোৰ কৰ্মকৰ্তা সকলে তীব্ৰ প্ৰতিবাদ জনায়। উল্লেখ্য যে ডুমডুমা সমবায় সমিতিৰ অধীনৰ সুলভ মুল্যৰ দোকানী আকমল হুছেইনে নিজৰ সুলভ মুল্যৰ দোকানৰ গ্ৰাহক সকলক খাদ্য সুৰক্ষা আচঁনিৰ চাউল প্ৰদান নকৰাৰ অভিযোগ উত্থাপিত হৈছে। ৰাইজৰ অভিযোগ অনুসৰি সুলভ মুল্যৰ দোকানী আকমল হুছেইনে গ্ৰাহক সকলক চৰকাৰে আগবঢ়োৱা বিনামুলীয়া চাউল প্ৰদান কৰাৰ পৰিবৰ্তে গ্ৰাহকৰ নামত আবণ্টিত ৬০ বেগ চাউল যোৱা ২৭-৫-২০২১ তাৰিখে AS -13 C 4319 নম্বৰৰ সামগ্ৰী কঢ়িয়াই নিয়া এখন বাহনৰ জৰিয়তে অন্য স্থানলৈ নি কলা বজাৰত বিক্ৰি কৰা বুলি অঞ্চলটোৰ ৰাইজে গুৰুত্বৰ অভিযোগ উত্থাপন কৰিছে ।সেইমৰ্মে ৰাইজে ন্যায় বিছাৰি লিখিত ভাবে উক্ত বিষয়টো বিভাগীয় বিষয়া সকলক অবগত কৰিছিল যদিও সুফল পাবলৈ সক্ষম নহ'ল। সেয়েহে ৰাইজৰ আবেদন মৰ্মে কৃষক শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যৰ নেতৃত্বত সংগঠনটোৰ নেতাকৰ্মী সকল বৰছলা বিধানসভা সমষ্টিৰ ডুমডুমাৰ ৰহমান পুৰত উপস্থিত হৈ দুৰ্ভগীয়া ৰাইজৰ লগত মত বিনিময় কৰাৰ লগতে চৰজমিন তদন্ত চলাই দুৰ্নীতিকাৰী এজেণ্টৰ বিৰুদ্ধে প্ৰতিবাদ মুখৰ হৈ পৰে। এই ক্ষেত্ৰত কৃষক শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই সংবাদ মাধ্যমৰ আগত ক্ষোভ উজাৰি কয় যে চৰকাৰ তথা একাংশ জনপ্ৰতিনিধিৰ পৃষ্ঠপোষকতাতেই ৰাজ্যত এতিয়া খাদ্য আৰু অসামৰিক যোগান বিভাগত দুৰ্নীতিৰ মুকলি বজাৰ চলিছে ।তাৰবাবেই অভিযোগ পোৱাৰ পিচতো বিভাগীয় বিষয়া কৰ্মচাৰী সকলে নীৰৱতা অবলম্বন কৰিছে। তাৰে জলন্ত উদাহৰণ বৰছলাৰ ডুমডুমা সমবায় সমিতি ।কৃষক শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই লগতে কয় ডুমডুমা সমবায় সমিতিৰ এজেণ্ট আকমল হুছেইনে খাদ্য সুৰক্ষাৰ চাউল গ্ৰাহক সকলক সময়মতে প্ৰদান নকৰাৰ লিখিত অভিযোগ পোৱাৰ পিচতো এই ক্ষেত্ৰত বিভাগীয় ভাবে তদন্তৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ বিষয়টো এতিয়া সন্দেহৰ আৱৰ্তত সোমাই পৰিছে। বৈশ্যই লগতে কয় এজেণ্ট সকলৰ এই দুৰ্নীতিৰ লগত একাংশ চৰকাৰী বিষয়া জৰিত হৈ থকাৰ সন্দেহ হ'য়। সেয়েহে আজিৰ পৰা সাতদিনৰ ভিতৰত উক্ত বিষয়টো উচ্চ পৰ্যায়ৰ তদন্তৰ ব্যৱস্থা কৰি দুৰ্নীতিকাৰী এজেণ্ট তথা দুৰ্নীতিত সহযোগ কৰা বিষয়া কৰ্মচাৰীক কঠোৰ শাস্তি প্ৰদান কৰি দুৰ্ভগীয়া ৰাইজক ন্যায় প্ৰদান কৰিবলৈ কৃষক শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই চৰকাৰ তথা শোণিতপুৰ জিলা প্ৰশাসনক দাবী জনাইছে ।অন্যথা সাতদিনৰ পিচত সংগঠনটোৱে ৰাইজৰ ন্যায় প্ৰাপ্তিৰ দাবীত ডুমডুমা সমবায় সমিতি ঘেৰাও কৰিব বুলি কৃষক শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই সকিয়াই দিছে। উক্ত কাৰ্যসূচীত কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসমৰ সভাপতি প্ৰশান্ত বৈশ্যৰ লগতে সংগঠনটোৰ কাৰ্যকৰী সভাপতি জাহেদ আলী, কাৰ্যনিৰ্বাহক সদস্য শ্ৰৱণ গোৱালাৰ লগতে শোণিতপুৰ জিলাৰ উপ সভাপতি ফেলাজ উদ্দিন উপস্থিত থাকে।

# ইংলেণ্ডুত উপস্থিত ভাৰতীয় ক্ৰিকেট দল

## পূৰ্ব নিৰ্ধাৰিত সূচীৰ পৰিৱৰ্তন নকৰে ই চি বিয়ে



**লণ্ডন, ৩ জুন ঃ** প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচত অংশ লোৱাৰ বাবে টীম ইণ্ডিয়া আজি উপস্থিত হৈছে ইংলণ্ডত। অহা ১৮ জুনত অনুষ্ঠিত হ'ব প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন। ভাৰতে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত মুখামুখি হ'ব নিউজিলেণ্ডৰ। তাৰপাছত আৰম্ভ হ'ব ইংলণ্ডৰ বিৰুদ্ধে পাঁচখনীয়া টেষ্ট শৃংখলা। অহা চাৰি আগষ্টত ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলাৰ প্ৰথম মেচ খেলিব টীম ইণ্ডিয়াই। আনহাতে শৃংখলা সামৰণি পৰিব ১৪ ছেপ্টেম্বৰত। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে আই পি এল আয়োজন কৰাৰ স্বাৰ্থত ভাৰত আৰু ইংলণ্ডৰ মাজৰ পাঁচখনীয়া টেষ্ট শৃংখলাটো আগুৱাই দিয়াৰ বাবে ইংলণ্ড ক্ৰিকেট ব'ৰ্ডক আহ্বান জনাইছে যদিও সেয়া ই চি বিয়ে নকৰে বুলি ইতিমধ্যে জনাইছে। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে আই পি এলৰ বাকী থকা মেচ ডুবাইতে আয়োজন কৰাটো চূড়ান্ত কৰিছে। অহা ১৮ বা ১৯ ছেপ্টেম্বৰৰ পৰা ডুবাইত অনুষ্ঠিত হ'ব পাৰে চলিত বৰ্ষৰ আই পি এলৰ বাকী থকা মেচসমূহ। আনহাতে, আই পি এল সামৰণি কৰিব ন অথবা ১০ অক্টোবৰত। ইতিমধ্যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে এই বিষয়ে দলৰ গৰাকীসকলক অৱগত কৰিছে। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট দলৰ সদস্য সকল ইংলণ্ডৰ পৰা পোনে পোনে ডুবাইলৈ আহিব আই পি এলত অংশ লোৱাৰ বাবে। ইংলণ্ডত ভাৰতৰ শৃংখলা সমাপ্ত হ'ব ১৪ ছেপ্টেম্বৰত। আনহাতে, আই পি এল আৰম্ভ হ'ব ১৮ বা ১৯ ছেপ্টেম্বৰত। মাজত মাত্ৰ চাৰি দিনহে পাব ভাৰতীয় ক্ৰিকেটাৰে। সেয়ে বি চি চি আয়ে ভাৰত-ইংলণ্ড শৃংখলাটো এসপ্তাহ আগুৱাই অনাৰ বাবে অনুৰোধ কৰিছে ই চি বিক। অৱশ্যে ইংলণ্ড ক্ৰিকেট ব'ৰ্ড বা বি চি চি আয়ে এই বিষয়ে মুকলিকৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। উল্লেখ্য যে কৰ'নাৰ বাবে এইবাৰ মাজতে বন্ধ হয় আই পি এল। কিন্তু এতিয়াও আই পি এলৰ ৩১ খন মেচ খেলিবলৈ বাকী আছে। এতিয়া বিগত বৰ্ষৰ দৰেই ডুবাইত আই পি এল আয়োজন কৰি বিষয়টো সমাধান কৰিব বি চি চি আয়ে। কিন্তু ইংলণ্ড শৃংখলাই আই পি এলৰ সূচী প্ৰস্তুত কৰাত সমস্যাৰ সৃষ্টি কৰিছে।

# ইংলেণ্ডৰ বিৰুদ্ধে প্ৰথম দিনা দৃঢ় আৰম্ভণি নিউজিলেণ্ডৰ



**লণ্ডন, ৩ জুন ঃ** প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখনৰ পূৰ্বে কালিৰে পৰা আৰম্ভ হৈছে ইংলেণ্ড আৰু নিউজিলেণ্ডৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম মেচ। লৰ্ডছ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা শৃংখলাৰ প্ৰথমখন টেষ্টত টছত জয়ী হৈ পোনতে বেটিং কৰা নিউজিলেণ্ডে প্ৰথমদিনা প্ৰথম ইনিংছত সংগ্ৰহ কৰিছে ২৪৬-৩ ৰাণ। আউট হৈছে লাথাম (২৩), কেন উইলিয়ামছন (১৩) আৰু টেইলৰ (১৪)। আনহাতে, শতক অৰ্জন কৰি খেলি আছে ক'নৱে (১৩৬)। তেওঁৰ লগত আছে নিকলছ (৪৬)। ইংলণ্ডৰ ৰবীনছনে দুটা আৰু এণ্ডাৰছনে এটা উইকেট পায়। উল্লেখ্য যে নিউজিলেণ্ডে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ পূৰ্বে ইংলেণ্ডৰ বিৰুদ্ধে এটা দুখনীয়া টেষ্ট শৃংখলাত অংশ লৈছে। প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন অহা ১৮ জুনৰ পৰা আৰম্ভ হ'ব। নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিব ভাৰতে।

অসম চৰকাৰ

## কৃতজ্ঞতা

ক'ভিড-১৯ৰ টীকাকৰণ অভিযানক জনআন্দোলনলৈ ৰূপান্তৰ কৰাৰ বাবে অসম চৰকাৰে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰ্থিক বৰঙণি আগবঢ়োৱা নিম্নোক্ত ব্যক্তি / অনুষ্ঠানৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

| ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি | ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি |
|---|---|---|---|
| বিপ্লৱ গাৰ্গিয়া | ৫১ টকা | শেখৰ হালদাৰ | ৫০১ টকা |
| আব্দুল আৱাল | ১,২০১ টকা | শান্তনু শৰ্মা | ১,০০০ টকা |
| কংকণ কুমাৰ | ৫০১ টকা | শ্বীফ এক্স মেম্বাৰ্ছ ৰীল | ৭,৮১,১৭৬ টকা |
| মন্টু বসুমতাৰী | ৫৫ টকা | বাণীকান্ত গগৈ | ১,০০০ টকা |
| চক্ৰধৰ ডেকা | ৬০০ টকা | চন্দমিতা ৰয় | ৫,০০০ টকা |
| কুশল গগৈ | ৫০০ টকা | ভৱেশ কলিতা | ১,৫০,০০০ টকা |
| নিৰ্মলেন্দু চেটাৰ্জী | ৫০০ টকা | সুৰজিৎ সিন্‌হা | ৬,০০,০০০ টকা |
| ডেভিড দাস | ২০১ টকা | সুৰেন ফুকন | ১,০০,০০০ টকা |
| ৰীতা শৰ্মা | ৭০১ টকা | জে ডি বি ষ্টীল এলএলপি | ৮,০০,০০০ টকা |
| গজেন্দ্ৰ নাথ গায়া | ১,২৩৪ টকা | ধনেশ্বৰ কলিতা | ১,০১,০০০ টকা |
| দেৱৰাজ চক্ৰৱৰ্তী | ১,০০০ টকা | আতাউৰ ৰহমান কোল | ১০,০০০ টকা |
| বুধিন শইকীয়া | ১,০০০ টকা | ৰূপক ৰঞ্জন মোদক | ৫০১ টকা |
| অৰুণ কুমাৰ সিন্‌হা | ৫০৫ টকা | বিপ্লৱ কুমাৰ তৰফদাৰ | ১০,০০০ টকা |
| মঃ আতাউৰ ৰহমান | ২,৫০১ টকা | লক্ষ্মী পৰিবহন | ১০,০০০ টকা |
| অংকিতা ভূঞা | ৫৫৫ টকা | কাঞ্চন দত্ত | ৫০১ টকা |
| মানস প্ৰতীম | ২০০ টকা | মধুমালতী বৰুৱা | ১০,০০০ টকা |
| অশোক কুমাৰ পাণ্ডে | ৫,০০১ টকা | জীতেন্দ্ৰ নাথ | ১,০০০ টকা |
| পৱন চন্দ্ৰ বৈশ্য | ৫০৫ টকা | ভাৰদা দেৱী মীম | ২০,০০০ টকা |
| প্ৰমোদ কুমাৰ | ১,০০১ টকা | বিষ্ণুপদ চক্ৰৱৰ্তী | ৫০০ টকা |
| পৰেশ চন্দ্ৰ ডেকা | ২,০০০ টকা | শম্ভু মণ্ডল | ২৫,১০০ টকা |
| বিশ্বজিৎ টাইদ | ১,০০১ টকা | পদ্ম ভূষণ চান | ২৫১ টকা |
| জাকিৰ হুছেইন | ৬০০ টকা | ঐষকান্ত ৰয় | ৫০০ টকা |
| উপেন্দ্ৰ নাথ বৰ্মন | ৬০০ টকা | সঞ্জীৱ কুমাৰ ভাগৱতী | ১,০০১ টকা |
| ৰমণী বৈশ্য | ১,৫০১ টকা | লক্ষ্যজ্যোতি বৰদলৈ | ৪৯১ টকা |
| প্ৰমথ ৰঞ্জন দত্ত | ৫০১ টকা | সুভজিৎ কৰ | ১,০০০ টকা |
| ৰোহিনী কান্ত শৰ্মা | ১,০০০ টকা | সুজিত কুমাৰ বৰুৱা | ২৫,০০০ টকা |
| আশাপূৰ্ণা বৰুৱা | ২,০০০ টকা | মুলচন্দ বাৰদিয়া | ২,০০০ টকা |
| স্বপ্না গোস্বামী | ১,০০১ টকা | দীনেশ চন্দ্ৰ চৌধুৰী | ১৫,০০০ টকা |
| গোপাল শইকীয়া | ৫,০০০ টকা | পূৰেৰুণ শিল্পী সমাজ | ৫,০০০ টকা |
| চিন্তা দেৱী বসুমতাৰী | ১৫,০০০ টকা | গভট পেঞ্চনাৰ্চ এছোচিয়েশ্বন, গোলাঘাট | ৪,০০০ টকা |
| কবিতা ৰাজগুৰু | ১০,০০০ টকা | দিলীপ ৰঞ্জন নাথ | ৩,৫০০ টকা |
| বিশ্বজিৎ কলিতা | ৫,০০০ টকা | সত্যেন্দ্ৰ নাথ কাল | ৩,৫০০ টকা |
| ড° নীলিমা শইকীয়া | ১০,০০০ টকা | মুনীন্দ্ৰ কুমাৰ দাস | ৩,০০০ টকা |
| ধন সাগৰ চৌধুৰী | ৫০,০০০ টকা | ৰমেন কুমাৰ নাথ | ১০১ টকা |
| শুভাশীষ শৰ্মা | ১০,০০০ টকা | ভূপাল ৰয় প্ৰধান | ১,২০০ টকা |
| সুব্ৰত চৌধুৰী | ১,০০১ টকা | শিৱ শৰ্মা | ৫০১ টকা |
| ৰাজেন দত্ত | ৫০,০০০ টকা | অনিৰ্বাণ তালুকদাৰ | ১,৫১১ টকা |
| নবীন চন্দ্ৰ মেধি | ২,০০০ টকা | নিপল মেধি | ১০১ টকা |
| শ্যামল কুমাৰ | ১০,০০০ টকা | কাবেৰী বৰকাকতি | ৩০,০০০ টকা |
| সুধাংশু মোহন | ২,০০০ টকা | কৌস্তুভ মণি ডেকা | ৫০১ টকা |
| ধনঞ্জয় চক্ৰৱৰ্তী | ১০০ টকা | গায়ত্ৰী চন্দা | ২,৫০০ টকা |
| নাগৰিক সমবায় | ৬০০ টকা | তৰুণ নগৰ উন্নয়ণ সমিতি | ১০,০০০ টকা |
| নিৰূপম দত্ত | ৫১,০০০ টকা | নিজন টুৰ্ছ এণ্ড ট্ৰেভেলছ | ২,১০০ টকা |
| সুধীৰ চন্দ্ৰ সাহা | ১০,০০১ টকা | মৃদুল কুমাৰ শৰ্মা | ৬০০ টকা |
| সুব্ৰত মৌলিক | ৫,০০০ টকা | শংকৰ লাল ভট্টাচাৰ্য্য | ১,৫০০ টকা |
| বাহাৰুল ইছলাম | ১০১ টকা | মলয় সেনগুপ্তা | ১,২০১ টকা |
| বলভদ্ৰ ফুকন | ২,৫০০ টকা | মৃগাংক ভৰালী | ২,০০০ টকা |
| সনাতন ধৰ্ম | ১০,০০০ টকা | ৰতন দত্ত | ১০১ টকা |
| দা স্কট্‌ছ এছোচিয়েছন | ২১,০০০ টকা | পলাশজ্যোতি গোস্বামী | ৫,০০০ টকা |
| অনিত্য ভূঞা | ২,০০০ টকা | বিদ্যাতপ নামঘৰ | ৫,০০০ টকা |
| সত্যেন্দ্ৰ বৰা | ৪,০০০ টকা | অৰিন্দম বৰুৱা | ৫,১০১ টকা |
| গিৰিন্দ্ৰ নাথ শৰ্মা | ১০৮ টকা | বদন দেৱ বৰ্মন | ১,০০০ টকা |
| কৈলাশ চন্দ্ৰ ডেকা | ১০,০০০ টকা | চিপাঝাৰ বি.এড. কলেজ | ১০,০০০ টকা |
| গণেশ চৌধুৰী | ৫০,০০০ টকা | নকুল চন্দ্ৰ | ৫,০০০ টকা |
| বিশ্বজিৎ সুৰজ | ৫,০০০ টকা | ৰঞ্জিত শইকীয়া | ২,৪০০ টকা |
| দেৱজিৎ দাস | ৫০,০০০ টকা | চৌধুৰী মিল | ১,০০০ টকা |
| দীপা বৰুৱা | ১০,০০০ টকা | উষা ৰাণী সৰকাৰ | ৫,০০০ টকা |
| এছএমচি টিছাৰ্চ এছোচিয়েশ্বন | ৪,৬০,০০০ টকা | ইলি পাটগিৰি | ৩,০০০ টকা |
| সপ্তশিখা শৰ্মা | ২,০০০ টকা | মণ্টু নেওঁগ | ২০০ টকা |
| ডিম্বেশ্বৰ নাথ | ১০,০০১ টকা | ৰাম প্ৰসাদ সেনগুপ্তা | ১১১ টকা |
| গাওঁৰক্ষী বাহিনী সাজ | ১,০০০ টকা | ৰজত চন্দ্ৰ বৰুৱা | ২,০০০ টকা |
| ৰাজধানী পাব্লিক স্কুল | ৫০,০০০ টকা | বিপুল চন্দ্ৰ কটকী | ৩,৩৩৩ টকা |
| দীনবন্ধু বৈশ্য | ১.১১১ টকা | পংকজ কলিতা | ৩,০০১ টকা |
| দেৱাশীষ পুৰকায়স্থ | ৪,০০০ টকা | জয়ন্ত ভট্টাচাৰ্য্য | ১২১ টকা |
| লিচুবাৰী দৈনিক বজাৰ | ৬,২০৫ টকা | শিশিৰ ৰঞ্জন | ৫,০০০ টকা |
| লক্ষেশ্বৰ বৰদলৈ | ৫,০০০ টকা | সুতপা ভট্টাচাৰ্য্য | ৩,০০০ টকা |
| জিতুমণি দাস | ৫১,০০০ টকা | প্ৰশান্ত কুমাৰ গগৈ | ১,০০১ টকা |
| গৌতম হালৈ | ১০,০০০ টকা | দেৱ কান্ত বসুমতাৰী | ৫০,০০০ টকা |
| লক্ষ্মণ প্ৰসাদ | ১,১০০ টকা | ১০০৮ শ্ৰীশ্ৰী দুধনাথ বিগ্ৰহ | ১০,১০১ টকা |
| হুমৰন আহমেদ | ১০,০০০ টকা | খাৰজৰা আশ্ৰম, নলবাৰী | |
| | | শৰত চন্দ্ৰ কাকতী | ১০,০০০ টকা |
| | | যুৱ উন্নয়ন পৰিষদ, নলবাৰী | ৫,০০০ টকা |
| | | আলিমুদ্দিন আহমেদ | ১০,০০০ টকা |

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ একাউণ্ট নম্বৰ ঃ
3596960230 (SBI) IFSC Code: SBIN0010755, PAN: AAAPC4667K

Janasanyog /D/744/21

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Follow Us /@diprassam https://dipr.assam.gov.in/



## পুৰুষৰ ডাবলছ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ ৰোহণ বোপান্না আৰু ফ্ৰেংকো

**পেৰিছ, ৩ জুন ঃ** চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ পুৰুষৰ ডাবলছ শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ ৰোহন বোপান্না আৰু তেওঁৰ ক্ৰৱেছিয়াৰ সংগী ফ্ৰেংকো। আজি অনুষ্ঠিত হোৱা দ্বিতীয় ৰাউণ্ডৰ মেচত ৰোহন বোপান্না আৰু ফ্ৰেংকোই ৬-৪, ৭-৫ ৰ ব্যৱধানত পৰাস্ত কৰে আমেৰিকাৰ ফ্ৰান্সেছ টিয়াগো আৰু নিকোলাছ ম'নৰোক। এঘণ্টা ২০ মিনিট ধৰি চলে মেচখন। উল্লেখ্য যে ইয়াৰপূৰ্বে পুৰুষৰ ডাবলছ শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত ৰোহন বোপান্না আৰু ফ্ৰেংকোই ৬-৪, ৬-২ ৰ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছিল।

## ক্ৰীড়া সংগঠকৰ মৃত্যুত শোক

**গুৱাহাটী, ৩ জুন ঃ** অসম বক্সিং সন্থাৰ প্ৰাক্তন উপসভাপতি তথা বিশিষ্ট অধিবক্তা চান্দমাৰিৰ আব্দুল ৰেকিবৰ কালি মৃত্যু হয়। অসম বক্সিং সন্থাৰ সভাপতি কালিকান্ত বড়ো আৰু সম্পাদক হেমন্ত কুমাৰ কলিতাই ৰেকিবৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। ইফালে, ক্ৰীড়া সংগঠকজনৰ মৃত্যুত শোক প্ৰকাশ কৰিছে অসম ছেপাকটাক্ৰ' সন্থাৰ সম্পাদক বিষ্ণুৰাম নুনিছাই।

### এছিয়ান চেম্পিয়নশ্বিপ

# অলিম্পিকৰ পূৰ্বে সাজু হোৱাৰ সুযোগ আছিল— মেৰীকম



**নতুন দিল্লী, ৩ জুন ঃ** ভাৰতৰ এম চি মেৰীকমে ডুবাইত অনুষ্ঠিত হোৱা এছিয়ান বক্সিং প্ৰতিযোগিতাৰ ফাইনেলত পৰাস্ত হৈ ৰূপৰ পদক লাভ কৰে যদিও আসন্ন টকিঅ' অলিম্পিকৰ পূৰ্বে এয়া সুন্দৰ অনুশীলন আৰু অভিজ্ঞতা বুলি কয়। উল্লেখ্য যে এছিয়ান বক্সিং প্ৰতিযোগিতাৰ ফাইনেলত মেৰীকম মুখামুখি হয় কাজাখস্তানৰ নাজিম কিজাইবিৰ বিৰুদ্ধে। ৩-২ ৰ ব্যৱধানত পৰাস্ত হয় মেৰী। ইয়াৰপূৰ্বে প্ৰতিযোগিতাত ছেমিফাইনেল খেলি অভিযান আৰম্ভ কৰা মেকীকমে মেচখনত ৪-১ ৰ ব্যৱধানত পৰাস্ত কৰিছিল মংগোলিয়াৰ লুটছাইখানক। উল্লেখ্য যে ডুবাই হোৱা প্ৰতিযোগিতাখনত ভাৰতীয় দলে মুঠ ১৫ টা পদক লাভ কৰে। পুৰুষ শাখাত ভাৰতে এটা সোণ, দুটা ৰূপ আৰু দুটা ব্ৰঞ্জসহ মুঠ পাঁচটা পদক লাভ কৰে। আনহাতে, প্ৰতিযোগিতাত ভাৰতৰ মহিলা দলে এটা সোণ, তিনিটা ৰূপ আৰু ছটা ব্ৰঞ্জৰ পদক লাভ কৰি নিজৰ অভিযান সামৰে। এছিয়ান বক্সিং প্ৰতিযোগিতাত পদক জয়ৰ দৃষ্টিৰে এয়াই ভাৰতৰ শ্ৰেষ্ঠ প্ৰদৰ্শন। ইয়াৰপূৰ্বে ভাৰতে ২০১৯ত থাইলেণ্ডত হোৱা এছিয়ান বক্সিং প্ৰতিযোগিতাত ১৩ টা পদক লাভ কৰিছিল। উল্লেখ্য যে পুৰুষ শাখাত ভাৰতৰ সঞ্জীতে (৯১ কেজি) সোণ লাভ কৰাৰ বিপৰীতে ৰূপ পায় শিৱ থাপা (৬৪ কেজি) আৰু অমিত পাংগলে (৫২ কেজি)। ইফালে, বৰীন্দৰ (৬০ কেজি) আৰু বিকাশ কিষান (৬৯ কেজি) ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকে। ইফালে, মহিলা শাখাত ভাৰতৰ হৈ একমাত্ৰ সোণটো লাভ কৰে পূজা ৰাণীয়ে (৭৫ কেজি)। ৰূপ অৰ্জন কৰে এম চি মেৰীকম (৫১ কেজি), লালবুৰাটছাইহি (৬৪ কেজি), আৰু অনুপমাই (৮১ কেজি উৰ্দ্ধ)। ইফালে, ছেমিফাইনেলত পৰাস্ত হৈব্ৰঞ্জ লাভ কৰে ম'নিকা (৪৮ কেজি), সাক্ষী (৫৪ কেজি), জেছমিন (৫৭ কেজি), সিমৰণজিত কৌড় (৬০ কেজি), লাভলীনা বৰগোহাই (৬৯ কেজি), আৰু স্বতিয়ে (৮১ কেজি)।

# এবছৰত ভাৰতীয় মহিলা দলে পাঁচখন টেষ্ট খেলাটো প্ৰয়োজন

**মুম্বাই, ৩ জুন ঃ** 'দীৰ্ঘ বিৰতিৰ পাছত ভাৰতীয় মহিলা ক্ৰিকেট দলে টেষ্ট মেচ খেলিব পৰাটো এক ডাঙৰ সুযোগ বুলি মই ব্যক্তিগতভাৱে বিশ্বাস কৰো। এয়া ভাৰতীয় মহিলা ক্ৰিকেটৰ বাবে এক সুযোগ। প্ৰতি বছৰে আমি অন্তত পাঁচখন টেষ্ট মেচ খেলিব লাগে।' এই মন্তব্য ভাৰতীয় মহিলা ক্ৰিকেট দলৰ অধিনায়িকা মিতালী ৰাজৰ। ইংলণ্ডলৈ উৰা মৰাৰ পূৰ্বে মিতালীয়ে এই কথা ব্যক্ত কৰে। উল্লেখ্য যে টীম ইণ্ডিয়াৰ লগত একেখন বিমানতে ইংলণ্ডলৈ ৰাওনা হৈছে ভাৰতীয় মহিলা দল। দীৰ্ঘ বিৰতিৰ পাছত অহা ১৬ জুনত ভাৰতীয় মহিলা ক্ৰিকেট দলে এখন টেষ্ট খেলিব ইংলণ্ডৰ বিৰুদ্ধে। মিতালীয়ে ভাৰতীয় মহিলা দলক নেতৃত্ব দিব। উল্লেখ্য যে ইংলণ্ডত ভাৰতীয় মহিলা ক্ৰিকেট দলে এখন টেষ্ট খেলাৰ লগতে তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচ খেলিব। এইবাৰ ভাৰতীয় মহিলা দলে ইংলণ্ডৰ লগতে অষ্ট্ৰেলিয়া ভ্ৰমণতো এখন টেষ্ট খেলিব। ভাৰতীয় মহিলা ক্ৰিকেট দলে পোন প্ৰথমবাৰৰ বাবে চলিত বৰ্ষতে দিবা-নৈশ টেষ্ট খেলিব। অষ্ট্ৰেলিয়া ভ্ৰমণলৈ যাব লগা ভাৰতীয় মহিলা ক্ৰিকেট দলে পাৰ্থত অহা ৩০ ছেপ্টেম্বৰৰ পৰা তিনি অক্টোবৰলৈ ঘৰুৱা দলৰ বিৰুদ্ধে দিবা-নৈশ টেষ্টখন খেলিব। অষ্ট্ৰেলিয়া ভ্ৰমণত ভাৰতীয় মহিলা ক্ৰিকেট দলে তিনিখন এদিনীয়া আৰু টি-২০ মেচো খেলিব। উল্লেখ্য যে ইংলণ্ড ভ্ৰমণ কৰাৰ পাছতে অষ্ট্ৰেলিয়ালৈ যাব ভাৰতীয় মহিলা ক্ৰিকেট দল।

## জেমছ এণ্ডাৰছনৰ নতুন অভিলেখ



**লণ্ডন, ৩ জুন ঃ** লণ্ডনৰ লৰ্ডছত আৰম্ভ হৈছে ইংলেণ্ড আৰু নিউজিলেণ্ডৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম মেচ। লৰ্ডছ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা শৃংখলাৰ প্ৰথমখন টেষ্টত অংশ লৈ অভিলেখৰ গৰাকী হৈছে ইংলণ্ডৰ পেচাৰ জেমছ এণ্ডাৰছন। উল্লেখ্য যে প্ৰথম টেষ্টত অংশ লৈ ইংলণ্ডৰ হৈ সৰ্বাধিক টেষ্ট খেলা প্ৰাক্তন অধিনায়ক এলাষ্টায়াৰ কুকক স্পৰ্শ কৰিলে জেমছ এণ্ডাৰছনে। কুকে ১৬১ খন টেষ্ট খেলিছিল। ইংলণ্ডৰ অভিজ্ঞ পেচ বলাৰ জেমছ এণ্ডাৰছনে নিউজিলেণ্ডৰ বিৰুদ্ধে দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম মেচৰ মূল একাদশত স্থান লাভ কৰি কুকক স্পৰ্শ কৰে লগতে অভিলেখৰ গৰাকী হয়। উল্লেখ্য যে এণ্ডাৰছনে টেষ্টত লাভ কৰিছে ৬১৫ টা উইকেট। প্ৰথমদিনা এণ্ডাৰছনে বল্ড কৰে নিউজিলেণ্ডৰ অধিনায়ক কেন উইলিয়ামছনক। উল্লেখ্য যে টছত জয়ী হৈ পোনতে বেটিং কৰা নিউজিলেণ্ডে প্ৰথমদিনা প্ৰথম ইনিংছত সংগ্ৰহ কৰিছে ২৪৬-৩ ৰাণ। আউট হৈছে লাথাম (২৩), কেন উইলিয়ামছন (১৩) আৰু টেইলৰ (১৪)। আনহাতে, শতক অৰ্জন কৰি খেলি আছে ক'নৱে (১৩৬)। তেওঁৰ লগত আছে নিকলছ (৪৬)। ইংলণ্ডৰ ৰবীনছনে দুটা আৰু এণ্ডাৰছনে এটা উইকেট পায়।

# টেষ্ট খেলাৰ অভিজ্ঞতা অতিকৈ ৰোমাঞ্চকৰ ঃ হৰমনপ্ৰীত কৌৰ



**মুম্বাই, ৩ জুন ঃ** 'টেষ্ট খেলাৰ অভিজ্ঞতা অতিকৈ ৰোমাঞ্চকৰ। এয়া ক্ৰিকেটৰ পৰম্পৰাগত ফৰ্মেট। মোৰ ইচ্ছা অধিক টেষ্ট মেচ খেলা।' এই মন্তব্য ভাৰতীয় মহিলা ক্ৰিকেট দলৰ বিস্ফোৰক বেটছমেন হৰমনপ্ৰীত কৌড়ৰ। ইংলণ্ডলৈ উৰা মৰাৰ পূৰ্বে কৌড়ে এই কথা ব্যক্ত কৰে। উল্লেখ্য যে টীম ইণ্ডিয়াৰ লগত একেখন বিমানতে ইংলণ্ডলৈ ৰাওনা হৈছে ভাৰতীয় মহিলা দল। দীৰ্ঘ বিৰতিৰ পাছত অহা ১৬ জুনত ভাৰতীয় মহিলা ক্ৰিকেট দলে এখন টেষ্ট খেলিব ইংলণ্ডৰ বিৰুদ্ধে। উল্লেখ্য যে ইংলণ্ডত ভাৰতীয় মহিলা ক্ৰিকেট দলে এখন টেষ্ট খেলাৰ লগতে তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচ খেলিব। এইবাৰ ভাৰতীয় মহিলা দলে ইংলণ্ডৰ লগতে অষ্ট্ৰেলিয়া ভ্ৰমণতো এখন টেষ্ট খেলিব। ভাৰতীয় মহিলা ক্ৰিকেট দলে পোন প্ৰথমবাৰৰ বাবে চলিত বৰ্ষতে দিবা-নৈশ টেষ্ট খেলিব। অষ্ট্ৰেলিয়া ভ্ৰমণলৈ যাব লগা ভাৰতীয় মহিলা ক্ৰিকেট দলে পাৰ্থত অহা ৩০ ছেপ্টেম্বৰৰ পৰা তিনি অক্টোবৰলৈ ঘৰুৱা দলৰ বিৰুদ্ধে দিবা-নৈশ টেষ্টখন খেলিব। অষ্ট্ৰেলিয়া ভ্ৰমণত ভাৰতীয় মহিলা ক্ৰিকেট দলে তিনিখন এদিনীয়া আৰু টি-২০ মেচো খেলিব। উল্লেখ্য যে ইংলণ্ড ভ্ৰমণ কৰাৰ পাছতে অষ্ট্ৰেলিয়ালৈ যাব ভাৰতীয় মহিলা ক্ৰিকেট দল। 'কেৰিয়াৰত দিবা-নৈশ টেষ্ট খেলিম বুলি কেতিয়াও ভবা নাছিলো কিন্তু আশা নকৰাকৈয়ে সুযোগ আহিল। এয়া নতুন অভিজ্ঞতা। কিন্তু আমাৰ বাবে ৰোমাঞ্চকৰ।' হৰমণপ্ৰীতে লগতে কয়। উল্লেখ্য যে ভাৰতীয় মহিলা ক্ৰিকেট দলৰ নতুন বৰ্ষৰ খেলুৱৈৰ বাৰ্ষিক চুক্তিত 'এ' গ্ৰেড লাভ কৰিছে মাত্ৰ তিনিগৰাকী খেলুৱৈয়ে। তেওঁলোক হ'ল হৰমনপ্ৰিত কৌড়, স্মৃতি মানধানা আৰু পুনম যাদব। তেওঁলোকে লাভ কৰিব ৫০ লাখ টকা। ইফালে, মিতালী ৰাজ আৰু ঝুলন গোস্বামী গ্ৰেড 'বি'ত আছে। গ্ৰেড 'বি'ৰ ক্ৰিকেটাৰে পাব বছৰি ৩০ লাখ টকা। আনহাতে, ১০ লাখ টকা পাব গ্ৰেড 'চি'ৰ ক্ৰিকেটাৰে।' অভিজ্ঞ মানসী যোশী আছে গ্ৰেড 'চি'ত।

# ফ্ৰেন্স অপেনৰ তৃতীয় ৰাউণ্ডত এলিনা-ছ'ফিয়া

**পেৰিছ, ৩ জুন ঃ** চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ মহিলাৰ একক শাখাৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে এলিনা ছ'ভিট'লিনা আৰু ছ'ফিয়া কিন। দ্বিতীয় ৰাউণ্ডৰ মেচত এলিনা ছ'ভিট'লিনাই ৬-০, ৬-৪ ৰ পোনপটীয়া ব্যৱধানত জয়লাভ কৰাৰ বিপৰীতে ছ'ফিয়া কিনে ৭-৫, ৬-৩ ৰ পোনপটীয়া ব্যৱধানত জয়ী হয়। ইফালে, ছেৰেনা উইলিয়ামছে তিনিটা ছেটৰ অন্তত ৬-১, ৫-৭, ৬-১ ৰ ব্যৱধানত জয়ী হৈ অভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে মহিলাৰ একক শাখাত ইয়াৰপূৰ্বে ছ'ফিয়া কিনে ৬-৪, ৪-৬, ৬-৩ ব্যৱধানত তথা এলিনা ছ'ভিট'লিনাই ৬-২, ৭-৫ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছিল। ইফালে, পুৰুষৰ একক শাখাৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে জাৰ্মানীৰ আলেকজেন্দ্ৰা জেৰভ। দ্বিতীয় ৰাউণ্ডৰ মেচত জেৰভ ৭-৬, ৬-৩, ৭-৬ ৰ পোনপটীয়া ব্যৱধানত জয়লাভ কৰে। উল্লেখ্য যে জেৰভে প্ৰথম ৰাউণ্ডৰ মেচত ৩-৬, ৩-৬, ৬-২, ৬-২, ৬-০ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছিল। ইফালে, ছুইজাৰলেণ্ডৰ ৰ'জাৰ ফেডেৰাৰৰ পাছত পুৰুষৰ একক শাখাৰ মেচত জয়লাভ কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে ন'ভাক ডক'ভিচ আৰু ৰাফেল নাডাল। প্ৰথম ৰাউণ্ডৰ মেচত ন'ভাক ডক'ভিচ ৬-২, ৬-৪, ৬-২ ৰ পোনপটীয়া ব্যৱধানত জয়লাভ কৰাৰ বিপৰীতে নাডাল ৬-২, ৬-৩, ৭-৬ ৰ পোনপটীয়া ব্যৱধানত জয়ী হয়। উল্লেখ্য যে পুৰুষৰ একক শাখাৰ মেচত তাৰকা ছুইজাৰলেণ্ডৰ ৰ'জাৰ ফেডেৰাৰে ৬-২, ৬-৪, ৬-৩ ৰ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছিল। ইফালে, মহিলাৰ শাখাত পেট্ৰা কিট'ভাই ৬-৭, ৭-৬, ৬-১ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে ইগা আৰু ছাবালেনকাও। ইগাই ৬-০, ৭-৫ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰাৰ বিপৰীতে ছাবালেনকাই প্ৰথম ৰাউণ্ডত ৬-৪, ৬-৫ ব্যৱধানত জয়ী হয়।



*ৰাঁচীত সাত একৰ ভূমিৰ ফাৰ্ম হাউছত কৰ'নাকালৰ দিন অতিবাহিত কৰিছে ভাৰতীয় জাতীয় ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক মহেন্দ্ৰ সিং ধোনীৰ পৰিয়ালে। ফাৰ্ম হাউছৰ মুকলি ঘাঁহনিত ঘোঁৰা পোৱালিৰ সৈতে জীয়ৰী জিৱাৰ ধেমালি*

# বজালতলী পঞ্চায়তৰ সভাপতি ৰঞ্জিৎ চৌধুৰীৰ বিৰুদ্ধে মইমতালি আৰু গুণ্ডাগিৰিৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ৩ জুন ঃ** তিনিচুকীয়া জিলাৰ বজালতলী গাঁও পঞ্চায়তৰ সভাপতি ৰঞ্জিৎ চৌধুৰীৰ বিৰুদ্ধে মইমতালি আৰু কাৰ্যালয়ৰ ভিতৰত গুণ্ডাগিৰিৰ অভিযোগ উত্থাপন হৈছে। স্থানীয় ৰুবুল গোহাঁই নামৰ ব্যক্তি এজনে চৌধুৰীৰ বিৰুদ্ধে তিনিচুকীয়া থানাত এখন এজাহাৰ দাখিল কৰিছে। এজাহাৰত উল্লেখ কৰা মতে নখ্ৰৰাই কৈৱৰ্ত গাঁৱৰ ৰুবুল গোহাঁয়ে গাঁওখনৰ জৰাজীৰ্ণ পথ মেৰামতি কৰাৰ অনুৰোধ লৈ পঞ্চায়ত কাৰ্যালয়লৈ যোৱাত চৌধুৰীয়ে বিগত নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থী প্ৰিয়ংকা নেওগক গাঁওখনৰ এজনো লোকে ভোট নিদিয়াৰ বাবে গাঁওখনৰ কোনো উন্নয়ন নকৰে বুলি উচ্চ বাচ্য কৰে। লগতে তৰ্কা-তৰ্কিক হতাহতিলৈ যায়। কেৱল ইমানেই নহয়, চৌধুৰীয়ে গোহাঁইক জাতত ধৰি গালি পৰাৰ অভিযোগো এজাহাৰত উল্লেখ কৰা হৈছে। উল্লেখ্য যে বিজেপিৰ পৰা বহিষ্কৃত ৰঞ্জিৎ চৌধুৰীয়ে পুনৰ বিজেপিত অন্তৰ্ভুক্ত হ'বৰ বাবে বিভিন্ন কাৰচাজি কৰি হিন্দুত্বৰ কাৰ্ড খেলা বুলি অঞ্চলটোৰ একাংশ লোকে মত পোষণ কৰিছে বুলিও অনানুষ্ঠানিকভাৱে জানিব পৰা গৈছে। উল্লেখ্য যে একালৰ বিজেপি নেত্ৰী চাবুৱা সমষ্টিৰ পৰা দলৰ পৰা টিকট নোপোৱাত নিৰ্দলীয়ভাৱে নিৰ্বাচন খেলিছিল প্ৰিয়ংকা নেওগে। নেওগক সমৰ্থন নকৰা বাবে এই গাঁওখনৰ উন্নয়ন নকৰো বুলি তেওঁ উল্লেখ কৰা অভিযোগ উঠিছে। তদুপৰি এই ঘটনা সংঘটিত কৰা চৌধুৰীয়ে ওলোটাই ৰুবুল গোহাঁইৰ বিৰুদ্ধে থানাত এজাহাৰো দাখিল কৰিছিল। কিন্তু স্থানীয় ৰাইজৰ মতে চৌধুৰীয়েহে সমগ্ৰ ঘটনাটোক অন্য ৰূপ দিয়াৰ চেষ্টা কৰিছে।

কালৰো কাল বিপৰীত কাল, হৰিণাই চেলেকিলে বাঘৰ গাল

# কাজিৰঙাত অসম গৌৰৱৰ খেদাত কোনোমতে প্ৰাণ লৈ পলাল বনৰাজই

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ৩ জুন ঃ** 'কালৰো কাল বিপৰীত কাল, হৰিণাই চেলেকিলে বাঘৰ গাল' অসমীয়া ফকৰা যোজনাৰ এই বাক্যশাৰী সত্যত পৰিণত হ'ল বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত। এইবাৰ এটা গঁড়ে ত্ৰাহি মধুসূদন দেখুৱালে এটা ঢেঁকীয়াপতীয়া বাঘক। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাগৰি বনাঞ্চলত মাক-পোৱালি গঁড় আহিল বিলত পানী খাবলৈ। ইতিমধ্যেই সেই বিলত এটা প্ৰকাণ্ড ঢেঁকীয়াপতীয়া বাঘেও জলকেলি কৰি আছিল। গাখীৰতে ম'হৰ খুঁটি। উল্লেখ্য যে গঁড়ৰ মাংস অতি প্ৰিয় ঢেঁকীয়াপতীয়া বাঘৰ বাবে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত প্ৰায়ে বাঘৰ আক্ৰমণত নিহত হ'ব লগা হয় গঁড়। বিশেষকৈ পোৱালি গঁড় আক্ৰমণ কৰি ভক্ষণ কৰি আহিছে ঢেঁকীয়াপতীয়া বাঘে। ইপিনে মাকৰ সৈতে পানী খাবলৈ অহা নোদোকা গঁড়ৰ পোৱালিটো দেখি জিভাৰ পানী পৰিল বনৰজাৰ। লগে লগে পোৱালিটোক আক্ৰমণৰ বাবে বনৰজাই চোঁচা লয় যদিও এই বাৰ মাতৃ গঁড়টোৱে ওলোটাই পানীৰ মাজত খেদি যায় বাঘটোক। গঁড়ৰ খেদাত নেগুৰ দাঙি পানী ফালি কোনোমতে নিজৰ প্ৰাণৰক্ষা কৰি পলাল বনৰজা। বিলৰ পৰা কোনোমতে পলাই জংঘলত সোমাল বাঘ। আচলতে কিছুদিনৰ পূৰ্বে এই বিৰল তথা আপুৰুগীয়া দৃশ্য নিজৰ কেমেৰাত বন্দী কৰিবলৈ সক্ষম হৈছিল কাজিৰঙাৰ যুৱক তথা ট্যুৰিষ্ট গাইড বিশ্বজিৎ ছেত্ৰীয়ে। কিছুদিনৰ পূৰ্বে পৰ্যটকক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সৌন্দৰ্য উপভোগ কৰাবলৈ যাওঁতে



বিশ্বজিতে এই বিৰল দৃশ্য নিজৰ কেমেৰাত বন্দী কৰিছিল। ট্যুৰিষ্ট গাইড বিশ্বজিৎ ছেত্ৰীয়ে জনোৱা মতে নিজৰ জীপছী গাড়ীত তিনিগৰাকী পৰ্যটকক লৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাগৰি বনাঞ্চলত প্ৰৱেশ কৰিছিল। ঠিক তেনেতে এটা প্ৰকাণ্ড ঢেঁকীয়াপতীয়া বাঘ বিলৰ পাৰত বিচৰণ কৰি থকা প্ৰত্যক্ষ কৰে। পৰ্যটকৰ দলটোৱে বাঘৰ দৃশ্য গ্ৰহণ কৰি থকাৰ সময়তে এহাল মাক-পোৱালি গঁড় সেই বিলত পানী খাবলৈ নামি যায়। ইপিনে, পূৰ্বৰ পৰা চোপ লৈ থকা বাঘটোৱে পোৱালি গঁড়টোক আক্ৰমণৰ বাবে পানীত নামি যায় যদিও লগত থকা মাতৃ গঁড়টোৱে ওলোটাই বাঘটোক খেদি যায়। কোনোমতে প্ৰাণ টাকি দৌৰি বাঘে নিজৰ প্ৰাণ বচাই জংঘলত প্ৰৱেশ কৰে। উল্লেখ্য যে এই সমগ্ৰ বিৰল দৃশ্য বিশ্বজিতৰ নিজৰ কেমেৰাত বন্দী হৈছিল। আনহাতে, পৰ্যটকৰ দলটোৱেও এই বিৰল দৃশ্য দেখি অভিভূত হৈ পৰে।

# আৰ্তজনৰ কাষত থিয় দিয়া বিশেষ ব্যক্তি ফাৰ্মাচিষ্ট ৰাশিদ শ্বেখ



## দুৰ্ঘটনাত পিতৃহাৰা মথাউৰিত থকা এটি ৫জনীয়া পৰিয়ালক ৯ মাহ ধৰি অবিৰতভাৱে খৰচ বহন ঃ কত দৰিদ্ৰজনৰ বিবাহৰ খৰচ বহন কৰি বিবাহ সম্পন্ন কৰিলে লেখ-জোখ নাই ঃ কিমান দৰিদ্ৰ শিশুক লিখা-পঢ়াৰ কিতাপ-বহী অনুদান দিলে সেয়াও অজ্ঞাত

**দৈনন্দিন বাৰ্তা সেৱা ভূৰাগাঁও, ৩ জুন ঃ** মানৱতা তেতিয়াও আছিল , মানৱতা এতিয়াও আছে, কিন্তু মানুহ বেদেহে এই কাৰ্য সম্পন্ন হয় । তাতে নিজৰ সদিচ্ছা থাকিলেহে সম্ভৱ হয় ।হয় তেনে এজন সৎ ব্যক্তিৰ কিছু মানৱতাৰ খাতিৰতে বহু বছৰ ধৰি সমাজৰ অতি দৰিদ্ৰ পৰিয়াল তথা ব্যক্তি সকলক নিজৰ পাৰিশ্ৰমিক ধনৰ দ্বাৰা সুখ দুখৰ সমভাগী হোৱা অৰ্থাৎ দুখীয়া লোকক সহায় কৰি নিজকে শান্তি পোৱা এজন ফাৰ্মাচিষ্ট ৰাশিদ শ্বেখৰ কথা কোৱা হৈছে। মূল কাহিনীলৈ যোৱাৰ আগতে গৰিবৰ বন্ধু ৰাশিদ শ্বেখৰ বিষয়ে থোৰতে অলপ জানি লওঁ। ৰাশিদ শ্বেখ জন্মসূত্ৰে ধুবুৰী জিলাৰ বাসিন্দা। চাকৰি সূত্ৰে তেওঁ ২০১৫ চনৰ আগষ্ট মাহৰ পৰা বৰ্তমান মৰিগাঁও জিলাৰ লাহৰীঘাট হাস্পতাল কলনীৰ বাসিন্দা । সম্প্ৰতি তেওঁ মৰিগাঁও জিলাৰ উলুবাৰী চিকিৎসালয়ত এজন ফাৰ্মাচিষ্ট হিচাপে কৰ্মৰত। ২০১৯ চনৰ ৬ অক্টোবৰত ধিঙৰআটী গাঁৱৰ এগৰাকী শিক্ষিত দুহিতাক বিবাহ কৰি জীৱন সংগীনী কৰি লয়। এতিয়া তেওঁৰ কিছু গৰিবৰ বন্ধু হোৱাৰ পৰিচয় দিওঁ। ২০১৫ চনত লাহৰীঘাট ৰাজহ চক্ৰৰ অধীনষ্ঠ কাঠনি গৰম বজাৰৰ এগৰাকী দৰিদ্ৰ মহিলাৰ জীয়েকৰ বিয়াৰ খৰচ বহন কৰি মহানুভৱতাৰ পৰিচয় আৰম্ভ কৰে। ইয়াৰ পিছৰে পৰাই বহু শিশুক স্কুলৰ কিতাপ-পত্ৰ, বহী-কলম আদি প্ৰয়োজনত বিভিন্ন ধৰ্মীয় উৎসৱত ল'ৰা-ছোৱালীৰ কাপোৰ কানিও ক্ৰয় কৰি দিয়ে বুলিও জানিব পৰা গৈছে। বহুতক বিনামূলীয়াকৈ বেমাৰৰ ঔষধ আদিৰো যোগান ধৰা বুলি শুনা যায়। সদ্যহতে, এটি পৰিয়ালক বিগত ৯ মাহ ধৰি অবিৰতভাৱে পৰিয়ালৰ ভৰণ-পোষণ কৰি আছে বুলি বিশেষ সূত্ৰে জানিব পৰা গৈছে । সেই দুৰ্ভগীয়া পৰিয়ালটি হ'ল কাঠনি গৰম বজাৰৰ ওচৰত মথাউৰিত যেনে তেনে বসবাস কৰা এটি পিতৃহীনা অসহায় পৰিয়াল। যাৰ কাহিনী শুনিলে চকুলো ওলাই যায়। ২০২০ চনৰ অক্টোবৰ মাহত সেই পৰিয়ালৰ মুৰব্বী জাগীৰোডত পথ দুৰ্ঘটনাত মৃত্যু হৈছিল। আৰু পৰিয়ালৰ একমাত্ৰ জীৱিকা উপাৰ্জন সেই মুৰব্বী জনেই আছিল। এটা মথাউৰিত থকা পৰিয়ালৰ সেই মুহূৰ্তত কেনে অৱস্থা হ'ব পাৰে সেয়া হয়তো দুনাই কোৱাৰ প্ৰয়োজন নাই। দুদিন পিছত যেতিয়া পৰিয়ালৰ ১০-১২ বছৰীয়া মেহদী আলম নামৰ শিশুটিয়ে পাঁচজনীয়া পৰিয়ালৰ এমুঠি অন্নৰ বাবে বজাৰত দুই অথবা তিনি টকাৰ সহায় বিচাৰিবলৈ গৈ শিশুৰ কেনে লাগিছিল শিশুৰ মানসিক আৰু ঘৰৰ মাক আৰু বাকী শিশুসকলৰ। দুটকা খুজিবলৈ লাহৰীঘাট বজাৰত দোকান দিয়া ফাৰ্মাচিষ্ট ৰাশিদ শ্বেখৰ ওচৰলৈও গৈছিল আৰু তেতিয়াই এই উদাৰ মনৰ ব্যক্তি ৰাশিদ শ্বেখে অবুজ শিশুৰ মুখৰ গোটেই ট্ৰেজেডী কাহিনী শুনিলে আৰু সেইদিনাৰ পৰাই চাউলৰ বাহিৰে বাকী সকলো অত্যাৱশকীয় খাদ্য-সামগ্ৰীৰ যোগান ধৰি আছে। ৰেচন কাৰ্ড থকাৰ বাবে চাউলৰ ব্যৱস্থা হৈ যায় ।এতিয়া সেই পৰিয়ালৰ শিশুসকলে ফাৰ্মাচিষ্ট ৰাশিদ শ্বেখক মামা বুলি মাতে আৰু যিকোনো প্ৰয়োজনীয় সামগ্ৰী এই মহান মামাৰ পৰা লৈ যায়। অৱশ্যে মহানুভৱতাৰ কথা কোনোদিনেই ৰাশিদ শ্বেখৰ মুখৰ শুনা নাছিলোঁ। পিছে সত্যৰ ঢোল বোলে বতাহে বজায়। জানিব পৰা মতে পৰিয়ালৰ শিশুৰ খুৱাই চৰকাৰী চাকৰিও কৰে, হয়তো এই দুৰ্ভগীয়া পৰিয়ালৰ লগত কিমান যোগাযোগ আছে সেয়া আমি জানিবৰ চেষ্টা কৰা নাই। যিয়েই নহওক কিয় এই মুহূৰ্তত আমি জনাত ফাৰ্মাচিষ্ট ৰাশিদ শ্বেখে যি মহৎ কাৰ্য কৰি আছে তাৰ বাবে আমি জনসমাজে চেলুট দিছোঁ আৰু আশীৰ্বাদ কৰোঁ এনেকৈয়ে তেওঁ গৰিবৰ বন্ধু হৈ হাজাৰ দৰিদ্ৰ পৰিয়ালৰ মুখত হাঁহি বিৰিঙিয়াই তোলক।

লক্ষীমপুৰৰ ৯০ বছৰীয়া বৃদ্ধৰ কৰুণ কাহিনী

# নলবাৰীৰ শান্তি নিৱাস বৃদ্ধাশ্ৰমত পিতা-পুত্ৰৰ মহামিলন




**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, নলবাৰী, ৩ জুন ঃ** এগৰাকী অশীতিপৰ বৃদ্ধ। নিজৰ পুত্ৰ-কন্যা আৰু বোৱাৰীৰ দ্বাৰা এলাগী হৈ অবশেষত সপোনৰ ঘৰখনৰ পৰা এদিন ওলাই আহিছিল। বিভিন্ন স্থানত অনাই বনাই ঘূৰি বৃদ্ধ গৰাকীয়ে শেষ আশ্ৰয় হিচাপে গ্ৰহণ কৰিছিল পদ পথত। নলবাৰী ৰেল ষ্টেচনৰ পথৰ দাঁতিত আশ্ৰয় লৈ থকাৰ খবৰ লাভ কৰি সেই স্থানৰ পৰা উদ্ধাৰ কৰি আনিছিল সাংবাদিক মজিবুৰ ৰহমানে। তেজৰ সম্পৰ্কবোৰত যেন লাহে লাহে ঘুনে ধৰিবলৈ লৈছে। বৃদ্ধ অৱস্থা যেন এতিয়া অভিশাপত পৰিনত হৈছে । তেনেই এগৰাকী অশীতিপৰ বৃদ্ধ হৈছে পুনীৰাম খনিকৰ। ঘৰ লক্ষীমপুৰ জিলাৰ পদুমনি গাওঁত। ৯০ বছৰীয়া বৃদ্ধ পুনীৰাম খনিকৰৰ এদিন সকলো আছিল। কৃষি কাৰ্যত জড়িত বৃদ্ধ গৰাকীৰ পত্নী, দুই পুত্ৰ আৰু এগৰাকী কন্যাৰে সুখৰ সংসাৰখনিত পিছলৈ নামি আহিল অমানিশা। পত্নীৰ মৃত্যুৰ পিছত লাহে লাহে ঘৰখনত এলাগী হ'বলৈ ধৰিলে বৃদ্ধ পুনীৰামে। একমাত্ৰ জী আৰু জোৱাই থাকে গুৱাহাটী মহানগৰীত। বৰপুত্ৰ সীমান্ত খনিকৰে কৃষি কাৰ্যৰ সতে জড়িত। কনিষ্ঠ পুত্ৰ সীমান্ত খনিকৰে গাড়ীৰ ব্যৱসায় কৰে। লাহে লাহে ৰোগাক্ৰান্ত হৈ পৰা বৃদ্ধ পুনীৰাম পুত্ৰ-কন্যা আৰু বোৱাৰীৰ দ্বাৰা এলাগী হৈ পৰে। যাৰ ফলস্বৰূপে বৃদ্ধ পুনীৰামে এদিন নিজৰ আপোন ঘৰখনৰ পৰা ওলাই আহিল। এনেদৰে বিভিন্ন স্থানত অনাই বনাই ঘূৰি পিছলৈ নলবাৰী ৰে'ল ষ্টেচনৰ পদ পথত আশ্ৰয় লৈ থকা মুহুৰ্তত বৃদ্ধ পুনীৰাম খনিকৰক সাংবাদিক মজিবুৰ ৰহমানে উদ্ধাৰ কৰি আনি আশ্ৰয়-ভৰণ পোষণৰ দায়িত্ব লয়। সুদীৰ্ঘ দহ মাহ নলবাৰীৰ শান্তি নিৱাস বৃদ্ধাশ্ৰমত আশ্ৰয় দি অশীতিপৰ বৃদ্ধ গৰাকীৰ আল পৈছান ধৰিছিল সাংবাদিক ৰহমানে। অসুস্থতাৰ বাবে নিজে খাদ্য গ্ৰহণ কৰিব নোৱাৰিলে প্ৰায়ে খাদ্য খুৱাই দিছিল সাংবাদিক মজিবুৰে। ৯০ বছৰীয়া বৃদ্ধ গৰাকীৰ মলিয়ন দেহ চাফ চিকুন কৰাই দিয়া, গা ধুৱাই দিয়া, কাপোৰ পিন্ধাই দিয়া আদি সকলো কামেই কৰি দিছিল আশ্ৰম খনিৰ পৰিচালক মজিবুৰ ৰহমানে। ইয়াৰ মাজতে বৃদ্ধ পুনীৰামৰ পৰিয়ালৰ সন্ধান উলিয়াই পুত্ৰ-কন্যাক চমজি দিবলৈ যৎপৰনাস্তি চেষ্টা অব্যাহত ৰাখিছিল যদিও বিভিন্ন অজুহাত দেখুৱাই বৃদ্ধৰ দুই পুত্ৰ আৰু কন্যাই পিতৃক চমজি লবলৈ অপাৰগতা প্ৰকাশ কৰিছিল। তাৰ পিছতো যোৱা ৭ মাহে পুত্ৰ-কন্যাৰ সতে যোগাযোগ অব্যাহত ৰাখি কাউঞ্চেলিং কৰাই সৈমান কৰাবলৈ সক্ষম হৈছিল সাংবাদিক ৰহমান। আৰু অবশেষত যোৱা ১০ মাহৰ অন্তত কালি নলবাৰীৰ শান্তি নিৱাস বৃদ্ধাশ্ৰমত মহামিলন ঘটিল পিতা-পুত্ৰৰ। ইয়াৰ পিছত দুই পুত্ৰই নিজৰ ভুল স্বীকাৰ কৰি আৰু দ্বিতীয়বাৰৰ বাবে এনে ঘটনা নঘটাৰ লিখিত প্ৰতিশ্ৰুতি দি পিতৃক চমজি লয়। এক আৱেগিক পৰিবেশৰ মাজত বৃদ্ধ গৰাকীয়ে চকুলোঁ টুকি বিদায় লয় শান্তি নিৱাস বৃদ্ধাশ্ৰম-অনাথ আশ্ৰম খনিৰ পৰা। বৃদ্ধ পুনীৰামৰ বিদায় মুহুৰ্তত শান্তি নিৱাসৰ পৰিচালক মজিবুৰ ৰহমানে নতুন বস্ত্ৰ আগবঢ়োৱাৰ লগতে অন্যান্য আৱাসী সকলে সেৱা জনাই বিদায় জনোৱা মুহুৰ্তত হুকহুকাই কান্দি উঠিল অশীতিপৰ বৃদ্ধগৰাকী। বিদায় পৰত সকলোৱে কুশলে থকাৰ কামনা কৰে বৃদ্ধ পুনীৰামৰ।

# কামৰূপ কৃষি বিজ্ঞান কেন্দ্ৰত 'ভাৰত কা অম্ৰোধ মহোৎসৱ' উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৩ জুন ঃ** "দুগ্ধ এক অমৃত" শীৰ্ষৰে কৃষি বিজ্ঞান কেন্দ্ৰ কামৰূপৰ উদ্যোগত সপ্তাহজোৰা "ভাৰত কা অম্ৰোধ মহোৎসৱ" পালন কৰা হয়। কৰ'না মহামাৰীৰ আংশিক লকডাউনৰ মাজত এই মহোৎসৱ ইলেকট্ৰনিক মাধ্যমেৰে পালন কৰা হয়। কৃষি বিজ্ঞান কেন্দ্ৰ, কামৰূপৰ উদ্যোগত গোপালক সকলৰ মাজত দুগ্ধ আৰু দুগ্ধ উৎপাদনৰ ক্ষেত্ৰত কিছু সজাগতা আনিবলৈ প্ৰয়াস কৰা হয়। কেন্দ্ৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ বিজ্ঞানী ড° ইলাক্ষী ডেকাই ছখনকৈ পৰামৰ্শ পত্ৰ লিখি উলিয়ায় আৰু কৃষক ৰাইজৰ মাজত ই-মাধ্যমেৰে প্ৰচাৰ কৰে। এই মহোৎসৱৰ সৈতে সংগতি ৰাখি ২৭ মে'ত "বিশুদ্ধ দুগ্ধ উৎপাদনৰ" ওপৰত এটি ভাৰ্চুৱেল প্ৰশিক্ষণৰো আয়োজন কৰা হয়, য'ত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সহকাৰী সঞ্চালক ড° অতুল বৰগোহাঁই। তেওঁ ভাৰতবৰ্ষ আৰু অসমত দুগ্ধ উৎপাদন ক্ষেত্ৰৰ কিছু তথ্য দাঙি ধৰে। কেন্দ্ৰটিৰ মুৰব্বী বিজ্ঞানী ড° ধীৰেন্দ্ৰ নাথ কলিতাই দুগ্ধ উৎপাদকসকলক উদগনি যোগায়। ড° ইলাক্ষী ডেকাই বিশুদ্ধ গাখীৰ উৎপাদনৰ বৈজ্ঞানিক পদ্ধতিবোৰ আলোচনা কৰে। এই সপ্তাহজোৰা কাৰ্যসূচীৰ অন্তত পহিলা জুনত "বিশ্ব দুগ্ধ দিৱস" উপলক্ষে ভাৰ্চুৱেলী এটি আলোচনা চক্ৰ আয়োজন কৰা হয়। এই আলোচনা চক্ৰখনত দুগ্ধ উৎপাদনৰ বিভিন্ন বিষয়সমূহ সামৰি লোৱা হয়। ড° ইলাক্ষী ডেকাই অনুষ্ঠানটো আৰম্ভণিতে সকলোকে আদৰণি জনোৱাৰ লগতে বিশ্ব দুগ্ধ দিৱসৰ উদ্দেশ্য বাখ্যা কৰে। আলোচনাত মুখ্য অতিথি হিচাপে সঞ্চালক ড° এ কে ত্ৰিপাঠীয়ে দুগ্ধৰ বিভিন্ন দিশ সমূহ উনুকিয়াই ভাষণ প্ৰদান কৰে। পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ গৱেষণা সঞ্চালক ড° নিৰঞ্জন কলিতা আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি দুগ্ধ পামৰ বাণিজ্যিক দিশ সমূহ দাঙি ধৰে। আলোচনা চক্ৰখনত মূল সমল ব্যক্তি হিচাপে উপস্থিত থাকে দেৱজিৎ চৌধুৰী। জিলা পশু পালন আৰু পশু চিকিৎসা বিষয়া ড° অৰুণ শৰ্মাই অসম চৰকাৰৰ আঁচনি সমূহ সন্দৰ্ভত আলোকপাত কৰে। অনুষ্ঠনটোত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° মাছহেক ৰফিক উপস্থিত থাকে। অনুষ্ঠানটোৰ অন্তত শলাগৰ শৰাই আগবঢ়াই ড° ইলাক্ষী ডেকাই।

# মিছিং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱসৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ৩ জুন ঃ** বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ৫ জুনত মিচিং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত অনুষ্ঠিত হ'ব বিশ্ব পৰিৱেশ দিৱস। পৰিষদৰ অধ্যুষিত সমগ্ৰ অঞ্চলত পৰিৱেশতন্ত্ৰ পুনৰ ঘূৰাই অনাৰ উদ্দেশ্যৰে ক'ভিড প্ৰট'কল মানি চলিও ব্যাপক প্ৰস্তুতি চলাইছে পৰিষদৰ ফালৰ পৰা। উল্লেখনীয় যে, মিচিং স্বায়ত্তশাসিত পৰিষদৰ তৰফৰ পৰা দীৰ্ঘদিন ধৰি অসমৰ প্ৰথম মুখ্য বন সংৰক্ষক মহি চন্দ্ৰ মিৰি (পাতিৰ) ৰ নামত পৰিৱেশ সংৰক্ষণ এলানি আন্দোলন চলাই আহিছে। এইমতে বিভিন্ন সময়ত বিভিন্ন স্থানত সেউজ বনানীকৰণ আঁচনিৰ লগতে প্ৰদূষণমুক্ত এখন সমাজ গঢ়িবলৈ নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই প্ৰচেষ্টাট পৰিষদখন যথেষ্ট সফলতাও লাভ কৰিছে। পূৰ্বৰ তুলনাত এইবাৰ অধিক জনসাধাৰণৰ মাজত পৰিৱেশ ৰক্ষাৰ প্ৰতি সজাগতা আনিবলৈ পৰিষদৰ ফালৰ পৰা তৎপৰতা অৱলম্বন কৰা বুলি মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ ছায়েঙ্গীয়া আৰু বিশেষ কৰ্তব্যৰত বিষয়া ডাঃ অনিল কুমাৰ পেগুৱে জনাইছে। বিশেষকৈ শিশু আৰু কিশোৰ সকলৰ মাজত পৰিৱেশৰ প্ৰতি সজাগতা অনা আৰু প্ৰদূষণমুক্ত সেউজ ধৰণী গঢ়িবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে । তেওঁলোকে জনোৱা মতে শিশু আৰু কিশোৰ সকলৰ প্ৰতিভা বিকাশৰ লগতে পৰিৱেশতন্ত্ৰ, প্ৰদূষণমুক্ত সেউজ ধৰণীৰ প্ৰতি আকৃষ্ট কৰিবলৈ পৰিৱেশৰ ওপৰত ৰচনা, কবিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতা আয়োজন কৰিছে । তিনিওটা প্ৰতিযোগিতাৰ বিষয় হৈছে পৰিৱেশৰ ওপৰত । এই প্ৰতিযোগিতা উচ্চ আৰু নিম্নশাখাত বিভক্ত কৰা হৈছে । প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ নিম্ন শাখা আৰু ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ উচ্চ শাখা ধাৰ্য কৰা হৈছে । প্ৰতিটো শাখাত প্ৰথম, দিত্বীয় আৰু তৃতীয় পুৰস্কাৰ থাকিব। দুটা শাখাৰে প্ৰথম পুৰস্কাৰ ২০ হাজাৰ, দিত্বীয় ১৫ হাজাৰ আৰু তৃতীয় পুৰস্কাৰ ১০ হাজাৰ টকা । ৫ জুনৰ পৰা প্ৰতিযোগী সকলে লেখসমূহ পৰিষদৰ ঠিকনাত জমা দিব পাৰিব। লেখা সমূহ অসমীয়া, মিচিং আৰু ইংৰাজী ভাষাত লিখিব লাগিব আৰু macassam2020/gmail.com ই-মেইলত প্ৰেৰণ কৰিব লাগিব। পৰিষদীয় সমষ্টিবোৰৰ পৰা নিৰ্বাচিত কৰাৰ পিছত লেখাবোৰ বিশেষ কমিটি এখনে বিজয়ী প্ৰতিযোগী সমূহ ঘোষণা কৰিব। অৱশ্যে সুবিধা অনুযায়ী পৰিষদ প্ৰতিটো সমষ্টিত থকা ৰাজহুৱা প্ৰেক্ষাগৃহতো এই প্ৰতিযোগিতা আয়োজন কৰাৰ পোষকতা কৰিছে বুলি তেওঁলোকে জানিবলৈ দিছে। পৰিষদৰ পৰা জানিবলৈ দিয়া মতে ৫ জুন পৰিষদৰ উদ্যোগত, ছেভ্ প'বা ৰেইন ফৰেষ্ট আৰু জোনাই মহকুমা প্ৰশাসনৰ উদ্যোগত জোনাইৰ প'বা বনাঞ্চলত সম্পূৰ্ণ ক'ভিড প্ৰট'কল মানি দিনজোৰা কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰা হ'ব।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিন্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিন্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি